জুন ২০০১ Rs. 10/-

চান্দমামা


Are you a fan of Garuda, the masked hero with magical powers?
Enjoy the exciting exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

চান্দমামা

বৰ্ষ : ২৮ জুন ২০০১ সংখ্যা - ৬

এই সংখ্যাত আছে

কাহিনী

মানৱ ধৰ্ম (বেতাল কথা) পৃষ্ঠা ০৯
যোগ্য দৰা হয় নে নহয়? পৃষ্ঠা ২৬
যি স্পৰ্শ কৰে সিয়ে সোণ হৈ যায় পৃষ্ঠা ২৯
বিশ্বাস পৃষ্ঠা ৩৯
ধনতকৈও মহান পৃষ্ঠা ৪৩
বল আৰু ধনৰ জয় পৃষ্ঠা ৫৩
চঞ্চল চিত্ত পৃষ্ঠা ৫৪
বিচিত্ৰ বিজয় পৃষ্ঠা ৫৮

জ্ঞানপ্ৰদ ধাৰাবাহিক

যক্ষ পৰ্বত - ৪ পৃষ্ঠা ১৫

বিশ্ব পৰিবেশ দিবস বিশেষ সংখ্যা

নিখুঁত পৰিষ্কাৰ পৃষ্ঠা ৩১
জীৱন আকৌ প্ৰবাহিত হয় পৃষ্ঠা ৩৫

ঐতিহাসিক ঘটনা

ভাৰত কথা - ১৫ পৃষ্ঠা ২২

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৬৩ পৃষ্ঠা ৪৭

চিত্ৰ কথা

অজেয় গৰুড়া - ৩ পৃষ্ঠা ৬১

বিশেষ আলোচনা

বাতৰি সংগ্ৰহ পৃষ্ঠা ০৭
ভাৰতৰ বিষয়ে জানি লোৱা পৃষ্ঠা ৫৭
এই মাহত যাৰ জন্ম পৃষ্ঠা ৬৫
ফটো নামকৰণ প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এই মাহৰ বিশেষ আকৰ্ষণ

মানব ধৰ্ম (বেতাল কথা)

যক্ষ পৰ্বত



ধনতকৈও মহান

ভাৰত কথা

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officers Colony, Ekattuthangal, Chennai - 600 097. Editor: Viswam

আপোনাৰ কোনোবা আপোনজন বিদেশত থাকে নেকি ? তেওঁলোকে ঘৰৰ স্নেহ হেকুৱাইছে নেকি ?

তেওঁলোকক চান্দমামাৰ যিকোনো এটা ভাৰতীয় ভাষাৰ সংস্কৰণ উপহাৰ দিয়ক । তেওঁলোকৰ ভাষাতে তেওঁলোকৰ ঐতিহ্য উপহাৰ দিয়ক

চান্দমামা

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়া, মালয়ালম, মাৰাঠী, উড়িয়া, সংস্কৃত, তামিল আৰু তেলেগু

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

পঠোৱাৰ ঠিকনা

SUBSCRIPTION DIVISION
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

চান্দমামা উপহাৰ দিয়ক ! ঘৰৰ স্নেহ উপহাৰ দিয়ক !!

সম্পাদক

বিশ্বম

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
মিচ অভিৰামী স্বামী
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯

বাঙ্গালোৰ
মিঃ সুধিৰ সালাৰিয়া
ফোন : ০৮০-৫৫৯৮৮৫৯ /৫৫৫০৮২১ / ৫২৪৫২৬৫

ক'লকাতা
মিঃ আশীস লাহা
ফোন : ০৩৩-২৩৪৯৫২৯

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ /৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
ফোন : ০২২-২৬৬১৫৯৯ /২৬৬১৯৪৬ / ২৬৫৩০৫৭

চান্দমামা পত্ৰিকা বিভাগ
৮২ নং, ডিফেন্স অফিচাৰ্চ কলনী,
একাটুথাঙ্গল, চেন্নাই -৬০০০৯৭
ফোন : ২৩৪৭৩৮৪, ২৩৪৭৩৯৯
ফেক্স : ২৩৪-৭৩৮৪
E-mail : chandamama@chandamama.org

For USA
Single copy $2
Annual subscription $20
Residents of USA and Canada can mail their remittances to :
INDIA ABROAD
43 West 24th Street
New York,
NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503
E-mail:mail@indiaabroad.com

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers; copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

শিশুসকল একলগ হওক

গুজৰাটৰ ভূমিকম্পত যেতিয়া হাজাৰ হাজাৰ নিৰীহ লোকে প্ৰাণ হেৰুৱাইছিল কোনেওটো হিচাপ কৰা নাছিল তেওঁলোক কোন ধৰ্মৰ, কোন জাতিৰ বা কোন সম্প্ৰদায়ৰ লোক। আচল কথাটো হ'ল সেই বিপৰ্যয়ত ইমানবোৰ মানুহৰ মৃত্যুয়ে বাচি থকাসকলৰ মানসিক অনুভূতিত যে স্পৰ্শ কৰিব পাৰিছিল সেয়েই যথেষ্ট।

যদি এটা দুৰ্যোগে জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোকে একত্ৰিত কৰিব পাৰে, ইয়ে প্ৰমাণ কৰে ভাল পোৱা, অনুকম্পাৰ দৰে মানুহৰ মূল্যবোধ এতিয়াও শেষ হৈ যোৱা নাই। তেতিয়াহলে মানুহে সমন্বয়েৰে বাস কৰাত কিহে বাধা দিছে?

এখন অতি উন্নত ৰাষ্ট্ৰৰ অলপতে এখন স্কুলত ঘটা ঘটনাত আমি সকলোৱে মৰ্মাহত। তদন্ত প্ৰতিবেদনেও এফালেই আঙুলি টোৱাইছে : এজনৰ স্বাধীনতা হৰণ। আমি এইবাবে আচৰিত হৈছো, নতুন পুৰুষসকলক মানবীয় মূল্যবোধৰ শিক্ষা দিবলৈ আধুনিক শিক্ষা ব্যৱস্থা এতিয়াও ইয়াৰ লক্ষ্যত উপনিত হব পৰা নাই। বৰ্তমান শিক্ষা ব্যৱস্থাই তথ্যৰ হে জ্ঞান দিয়ে, অন্য ভাবে কবলৈ গলে সেইবোৰ মস্তিস্কত সোমাই দিয়া হয়। অন্তৰেৰে সৈতে সেইবোৰ শিকোৱা নহয়।

শিক্ষাৰ উদ্দেশ্য হোৱা উচিত চৰিত্ৰ গঠন আৰু নিয়মানুবৰ্ত্তিতাৰ শিক্ষা দিয়া। ইয়াৰ অভাবে সভ্যতা আকৌ প্ৰস্তৰ যুগলৈ পিচুৱাই লৈযাব, যাৰ মূল মন্ত্ৰ হৈছে, বল যাৰ মুলুক তাৰ, অৰ্থাৎ জঙ্ঘলৰ ৰাজত্ব।

ওপৰত উল্লেখ কৰা এটা ঘটনাত এজনী কিশোৰীয়ে স্কুলৰ বান্ধবী এজনীক অস্ত্ৰ সম্বৰণ কৰিবলৈ বাধ্য কৰিছিল। ভাৰতত কিশোৰ-কিশোৰীসকলে সাহসেৰে দুৰ্যোগ বা দুৰ্ঘটনাক বাধা দিয়াৰ কথা আমি প্ৰায়ে শুনো। যেনেদৰে এজনী ১২ বছৰীয়া ছোৱালীয়ে বেঙ্ক ডকাইতৰ হাতৰ পৰা বেঙ্কৰ প্ৰহৰী হিচাবে কাম কৰা পিতাকৰ জীৱন ৰক্ষা কৰিছিল। নিৰ্মল হৃদয়ৰ শিশুৰ এইটো অন্য এক উদাহৰণ।

সদায় শিশুসকলৰ বন্ধু হৈ থকা চান্দমামাই তেওঁলোকক অনুৰোধ জনাইছে, তেওঁলোকে যেন একলগ হৈ এক সুন্দৰ পৰিবেশৰ সৃষ্টি কৰি সুখে শান্তিৰে জীৱনটো উপভোগ কৰিব পাৰে।


HERO CYCLES
HERO
LUNCH BOX
OFFER
BUY ANY HERO KID'S CYCLE, GET A LUNCH BOX FREE
HERO
SALSA
LAMBADA
BOSS
ROBO COP
PIRANHA
TERMINATOR
ACTIVE
CADET DX
BUZZ Jr
OFFER ALSO AVAILABLE ON: LIMBO, SPARKY, LI'L ANGEL, KIDD DX, BANDIT, SHERIFF & REX PHANTOM
Cycles also available without this offer. Offer valid from 15-4-01 to 31-5-01.
HTA.5810.2001

চান্দমামাৰ

বাতৰি সংগ্ৰহ

মীৰ আৰু নাই

ৰাচিয়াৰ মহাকাশ ষ্টেচন মীৰ-এ ১৯৮৬ চনত উৎক্ষেপণৰ ১৫ বছৰ পিছত মৃত্যুৰ সংকেত পাইছিল আৰু যোৱা ২৩ মাৰ্চত ইয়াৰ সমাপ্তি ঘটিছিল।

মীৰক প্ৰথমতে তিনি বছৰৰ বাবে তৈয়াৰ কৰা হৈছিল, কিন্তু মহাকাশ গৱেষণাৰ বাবে কাৰ্য্যকৰী বুলি প্ৰমাণিত হোৱাত ইয়াক দীৰ্ঘ দিনৰ বাবে ৰখা হয়। সেই পোন্ধৰ বছৰৰ ভিতৰত তাত ১০৪ জন ৰাচিয়াৰ আৰু আমেৰিকাৰ মহাকাশচাৰীয়ে আৰোহণ কৰিছিল; প্ৰায় ১৬,৫০০ টা পৰীক্ষা চলোৱা হৈছিল আৰু ই ৮৬,৩০০ বাৰ কক্ষপথত ঘূৰিছিল।

চোভিয়েত মহাকাশ অভিযানৰ অংশ হিচাবে মীৰক উৎক্ষেপন কৰা হৈছিল। ১৯৯১ চনত চোভিয়েত ইউনিয়ন ভাগ হোৱাত ৰাচিয়াই ইয়াৰ খৰছৰ প্ৰধান আংশ বহন কৰিব লগা হৈছিল আৰু প্ৰতি বছৰে ইয়াৰ বাবে খৰছ হৈছিল ২৫০ নিযুত ডলাৰ। ৰাচিয়াই অকলে ইমান টকা খৰছ কৰিবলৈ টান পোৱাত তেওঁলোকে আমেৰিকাৰ সহায় লৈছিল। ইয়ে দুয়োখন দেশৰ মাজত শান্তি আৰু সহযোগিতাৰ চিহ্ন হৈ আছিল। আমেৰিকাই তৈয়াৰ কৰিব খোজা আন্তৰ্জাতিক মহাকাশ ষ্টেচনৰ সহায়ৰ কাৰণে

মহাকাশচাৰীসকলে মহাকাশত বসবাস প্ৰযুক্তি কৌশল দেশলৈ ঘূৰাই আনিছিল।

১৪০ টন ওজনৰ মীৰ, প্ৰশান্ত মহাসাগৰত পৰা কাৰ্য্যটো এক কৌতুহল উদ্দীপক দৃশ্য আছিল। ইয়াক তললৈ নমাই অনাৰ ক্ষেত্ৰত ৰাচিয়াৰ ইঞ্জিনিয়াৰ সকলে প্ৰযুক্তি বিদ্যাৰ বিশেষ দক্ষতা দেখুৱাইছিল। এই ক্ষেত্ৰত তেওঁলোকে অকণমানো ভুল কৰা নাছিল। সেই প্ৰকান্ড মহাকাশ ষ্টেচনটো প্ৰায় ১,৫০০ টুকুৰা হৈ মহাসাগৰত ভাঙি পৰিছিল।

মীৰৰ বিষয়ে কিছু খবৰ

☛ মীৰৰ ১৫ বছৰ জীৱন কালৰ ভিতৰত ১২ বছৰ ৬ মাহ তাত মানুহে বাস কৰিছিল। মহাকাশচাৰী ভলেৰি পোলকভে তাত ৪৩৭ দিন একেৰাহে আছিল। আকৌ আন এগৰাকী মহিলা মহাকাশচাৰী শান্নণ লুচিড তাত ১৮৮ দিন আছিল। তেওঁৱেই হ'ল দীৰ্ঘদিন ধৰি মহাকাশত থকা প্ৰথম মহিলা।

☛ মহাকাশ ষ্টেচনটো পৃথিবীৰ বায়ুমন্ডলত প্ৰৱেশ কৰাত তাত জুই লগা বস্তুবোৰৰ ভিতৰত আছিল ১০০ খন কিতাপৰ এটা পুথিভঁৰাল। সেই কিতাপবোৰৰ ভিতৰত কোৰাণ আৰু বাইবেলো এখনকৈ আছিল। আৰু আছিল ৰাচিয়াৰ প্ৰথম মহাকাশচাৰী যুৰি গ্ৰেগেৰিণৰ এখন ফটো, লগতে আছিল ১১ টন ওজনৰ বৈজ্ঞানীক যন্ত্ৰপাতি।

☛ মীৰ ধ্বংস হোৱাৰ দুদিন আগতে ৰাচিয়াৰ সংসদসকলে ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুতিনক আবেদন জনাই কৈছিল যে মহাকাশ ষ্টেচনটো কক্ষপথত থাকিব দিবলাগে, কাৰণ ইয়াৰ আৱশ্যাকতা এতিয়াও শেষ হোৱা নাই। সেই সংসদবোৰৰ ভিতৰত দুজন প্ৰাক্তন মহাকাশচাৰীও আছিল।

পৃথিবীৰ পৰা মঙ্গল গ্ৰহৰ ছবি

ভাৰতৰ ছাত্ৰ-বিজ্ঞানী শলীন হাৰিয়ালকা (১৫), তনময় হিৱাদকাৰ (১৩), আৰু বিকাশ সাৰঙ্গধৰে (১০) পৃথিবীৰ অন্য ঠাইৰ ৬জন স্কুলৰ ছাত্ৰৰ লগ হৈ নাচা (NASA) -ৰ মালিনত থকা মাৰ্চ গ্লোবেল স্পেচক্ৰেফ্‌ট লেবোৰেটৰিৰ পৰা মঙ্গল গ্ৰহৰ ফটো লৈছিল। এই তিনিজন ছাত্ৰই গ্ৰহটোৰ অতিআকৰ্ষণীয় কিছুমান ছবি লোৱা বুলি কোৱা হৈছে।

সেই ছবিবোৰৰ ভিতৰত আছে বালিৰ স্তূপ, উপত্যকা, মেৰু অঞ্চলৰ বৰফ আৰু পানীৰ তৰপ থকাৰ প্ৰমাণ।

এজন ৫ বছৰ বয়সীয়াই ৫০ বছৰ পূৰ্ণ কৰিলে !

ডেনিচ দা মেনচ-এ যোৱা ৫০ বছৰে ৫ বছৰীয়া হৈয়ে থাকিল! এই অতি মৰমৰ চৰিত্ৰটোৱে হেনৰি 'হেঙ্ক' কেট্‌ছমৰ তুলিৰ পৰা পৃথিবীৰ বহুতো বাতৰি কাকত আৰু আলোচনীৰ পাত অলংকৃত কৰিবলৈ সক্ষম হৈছে। কেট্‌ছমে মেনচক তেওঁৰ নিজৰ পুত্ৰ ডেনিচৰ ৰূপত সজাইছিল। ল'ৰাটোৰ যেতিয়া চাৰিবছৰ, এদিন তাৰ মাকে হেনৰিৰ

ওচৰলৈ দৌৰি আহি কলে, "তোমাৰ ল'ৰাটো উৎপতীয়া হৈছে!" ইয়াৰ পৰাই কেট্‌ছমে (এতিয়া ৮১ বছৰ) ১৯৫১ চনত ডেনিচ দা মেনাচ সৃষ্টি কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। উইলচন, তেওঁৰ চুবুৰীয়া পাল জোয়ে আৰু ৰাফ নামৰ কুকুৰটোক কনচাচৰ উইছিটাত উপস্থাপন কৰিছিল। কেটছমে সিদ্ধান্ত কৰিছিল যে তেওঁৰ অন্যায়ৰ ক্ষু পৰ্বতখন আৰু ডাঙৰ হবলৈ নিদিয়ে নহয়। শিশুসকলৰ বাবে মেনাচ সদায় অতি মৰমৰ।

ভূমিকম্পৰ অনুশীলন

গুজৰাটৰ স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক ভূমিকম্পৰ সময়ত কেনেকৈ স্কুল ঘৰৰ ভিতৰৰ পৰা ওলাই আহিব লাগে তাৰে প্ৰশিক্ষণ দিয়া হৈছিল। সাৱধান কৰি দিয়া বেল বজাৰ লগে লগে, যিটো স্কুল আৰম্ভণি, জিৰণি বা ছুটীৰ সময়ত দিয়া বেলৰ শব্দৰ দৰে নহয়, বুজিব লাগিব আতঙ্কিত নহবলৈ কোৱা হৈছে আৰু লাহে লাহে শাৰীপাতি মুকলি পথাৰলৈ যাবলৈ কোৱা হৈছে। ছাত্ৰবোৰৰ শেষত যাব শ্ৰেণী শিক্ষকজন আৰু সকলোৰে শেষত মুকলি পথাৰলৈ যাব স্কুলৰ অধ্যক্ষ। কিছুদিন অনুশীলন কৰাৰ পাছত আহমাদাবদৰ স্কুল এখনৰ চূড়ান্ত অনুশীলনৰ দিনা দেখা গ'ল মাথোঁ এক মিনিটৰ ভিতৰতে এহেজাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে মুকলি ঠাইলৈ ওলাবলৈ সক্ষম হৈছে।

ত্ৰিশ কোটিতকৈও বেচি

যোৱা বছৰ মে মাহৰ এক তাৰিখে এটা শিশু জন্ম হোৱাৰ পিছত দেশৰ জনসংখ্যা এশ কোটি হৈছিল। ২০০১ চনৰ ২৮ ফেব্ৰুৱাৰীত দেশৰ জনগণনাৰ প্ৰথম দফাৰ কাম সম্পূৰ্ণ হৈছিল। ইয়াৰ এমাহৰ পিছত প্ৰকাশ কৰা প্ৰাথমিক পৰিসংখ্যাত দেখা গৈছে এই দহ মাহৰ ভিতৰত দেশৰ জনসংখ্যা বাঢ়িছে ২৭,০১৫,২৪৭ জন। ১ মাৰ্চত পুৰুষৰ সংখ্যা হ'ল ৫৩১,২৭৭,০৭৮ আৰু মহিলাৰ সংখ্যা হ'ল ৪৯৫,৭৩৮,১৬৯। ত্ৰিশ কোটিতকৈও বেচি জনসংখ্যা থকা ভাৰত হ'ল দ্বিতীয় খন দেশ, প্ৰথমখন দেশ হ'ল চীন।

৬ বছৰৰ ওপৰৰ ভাৰতৰ শিক্ষিতৰ শতকৰা হাৰ ৬৫.৮৩। তাৰ ভিতৰত পুৰুষৰ শতকৰা হাৰ ৭৫.৮৫ আৰু মহিলাৰ শতকৰা হাৰ ৫৪.১৬। দেশৰ ৰাজ্যবোৰৰ ভিতৰত কেৰেলাৰ শিক্ষিতৰ শতকৰা হাৰ ৯০.৯২। দ্বিতীয়খন ৰাজ্য হ'ল মিজোৰাম (৮৮.৪৯)। তৃতীয় স্থানত আছে লাক্ষাদ্বীপ (৮৭.৫২)।

৯ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত ১,৭০০,০০০ জন গণনাকাৰীয়ে ৬৪০,১০০ খন গাওঁ আৰু ৫,২০০ খন চহৰৰ ২০০ নিযুত পৰিয়ালৰ ঘৰলৈগে পৰিসংখ্যা সংগ্ৰহ কৰিছিল। ২০০১ ৰ জনগণনা হ'ল দেশৰ ১৪ তম জনগণনা। প্ৰথম জনগণনা আৰম্ভ হৈছিল ১৮৭১ চনত।

বেতাল কথা

মানৱ ধৰ্ম

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে । তাৰ পাচত মৌন হৈ শ্মশানৰ ফালে গৈ থাকিল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে- "মহাৰাজ, ৰাজপৰিয়ালত জন্ম গ্ৰহণ কৰা ৰাজকুমাৰ আৰু ৰাজকুমাৰী সকলক সৰুৰে পৰাই সাহসপূৰ্ণ বিদ্যা অভ্যাস কৰোৱা হয়, আৰু এইটো কোনো সহজ বিদ্যা নহয়। এনেকুৱা লোকে তোমাৰ দৰেই কঠোৰ পৰিশ্ৰম কৰে । নিজৰ লক্ষ্যত উপনিত হবলৈ দিনে ৰাতি যত্ন আৰু চেষ্টা কৰে । এনেদৰে তেওঁলোক ধীৰস্থিৰ হয় । কিন্তু দেখা যায় কিছুমান



লোক লক্ষ্য প্ৰাপ্তিৰ পথত উপনিত হোৱাৰ সময়তে চিত্তৰ চঞ্চলতাৰ বশ হৈ নিজৰ ভাগ্যক দুৰ্ভাগ্যৰ ফালে থেলি দিয়ে । নিজৰ ভৰিত নিজে কুঠাৰ মাৰে । নিজৰ পতন নিজে মাতি আনে । বহুদিন আগৰ কথা । উদ্যান দেশৰ ভাবী মহাৰাজ শ্ৰীতবৰ্মাৰ ক্ষেত্ৰতো এনেকুৱা ভুলেই হৈছিল । এইদৰে মানসিক অস্থিৰতাৰ বশ হৈ নিজে লাভ কৰা অমূল্য সুযোগো হেৰুৱাইছিল । পথৰ ক্লান্তি দূৰ কৰিবলৈ এতিয়া মই কোৱা কাহিনী শুনা।” এইবুলি কৈ বেতালে শ্ৰীতবৰ্মাৰ কাহিনী আৰম্ভ কৰিলে ।

প্ৰবাল দেশৰ শাসনকৰ্ত্তা মৰুতবৰ্মাৰ এজনী ছোৱালী জন্ম হ'ল । বিয়াৰ বহুবছৰ পিচত এই কন্যা সন্তানটো জন্ম হ'ল । পূৰ্ণিমাৰ দিনা ৰাতি ছোৱালীজনীৰ জন্ম হোৱা বাবে মৰুত বৰ্মাই তাইৰ নাম ৰাখিলে কৌমুদী। যৌৱন প্ৰাপ্ত হোৱাৰ লগে লগে কৌমুদী ৰূপে গুণে ধুনীয়া হৈ উঠিল আৰু সেইদৰে তাই বুদ্ধিমতীও হ'ল ।

মৰুতবৰ্মাই এইটোও ভালদৰে জানিছিল যে, যিয়েই কৌমুদীক বিবাহ কৰাব তেওঁৱেই ভৱিষ্যতে প্ৰবাল দেশৰ ৰজা হব । সেয়েহে তেওঁ কৌমুদীৰ হবখোজা দৰাটো সকৰে পৰাই চাই থৈছিল । সেইজন আছিল উদ্যান দেশৰ ভাবী মহাৰাজ । তেওঁৰ নাম হ'ল শ্ৰীতবৰ্মা । শ্ৰীতবৰ্মাই প্ৰবাল দেশৰ ৰাজগুৰু মুকুন্দচাৰ্য্যৰ ওচৰত বিদ্যা শিক্ষা লৈছিল । সেই ৰাজগুৰুৰ ওচৰত শ্ৰীতবৰ্মাৰ লগতে কৌমুদী আৰু মণিমন্তইও শিক্ষা গ্ৰহণ কৰিছিল । মণিমন্ত হ'ল মৰুতবৰ্মাৰ প্ৰধানমন্ত্ৰী ৰত্ন কেশৰীৰ পুত্ৰ । বাল্যকালত তেওঁলোকে একে গুৰুৰ ওচৰতে শিক্ষা গ্ৰহণ কৰিছিল । সেই কাৰণে মণিমন্ত আৰু কৌমুদীৰ মাজে সময়ে বাক বিতণ্ডা লাগিছিল । কিন্তু দুয়ো কেতিয়াও সীমা পাৰহৈ যোৱা নাছিল । পাৰস্পৰিক মিলা প্ৰীতিৰ কোনো হানি হোৱা নাছিল । তেওঁলোকৰ কথা বতৰা মুকুন্দচাৰ্য্যই অতি মনোযোগেৰে শুনিছিল । তেওঁলোকৰ ভাবগম্ভীৰ কথা বতৰা আচাৰ্য্যৰ খুব ভাল লাগিছিল । শ্ৰীতবৰ্মাই মাজে মাজে তেওঁলোকৰ কথা বতৰাত হস্তক্ষেপ কৰিলেও যুক্তি তৰ্কৰ জ্ঞান আছিল তেওঁৰ সীমিত ।

বাল্যকাল শেষ হোৱাৰ পিচত কৌমুদীৰ বিদ্যা শিক্ষা আৰম্ভ হ'ল অন্তঃপুৰত । কিন্তু পিতাকৰ প্ৰেৰণা পাই কৌমুদীয়ে পুৰুষ বেশ ধৰি বাকী দুজনে যি শাস্ত্ৰ অধ্যয়ন কৰিছিল তাকো তেওঁ শিকিলে । এনেদৰে

তেওঁলোকৰ বন্ধুত্ব চলি থাকিল ।

মহাৰাজ মৰুত বৰ্মাই দুয়ো যুৱককে খুব ভাল পাইছিল । শ্ৰীতবৰ্মা হ'ল ভাবী জোৱাই আৰু মণিমন্ত হ'ল খুব মেধাৱী ছাত্ৰ । দুয়োজন যুৱকৰ লগতে তেওঁৰ জীয়েকৰ মিলাপ্ৰীতি দেখি ৰজা কেতিয়াবা চিন্তিত হৈ যায় । দেখাৰ ফালৰ পৰা আৰু শাস্ত্ৰ বিদাতো শ্ৰীতবৰ্মাতকৈ মণিমন্ত হে শ্ৰেষ্ঠ । পাৰ্থক্য ইমানেই, এজন হ'ল ৰাজকুমাৰ আৰু আনজন হ'ল মন্ত্ৰীপুত্ৰ। কিন্তু তেওঁও এজন উত্তম ক্ষত্ৰিয় সন্তান । যদি তেওঁৰ কন্যা কিবা কাৰণত মণিমন্তৰ প্ৰতি আকৰ্ষিত হয় তেতিয়াহলে তেওঁ ভালদৰে জানে যে তেওঁ সমস্যাৰ সন্মুখীন হব লাগিব। শ্ৰীতবৰ্মাৰ মাক পিতাকৰ সম্পূৰ্ণ বিশ্বাস আছে, মৰুত বৰ্মাই তেওঁলোকৰ পুত্ৰকহে জোৱাই কৰিব । শ্ৰীতবৰ্মাইও কৌমুদীক খুব ভাল পায় ।

মৰুত বৰ্মাৰো এই বিষয় আৰু পৰিস্থিতি সম্পৰ্কে ভালদৰে জনা আছিল । তেওঁ ইয়াকো জানিছিল ইয়াৰ কিবা হেৰফেৰ হলেই পৰিস্থিতি খুব গম্ভীৰ হব । সেয়েহে তেওঁ ঠিক কৰিলে এই বিষয়ে প্ৰথমতে তেওঁৰ জীয়েকৰ মতামত লোৱাই ভাল হব । পাকে প্ৰকাৰে কৌমুদীৰ বান্ধবী মালতীয়ে এই বিষয়ে কথা হৈ জানিব পাৰিলে কৌমুদীয়ে শ্ৰীতবৰ্মাৰ লগত বিয়া হব নিবিচাৰে । যিহেতু তেওঁ পিতাকৰ বন্ধু পুত্ৰ সেয়েহে তাক তেওঁ মৰম কৰে । মণিমন্তক হে তেওঁ নিজৰ পতি হোৱাৰ যোগ্য বুলি ভাবে । মালতীয়ে মহাৰাজক কৌমুদীৰ বিষয়ে এইখিনি জনাই আৰু ইয়াকো কলে যে, নিজ মাতৃভূমিৰ প্ৰতি কৌমুদীৰ গভীৰ ভাল পোৱা আছে ।

মালতীৰ কথাৰ পৰা ইয়াকো বুজা গ'ল কৌমুদীয়ে অন্য কোনো দেশৰ ৰাণী হৈ যাব নিবিচাৰে । তেওঁ ভাবে যদি তেওঁৰ মণিমন্তৰলগত বিয়া হয় তেতিয়া তেওঁ এই দেশতে থাকিব পাৰিব আৰু দুয়ো মিলি ৰাজ্যখন চোৱাচিতা কৰিব পাৰিব । এইটো নকৰিলে প্ৰবাল দেশখন অন্য কোনো ৰাজ প্ৰতিনিধিৰ হাতত অৰ্পণ কৰিব লাগিব, কাৰণ এই ৰাজবংশৰ অন্য কোনো উত্তৰাধিকাৰী নাই । এতিয়া ৰজাৰ অনুমান হ'ল যি কথাটোৰ প্ৰতি তেওঁৰ ভয় আছিল সেইটোহে এতিয়া ঘটিব । তেতিয়াৰ পৰা কৌমুদীৰ বিবাহ সম্পৰ্কে ৰজাৰ চিন্তা বাঢ়িবলৈ ধৰিলে ।

কিন্তু এই সম্পৰ্কীয় এক ৰহস্যৰ বিষয়ে ৰজা অজ্ঞাত আছিল । তেওঁ এইটো জানিব পৰা নাছিল যে শ্ৰীতবৰ্মাইও ইতিমধ্যে

বেচি ভাল পাও । তেওঁৰ পতি হোৱাৰ যোগ্যতা মোৰ সমান তোমাৰ নাই । তথাপি তুমি যদি যোগ্যতাৰ কথা বাদ দিয়া, তেতিয়া হলে এইটোৱে ঠিক হব আমি দুয়ো যুদ্ধৰ দ্বাৰা নিজৰ শক্তিৰ পৰীক্ষা কৰি লৈ এই সমস্যা সমাধান কৰিম । যিয়ে যুদ্ধত জয় লাভ কৰিব তেওঁৱেই কৌমুদী আৰু প্ৰবাল দেশৰ সিংহাসন লাভ কৰিব ।” ৰজাই পুনৰ শ্ৰীতবৰ্মাক কলে “মণিমন্ত অৱশ্যে এই প্ৰস্তাৱত মান্তি হব । তুমি তোমাৰ সকলো শক্তি প্ৰয়োগ কৰি কৌমুদীক লাভ কৰা । যদি তোমাৰ জয় অসম্ভৱ যেন দেখো আৰু পৰিস্থিতি তোমাৰ বিৰুদ্ধে যায় তেতিয়া মই এনে উপায় উলিয়াম যাৰ দ্বাৰা তোমাৰ জয় হয় । জয় লাভ কৰাৰ পিছত তুমি কৌমুদীক তোমাৰ আৰু মণিমন্তৰ মাজত হোৱা কথা সম্পৰ্কে জনাবা । তেতিয়া কৌমুদীয়েও তোমাক পতি হিচাপে বৰণ কৰিব ।

ৰজাৰ কথা শুনি শ্ৰীতবৰ্মাই কিছুসময় চিন্তা কৰিলে আৰু তাৰপাচত কলে, “মহাৰাজ, যোদ্ধা হিচাবে আমি দুয়ো সমান যোদ্ধা, কিন্তু মণিমন্তৰ গভীৰ আত্ম বিশ্বাস আছে, যিয়ে তেওঁৰ ধৈৰ্য্য আৰু সাহস বঢ়াই দিয়ে । সেয়েহে আমি এটা কাম কৰো ।

আৰাৱলী পৰ্বতৰ ওচৰত কৃষ্ণচন্দ্ৰ নামৰ এজন গুৰুৱে গুৰুকুল স্থাপন কৰিছে, সেই কথা আপুনি শুনিছেই কিজানি । তেওঁ ৰাজকুমাৰ সকলক অস্ত্ৰ-শস্ত্ৰ বিদ্যাৰ বিশেষ প্ৰশিক্ষণ দিয়ে । কালিয়ে মই তালৈ গৈ তেওঁৰ শিষ্যা হৈ বিশেষ অস্ত্ৰ বিদ্যা শিকিম । আগলৈ আপুনি যি কয় তাকে কৰিম । ৰজাইও তেওঁৰ কথাত সম্মতি জানিলে ।

কৌমুদীৰ ইচ্ছা জানি লৈছে । তেওঁ সৰুৰে পৰা কৌমুদীক নিজৰ পত্নী হব বুলি ভাবি আহিছে । কৌমুদী আৰু মণিমন্তৰ মাজত হোৱা প্ৰেমে তেওঁক নিৰাশ কৰি দিলে । এয়া যেন তেওঁৰ মনৰ ইচ্ছাৰ ওপৰত এক কুঠাৰঘাত । এই বিষয়ে তেওঁ বহুতো ভাবি চিন্ত ৰজা মৰুতবৰ্মাক সকলো কথা ভাঙিপাতি কলে ।

কিছুদিন ধৰি ৰজা চিন্তাত পৰিল । এদিন ৰজাই শ্ৰীতবৰ্মাক মাতি আনি কলে, “শ্ৰীতবৰ্মা, কৌমুদীৰ বিবাহ সম্পৰ্কে মই বহুতো চিন্তা ভাবনা কৰিলো । এতিয়া মই এটা সিদ্ধান্তলৈ আহিছো । কালিয়েই তুমি মণিমন্তক লগ ধৰি কবা যে তুমি মণিমন্ত আৰু কৌমুদীৰ মনৰ কথা জানিব পাৰিছা ।” তেওঁক আৰু কবা যে “মণিমন্ত, তুমি কৌমুদীক যিমান ভাল পোৱা তাতকৈ মই



পিছদিনা শ্ৰীতবৰ্মা, কৃষ্ণচন্দ্ৰৰ ওচৰলৈ গ'ল আৰু এশ মাহ ধৰি একাগ্ৰচিত্তে তেওঁৰ ওচৰত যুদ্ধ বিদ্যা শিকিলে । প্ৰশিক্ষণ শেষ হোৱাৰ পিচত কৃষ্ণচন্দ্ৰই শ্ৰীতবৰ্মাক সুধিলে, "তুমি কৈছা যে, প্ৰবাল দেশৰ ৰজা মৰুত বৰ্মাক তুমি ভালদৰে জানা । সেই দেশৰ প্ৰধান মন্ত্ৰীৰ পুত্ৰ মণিমন্তৰ সৈতে তোমাৰ পৰিচয় আছেনে?"

গুৰুৰ কথা শুনি শ্ৰীতবৰ্মাই আচৰিত হৈ কলে, "মণিমন্ত ! হয়, মই তেওঁক ভালদৰে জানো । আপুনি এই প্ৰশ্ন কিয় সুধিলে মই জানিব পাৰোনে?"

কৃষ্ণচন্দ্ৰই এটা হাঁহি মাৰি কলে, "মোৰ এটা অভ্যাস আছে । মই ছদ্মবেশ ধাৰণ কৰি দেশত ঘূৰি ফুৰো । কিন্তু কোনেও মোক চিনিব নোৱাৰে মই কোন । তুমি ইয়ালৈ অহাৰ পোন্ধৰ দিনৰ আগতে প্ৰবাল দেশত বসন্ত উৎসৱ পালন কৰা হৈছিল । সেই সময়ত মই তাত উপস্থিত আছিলো । মই তাত মণিমন্তৰ সাহসপূৰ্ণ অপূৰ্ব অস্ত্ৰ কৌশল দেখিলো । মণিমন্তৰ দৰে ধীৰ স্থিৰ আত্মবিশ্বাস থকা যুৱকেহে এনেকুৱা যুদ্ধ কৌশলৰ গৰাকী হব পাৰে । আনৰ দ্বাৰা এইটো সম্ভৱ নহয় । সেইবোৰ মই কেতিয়াও পাহৰিব নোৱাৰো। তুমি মণিমন্তক কবা যে মই তেওঁক ইয়ালৈ আমন্ত্ৰন জনাইছো । তেওঁ যেন মোৰ আশ্ৰমলৈ এবাৰ আহে ।"

গুৰুৰ কথা শুনি শ্ৰীতবৰ্মাই কিছু সময় অবাক হৈ থাকিল । পিচত সুস্থিৰ হৈ তেওঁ গুৰুক কলে, "সেইদিনাৰ যুদ্ধ কৌশল অনুষ্ঠানত ময়ো ভাগ লৈছিলো ।"

শ্ৰীতবৰ্মাৰ কথা শুনি কৃষ্ণচন্দ্ৰই আশ্চাৰ্য্য প্ৰকাশ কৰি কলে, "সঁচা ! তুমিও তাত

আছিলা নে?" পুনৰ তেওঁ হাঁহিলে ।

পিচদিনা শ্ৰীতবৰ্মা প্ৰবাল দেশলৈ উলতি গৈ সেই দেশৰ ৰজাক কলে, "মহাৰাজ, কৃষ্ণচন্দ্ৰৰ শিষ্যত্ব গ্ৰহণ কৰি মোৰ আত্মবিশ্বাস আৰু সামৰ্থৰ প্ৰচুৰ উন্নতি হৈছে । কিন্তু মোৰ বিবেচনা মতে আপুনি মোৰ কথা বাদ দি কৌমুদীৰ ইচ্ছা মতে কাম কৰাটোহে ভাল হব। গতিকে আপুনি মণিমন্তৰ লগত কৌমুদীক বিয়া দিয়াটোহে উচিত হব ।"

বেতালে কাহিনীটো শেষ কৰি ৰজাক কলে, "মহাৰাজ ! মই তোমাক আগতেই কৈছো শ্ৰীতবৰ্মাই এশ মাহ ধৰি প্ৰশিক্ষণ ললে, কঠোৰ পৰিশ্ৰম কৰিলে, কিন্তু শেষত নিজৰ হাতেৰেই সকলো ধ্বংস কৰিলে । তেওঁ নিজৰ লক্ষ্যত উপনিত হব লাগিছিল, কিন্তু চঞ্চল চিত্তৰ বশ হৈ আত্মবিশ্বাসৰ অভাবত তেওঁ নিজৰ ভাগ্যৰ ওপৰত নিজেই আঘাত কৰিলে । এনেকুৱা বিবেকহীনো কৰাবাত আছেনে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰ টুকুৰা-টুকুৰ হৈ যাহ ।"

ৰজা বিক্ৰমে কলে, "শ্ৰীতবৰ্মাই নিজে শিষ্য হৈ কৃষ্ণচন্দ্ৰৰ ওচৰলৈ গৈছিল । কাৰো কথা শুনি তেওঁ এই কাম কৰা নাছিল, কাৰণ গুৰু কৃষ্ণচন্দ্ৰৰ ওচৰত তেওঁৰ গাঢ় বিশ্বাস আছিল । এনে মহান গুৰুৰেও মণিমন্তক তেওঁৰ আশ্ৰমলৈ আহিবলৈ নিমন্ত্ৰন জনালে। এইটোৱে ইয়াকে প্ৰমাণ কৰে যে কৃষ্ণচন্দ্ৰ তেওঁৰ যুদ্ধ কৌশলত কিমান প্ৰভাবিত হৈছিল। শ্ৰীতবৰ্মাই যদিও নিজে কৈছিল যে, তেওঁও সেই যুদ্ধ কৌশলত ভাগ লৈছিল, তথাপি কৃষ্ণচন্দ্ৰই তেওঁক প্ৰশংসা নকৰিলে, বৰং হাঁহি এটা মাৰি মনে মনে থাকিল । কৃষ্ণচন্দ্ৰৰ এই ব্যৱহাৰৰ পৰা শ্ৰীতবৰ্মাই বুজিব পাৰিছিল মণিমন্ত্ৰ আৰু তেওঁৰ মাজত কিমান প্ৰভেদ । যদি দুয়োজনৰ মাজত যুদ্ধ লাগে তেতিয়াহলে মণিমন্তৰ আগত তেওঁ জয়লাভ কৰাৰ প্ৰশ্নই নুঠে । সেয়েহে শ্ৰীতবৰ্মাই সিদ্ধান্ত ললে তেওঁ কৌমুদীৰ যোগ্য দৰা নহয় । এইটো কোনো চিত্ত চঞ্চলতাৰ কথা নহয় । তেওঁ ৰাজনীতি আৰু মানৱ ধৰ্মৰ সচাঁ কথাকে পালন কৰিছে ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে মৰাশটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত ওলামি থাকিল ।

লক্ষ্মী গায়ত্ৰীৰ ৰাচনাৰ আধাৰত



যক্ষ পৰ্বত

4

(খৰ্গ আৰু জীৱদন্তই তান্ত্ৰিক আৰু জঁটাথকা ভূতুনীৰ পিচ ললে, কিন্তু গুহাৰ ভিতৰত তেওঁলোকক কতো দেখা নগল। তেতিয়া তেওঁলোক দুয়ো এটা সুৰঙ্গৰে গৈ এনেকুৱা এখন ঠাইত ওলাল য'ত বহুতো পুৰণি ভৱন আছে। সেই ভৱনত বাস কৰা পূজাৰিণীয়ে খৰ্গ আৰু জীৱদন্তক অতি সোনকালে ধৰি আনিবলৈ আদেশ দিলে। তান্ত্ৰিকে লগত তৰোৱাল লৈ জঁটা থকা ভূতুনীৰ সৈতে ওলাই গ'ল। ইয়াৰ পিছত -)

জীৱদন্তই সন্মুখত থকা শিথিল ভৱনবোৰ চকুৰ পলক নমৰাকৈয়ে চাই আছিল। তেওঁ নিজে নিজে ভাবিবলৈ ধৰিলে, এই ভৱনবোৰ কিমান পুৰণি হব, কি কাৰণে বা এইবোৰ জনশূন্য হৈ গৈছে আৰু কিহৰ বাবেনো এইবোৰৰ এনে অৱস্থা হৈছে। কিন্তু খৰ্গবৰ্মাৰ চিন্তা আছিল তান্ত্ৰিক আৰু জঁটাথকা ভূতুনিকলৈহে। যিমান সোনকালে সম্ভৱ হয় সিহঁতদুজনক মাৰি তাৰ পৰা ওলাই যাব বিচাৰিছিল।

এনেতে তেওঁলোকে শুনিবলৈ পালে তেওঁলোকৰ ওচৰৰে ইটাৰ দেৱালত কিবা শক্তিশালী বস্তু খুন্দা খাইছে। সেই শব্দ শুনিয়েই খৰ্গবৰ্মাই তৎক্ষণাত থিয় হৈ কলে, "জীৱ, এইটো কিহৰ শব্দ? কোনোবাই আমাৰ ওপৰত আক্ৰমণ কৰিবলৈ অহা নাইতো? আমি খুব সজাগ হৈ থাকিব লাগিব।"

দুয়ো আনখন দেৱালৰ ওচৰলৈ গৈ দেৱালৰ পিচফালটো চাব খুজিছিল, কিন্তু এনে সময়তে তান্ত্ৰিকে দেৱালৰ ওপৰত থিয় হৈ ডাঙৰ ডাঙৰ মাতেৰে কবলৈ ধৰিলে, "নৰাধম, এতিয়াই তহঁতক মহাভূতৰ চৰণত গৈ বলি দিম।" ইয়াকে কৈ তান্ত্ৰিকে জীৱদন্তৰ ডিঙিলৈ লক্ষ্য কৰি তৰোৱালখন মাৰি পঠালে।

খৰ্গবৰ্মাই তান্ত্ৰিকৰ তৰোৱালৰ আঘাতৰ পৰা ৰক্ষা কৰি কলে, "হে মুৰ্খ তান্ত্ৰিক !



আমাক সতৰ্ক কৰি দি তই নিজৰ জীৱনটো বিপদৰ ফালে আগুৱাই দিছ ।" এইবুলি কৈয়েই তেওঁ তান্ত্ৰিকৰ হাতত ধৰি জোৰে টান মাৰি দিলে । তান্ত্ৰিকে দেৱালৰ ওপৰৰ পৰা তলত পৰি গ'ল ।

এনেতে "বলি, বলি, বলি," বুলি চিঞৰি জঁটাথকা ভূতুনী দেৱালৰ ওপৰত থিয় হ'ল । তাইৰ গুৰুৰ কি অৱস্থা হৈছিল তাই জানিব পৰা নাছিল । তাই মনৰ উৎসাহতে জাপ মাৰি দেৱালৰ ওপৰত গৈ থিয় হৈছিল ।

দেৱালত উঠি জঁটাথকা ভূতুনীয়ে তাইৰ গুৰু, তান্ত্ৰিক মাটিত বাগৰি থকা দেখিবলৈ পাই তাই চিঞৰি উঠিল । এনেতে জীৱদন্ত্ৰই তাইৰ ভৰিখনত ধৰি টান মাৰি দিয়াত তাই বাগৰি পাৰিল, তেতিয়াই তেওঁ তাইৰ কঁকালত এটা গোৰ সোধালে । তাৰ পিছত জীৱদন্ত্ৰই কলে, "খৰ্গ, এতিয়া আৰু আমাৰ ইয়াত থকা উচিত নহব । অনুমান হয় এই গোটেই ঠাইখনে তান্ত্ৰিকেৰে ভৰি আছে । আমাৰ সন্মুখত থকা কোনো এটা ভৱনলৈ গৈ ইহঁতৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰাহে উচিত হব ।"

ইয়াৰ পিছত দুয়ো তৎক্ষণাত সেই ভৱনবোৰৰ ফালে দৌৰি গ'ল । তেওঁলোকে এটা ঘৰৰ দুৱাৰমুখত গৈ থিয় হৈ ইফালে সিফালে চাবলৈ ধৰিলে । শত্ৰুসকল কোনফালৰ পৰা অহাৰ সম্ভাবনা আছে তেওঁলোকে তাকে চাইছিল । কিন্তু একো দেখা নাপালে । মাথোঁ তান্ত্ৰিক আৰু ভূতুনীৰহে কেঁকনি গেঁঠনি শুনিবলৈ পাইছিল।

দুয়ো গৈ এটা কোঠালি পালে । তাত তেওঁলোকে চাৰি পাঁচটা নিগনি ইফালে সিফালে দৌৰি থকা দেখা পালে । এনেতে এটা শগুণৰ সমান ডাঙৰ বাদুলি তীৰ বেগে কোঠালিটোলৈ সোমাই আহি তাৰে এটা ধৰি

লৈ খিৰিকিৰে ওলাই গ'ল । তেওঁলোক দুয়ো কাঠালিটোৰ দুৱাৰৰ ফালে গ'ল । সেই সময়তে তেওঁলোকৰ ওপৰত আক্ৰমণ হ'ল। পিছফালৰ পৰা কোনোবাই তেওঁলোকৰ মূৰত লাঠিৰে আঘাত কৰিলে । তেওঁলোক দুয়ো অচেতন হৈ মাটিত বাগৰি পৰি গ'ল । তাৰ পাছত পূজাৰিণীৰ সেৱক আহি তেওঁলোকক পৰীক্ষা কৰিবলৈ ধৰিলে । পৰীক্ষা কৰি সেৱসকলে জানিব পাৰিলে তেওঁলোক মৰা নাই জীৱিত আছে ।

"মৰা নাই, ভালেই হৈছে। যদি এওঁলোক মৰিল হয় আমি মহাশক্তি পূজাৰিণীৰ ক্ৰোধৰ বলি হলোহেতেন । আমাক তেওঁ মাৰি পেলালেহেতেন ।" এজন সেৱকে দীঘলকৈ নিশ্বাস লৈ কলে ।

"এওঁলোক যাতে নমৰে তাৰ বাবেতো আমি লাঠিৰ ওপৰত নৰম কাপোৰ বান্ধি লৈছো । এতিয়া এওঁলোকৰ হাতে ভৰি বান্ধি কান্ধত তুলি লোৱা । বলা, পূজাৰিণীৰ ওচৰলৈ লৈবলা ।" আন এজন সেৱকে কলে ।

সেৱকসকলে খৰ্গ আৰু জীৱদন্ত্ৰক বান্ধিলৈ কান্ধত তুলি পূজাৰিণীৰ ওচৰলৈ লৈ গ'ল ।

সেই সময়ত পূজাৰিণীয়ে মন্ডপৰ মাজত সুসজ্জিত এখন ওখ আসনৰ ওপৰত বহি আছিল । তেওঁ খৰ্গ আৰু জীৱদন্ত্ৰৰ ফালে তীক্ষ্ণ দৃষ্টিৰে এবাৰ চাই চকু ৰঙা কৰি কলে, "অ', ইহঁতৰ এজনকতো তান্ত্ৰিক যেন অনুমান হৈছে ।"

"হব পাৰে মহাশক্তি পূজাৰিণী । তেওঁৰ হাতত এডাল মন্ত্ৰ দন্ডও আছিল, আনজনৰ হাতত এখন চোকা তৰোৱাল আছিল ।" এজন সেৱকে কলে ।



"সেইবোৰ এতিয়া ক'ত আছে? ক'ত পেলাই থৈ আহিছে?" পূজাৰিণীয়ে সুধিলে। "য'ত এওঁলোক অচেতন হৈ পৰি আছিল তাতে সেইবোৰ পেলাই থৈ আহিছে ।" এজন সেৱকে ক'লে ।

"মুৰ্খ কৰবাৰ, তৎক্ষণাত তালৈ গৈ সেইবোৰ লৈ আহা !" পূজাৰিণীয়ে আদেশ দিলে । দুজন সেৱক দৌৰি গৈ তাৰ পৰা তৰোৱাল আৰু মন্ত্ৰদন্ড লৈ আহিল । পূজাৰিণীয়ে বস্তু কেইপদ ভালদৰে পৰীক্ষা কৰি উঠি কলে, "অনুমান হয় বস্তুদুটাৰ কোনো বিশেষ শক্তি নাই । তেনেই সাধাৰণ বস্তু যেন লাগে । ইহঁত দুজনক এটা কোঠাত বন্ধ কৰি থোৱা আৰু এই বস্তু দুটাও তাৰে ওচৰতে থৈ দিবা । ইয়াৰ পিছতনো কি হয় দেখা যাওক ।"

সেৱকসকলে পূজাৰিণীৰ আদেশ পালন

কৰিলে । পোন্ধৰ মিনিট পিছত খৰ্গ আৰু জীৱদন্ত্ৰৰ চেতনা ঘূৰি আহিল । তেতিয়া জীৱদন্ত্ৰই খৰ্গক কলে, “খৰ্গ, পূজাৰিণীয়ে আমাক জীয়াই ৰাখিলে । ইয়াৰ আঁৰত নিশ্চয় কিবা বেয়া মতলব আছে ।” এনে সময়তে তেওঁলোকে কোঠালিৰ বাহিৰত সিংহৰ গৰ্জণ শুনিবলৈ পালে । খৰ্গবৰ্মাই তৎক্ষণাত থিয় হৈ কলে, “ইহঁতে আমাৰ ওপৰত সিংহ এৰি দিব খুজিছে । আমাক সিংহক খুৱাই মাৰিব বিচাৰিছে ।” ইয়াকে কৈ তেওঁ হাঁহিবলৈ ধৰিলে ।

“একপ্ৰকাৰ এইটো ভালেই হৈছে । আমি এই সিংহক ওলোটাই সিহঁতৰ ওপৰত হে মেলি দিম আৰু এই শীৰ্ণ ঘৰবোৰৰ পৰিবেশ ভয়ানক হৈ উঠিব ।” এইবুলি কৈ জীৱদন্ত্ৰই মন্ত্ৰদন্ডডাল দেৱালৰ ওপৰত জোৰে মাৰি দিলে । দেৱালৰ এটা অংশ ভাঙি পৰি গ'ল । ওচৰৰ কোঠাটোত থকা সিংহটো ভয় খাই থিয় হ'ল ।

“পশুৰাজ, তুমি মুক্তিও পাবা আৰু লগতে প্ৰচুৰ আহাৰো মিলিব ।” ইয়াকে কৈ জীৱদন্ত্ৰই খৰ্গবৰ্মাৰ সৈতে বাহিৰলৈ ওলাই আহিল ।

তাৰ পিছতে পূজাৰিণীৰ দহ পোন্ধৰতা সেৱকে জোৰে জোৰে চিঞাৰি কবলৈ ধৰিলে, “বন্দীসকল পলাব বিচাৰিছে । তেওঁলোকক ধৰা, ধৰা ।” চিঞৰি চিঞৰি সেৱকসকল তেওঁলোক দুয়োৰে সন্মুখলৈ আহিল । জীৱদন্ত্ৰই অতি আনন্দিত হৈ সিংহটোৰ ওচৰলৈ আহি মন্ত্ৰদন্ডডাল দেখুৱাই সেৱসকলক আক্ৰমণ কৰিবলৈ সিংহটোক উচটাই দিলে । তেতিয়া সিংহটোৱে গৰ্জন কৰি সেৱক সকলৰ ওপৰত জাপিয়াই পৰিল । অলপ সময়ৰ ভিতৰতে চাৰি পাঁচজন সেৱক বেয়া ভাবে আহত হৈ মাটিত বাগৰি পৰিল । এজন সেৱকক সিংহটোৱে মুখেৰে কামুৰি তুলি ললে । সি চটফটাবলৈ ধৰিলে । বাকী ছয় সাত জন সেৱকে দেৱালখন জপিয়াই পাৰহৈ কোনোমতে নিজৰ প্ৰাণবোৰ ৰক্ষা কৰিলে । সিহঁতে ভয়তে কঁপি আছিল ।

জীৱদন্ত্ৰই নিজৰ মন্ত্ৰদন্ডডাল সিংহৰ ফালে ধৰি কলে, “পশুৰাজ, ওচৰৰ ভৱনটোত তললৈ যাবলৈ খট্‌খটি আছে, সেই খট্‌খটিৰে বাহিৰলৈ যোৱা আৰু সেই ভৱনবোৰৰ পিছত থকা অৰণ্যলৈ গুচি যোৱা ।” এইবুলি কৈ তেওঁ সিংহটোক সেই পথটোৰ ফালে লৈ যাবলৈ আগবাঢ়ি আহিল । পুনৰ তাক মন্ত্ৰদন্ড ডালেৰে মাৰিলে ।

সিংহটোৱে গৰ্জন কৰি জীৱদন্ত্ৰৰ ফালে খেদি আহিল । সি আগ ঠেং দুখন দাঙি পিছঠেঙৰ ওপৰত ভৰ দি থিয় হৈ জীৱদন্ত্ৰৰ ওপৰত জপিয়াই পৰিব খুজিছিল, এনে

সময়তে জীৱদন্ত্ৰই তাৰ পেটৰ তলত মন্ত্ৰদণ্ডডাল ৰাখি তাক দূৰলৈ দলিয়াই দিলে। সিংটোৰে মাটিত লুটিবাগৰ খাই খটখটিৰে বাহিৰলৈ আহি থিয় হৈ থাকিল ।

পূজাৰিণীৰ সেৱকসকলে ভঙা দেৱালৰ মাজেৰে সেই দৃশ্য চাই আছিল । সিংহৰ লগত যুঁজ কৰা জীৱদন্ত্ৰৰ সাহস আৰু শক্তি দেখি তেওঁলোক স্তম্ভিত হৈ গ'ল । তেওঁলোকে চকুৰ পলক নেপেলোৱাকৈ মাথোঁ চাই থাকিল । তেওঁলোকৰ এজনে হাতযোৰ কৰি নমস্কাৰ কৰি জীৱদন্ত্ৰক কলে, "হে মহাতান্ত্ৰিক শিৰোমণি, নমস্কাৰ লব, আপোনাৰ মন্ত্ৰ শক্তি অতি অদ্ভুত । এইটো সাধাৰণ মানুহক বশ কৰা কথা নহয় । আপুনি মন্ত্ৰদণ্ডৰ এই অদ্ভুত শক্তিৰে পূজাৰিণীক বধ কৰি এই নগৰীৰ সম্ৰাট নহয় কিয়? তেতিয়া আমি সকলোৱে আপোনাৰ শিষ্য হম আৰু আমাৰ নিজৰ জীৱন সাৰ্থক কৰিম ।"

ওচৰতে থিয় হৈ থকা অন্য এজন সেৱকে "এইটো গুৰুদ্ৰোহ" বুলি কৈ সেই সেৱকজনৰ ওপৰত জাঁপিয়াই পৰিল । দুয়োজনৰ মাজত হতাহতি লাগিল । এইদৰে দুয়ো যুজকৰি থাকোতে দেৱালৰ ওপৰৰ পৰা পিচলি গৈ তলত পৰিল । বাহিৰতে থিয় হৈ থকা সিংহটোৰে গৰ্জন কৰি কৰি সিহঁতৰ ফালে আগবাঢ়ি আহিল ।

জীৱদন্ত্ৰই মন্ত্ৰদণ্ডডাল দাঙি লৈ সিংহটোক ধমক দি কলে, "এতিয়া তই ইয়াৰ পৰা চুপচাপ গুচি যা । এই খট্‌খটিৰ লগতে থকা ৰাস্তাৰে তই নিজৰ পথ ধৰ । পূজাৰিণীৰ শিষ্যসকলৰ মাজত লগা এই যুঁজত সোমাই তই নিজৰ বিপদ মাতি নানিবি । যা, গুচি যা ইয়াৰ পৰা ।"

জীৱদন্ত্ৰই কোৱাৰ লগে লগে সিংহটোৱে সেই ঠাইৰ পৰা গুচি গ'ল । খৰ্গ বৰ্মাই মৌন হৈ এই সকলো কাৰ্য্য চাই আছিল । এতিয়া তেওঁ কলে, "জীৱ, এতিয়া আমি ইয়াত নথকাই ভাল হব । পূজাৰিণীৰ শিষ্যসকলৰ মাজতে এতিয়া যুঁজ চলি আছে । ইজনে সিজনক মাৰি পেলাবলৈও কুণ্ঠিত নহয় । এতিয়া আমাক বাধা দিবলৈ ইয়াত কোনো নাই । এই শীৰ্ণ ভৱনবোৰ এৰি আমি হাবিৰ মাজলৈ গুচি যাওঁ আহা ।"

"হাঁ, হাঁ, তাকেইটো কৰিম । যি ৰাস্তাৰে সিংহটো হাবিলৈ গৈছে সেই ৰাস্তাৰে আমিও হাবিলৈ যাম । কিন্তু আমি এতিয়া চাব লাগিব যি পথেৰে আমি ইয়ালৈ আহিছো আমি সেই পথটো গৈ পাম নে নেপাম ।" ইয়াকে কৈ জীৱদন্ত্ৰ ওলাই আহিল । পূজাৰিণীৰ এজন শিষ্যই বুজিব পাৰিলে জীৱদন্ত্ৰ আৰু খৰ্গবৰ্মা



এতিয়া মুক্ত হৈ গ'ল, সিংহটোৱে কিছুমান শিষ্যক আহত কৰিলে আৰু কিছুমান শিষ্যই নিজৰ ভিতৰতে যুঁজ কৰি আছে।

এই খবৰ শুনি পূজাৰিণীয়ে নিজৰ হাতৰ শূলপাত ওপৰলৈ তুলি ধৰি ক্ৰোধিত হৈ কলে, "মহাভূত, এইবোৰ কি হব ধৰিছে? নিজৰ মন্ত্ৰশক্তিৰে পৰাজিত কৰি সিহঁত দুজনক কোঠাত বন্দি কৰি ৰাখিলো। সেই দুই অধম মানৱে মোৰ ওপৰতে আক্ৰমণ চলাইছে। মোৰ শিষ্য সকলক আহত কৰি মোৰ দৰে শক্তিশালী পূজাৰিণীকো প্ৰত্যাহবান জনাইছে। মোক অপমান কৰিবলৈ সাহস কৰিছে। সিহঁতৰ ইমান সাহস। এতিয়া মই এইবোৰ সহ্য নকৰো। সিহঁতক অন্ত কৰাই এতিয়া মোৰ লক্ষ্য। হে অধম, ভয়াতুৰ শিষ্যসকল, তোমালোকে গৈ সেই দুষ্ট মানৱ দুজনক ধৰি লৈ আহা।"

খৰ্গ আৰু জীৱদন্তই, সিংহটোক, তান্ত্ৰিকক আৰু জটাথকা ভূতুনীটোক উচিত শিক্ষা দিলে। সিহঁতক বহুতো লটিঘটি কৰিলে। এইবোৰ কাৰ্য্য এজন শিষ্যই চাই আছিল। সেয়েহে তেওঁ ভয়তে কঁপি কঁপি কলে, "মহাশক্তি পূজাৰিণী, সেই দুজন মানৱ মহা শক্তিশালী, সাহসী আৰু খুব ভাল তান্ত্ৰিক যেন অনুমান হয়। তেওঁলোকে আমাৰ তান্ত্ৰিক আৰু জঁটাথকা ভূতুনীক.....।"

শিষ্যজনে গোটেই কথা কব নাপালেই পূজাৰিনীয়ে খঙতে শিষ্যজনৰ পিঠিত শেলপাত সোমাই দি কলে, "ভীৰু কৰবাৰ, চুপ থাক!"

"এতিয়া মুখেৰে এটাও কথা নকবি। মই এতিয়াই সিহঁতক ধৰি আনি মহাভূতৰ সম্মুখত বলি দিম।" দাঁত কৰচি পূজাৰিণীয়ে কলে। এতিয়া শিষ্যসকলৰ আৰু কোনো উপায় নাথাকিল। তেওঁলোকে তান্ত্ৰিক আৰু জঁটাথকা ভূতুনীৰ পিছে পিছে ভয়ে ভয়ে আগবাঢ়ি গ'ল।

ইয়াৰ ভিতৰতে খৰ্গ আৰু জীৱদন্তই শীৰ্ণ ভৱনবোৰৰ অন্য প্ৰান্তলৈ আহি অৰণ্যলৈ যোৱা বাট বিচাৰিবলৈ ধৰিলে। যি সুৰঙ্গ পথেৰে তেওঁলোক আহিছিল সেইটো তেওঁলোকে বিচাৰি পোৱা নাই।

"জীৱ, পূজাৰিণীৰ শিষ্যসকলৰ পৰা আমি বহুত দূৰ আহিলো যেন অনুমান হয়। সিংহটোৰ বা কি হ'ল? সি অৰণ্য গৈ পাইছেতো?" খৰ্গবৰ্মাই জীৱদন্তক সুধিলে।

"আমাৰ দৰে সিওঁ কৰবাত ফান্দত পৰিল কিজানি। মাজে মাজে তুমি তাৰ গৰ্জন শুনা নাইনে?" ইয়াকে কৈ জীৱদন্তই ভৱনবোৰৰ এটা কোঠাত খোজ দি কলে, "চোৱা, এই দুষ্টহঁতে কিমান পথিকৰ মাল বস্তু লুটি আনি

ইয়াত লুকাই ৰাখিছে । চোৰাচোন, কিমান খাদ্য বস্তুৰ বস্তা ইয়াত পৰি আছে ।”

তাত বহুতো খদ্যবস্তুৰ বস্তা পৰি আছিল। কিছুমান বস্তাৰ চিলাই খুলি গৈ তাৰ পৰা ধান, ঘেহু, জোঁৱাৰ আদি মাটিত পৰি আছিল।

খৰ্গবৰ্মাই আচৰিত হৈ কলে, “জঁটাথকা ভূতুনীৰ দ্বাৰা ভয় দেখুৱাই ইহঁতে বস্তুবোৰ আনি ইয়াত গোটাই থৈছে ।”

এই ধানবোৰ এটাও যাতে পূজাৰিণী আৰু তেওঁৰ শিষ্যসকলে নাপায় তাৰে উপায় বিচাৰিব লাগিব । খাবলৈ নাপালে পেটৰ ভোকত ইহঁতে এই ভৱনবোৰৰ পৰা বাহিৰ ওলাই যাব লাগিব । তেতিয়া ইহঁতৰ অৱস্থা চাব লগা হব ।” জীৱদন্তই মনতে চিন্তা কৰি কলে ।

“এইটোৱে আচৰিত হব লগা কথা আমাৰ দুয়োৰে মনত একেটা বুদ্ধিয়েই খেলাইছে, “ইয়াকে কৈ খৰ্গবৰ্মাই পকেটৰ পৰা এটা চকচকীয়া পাথৰ উলিয়াই তাৰে জুই তুলি জোঁৰ জ্বলালে । তাৰ পিছত সেই জ্বলি থকা জোঁৰটো খাদ্যবস্তুবোৰৰ বস্তাবোৰৰ মাজলৈ দলিয়াই দিলে ।

বস্তাবোৰত জুই লাগি ধীৰে ধীৰে জুইশিখা বাঢ়ি যাবলৈ ধৰিলে । চাৰিওফালে জুই লগাত তেওঁলোকে ওচৰৰ কোঠা এটাৰ পৰা কাৰোবাৰ মাত শুনিবলৈ পালে ।

“খৰ্গ, এই কোঠাটোৰ দুৱাৰ বন্ধ আছে। ভিতৰত কোনোবাই চিঞৰিব ধৰিছে ।” এই বুলি কৈ জীৱদন্তই কোঠাটোৰ ওচৰলৈ গৈ দুৱাৰখন খুলিবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

খৰ্গবৰ্মাইও তেওঁৰ ওচৰলৈ আহি হাঁহি হাঁহি কবলৈ ধৰিলে, “প্ৰাণ ৰক্ষা কৰাৰ তাৰনাত তুমি এইটোও দেখা পোৱা নাইনে দুৱাৰখনত যে ইমান ডাঙৰ তলা এটা লগোৱা আছে । নিজৰ মন্ত্ৰদণ্ডডালেৰে প্ৰথমতে তলাটো খোলা ।”

জীৱদন্তই মন্ত্ৰদণ্ডৰে তৎক্ষনাত তলাটো খুলিলে । খৰ্গবৰ্মাই দুৱাৰখন ধকা মাৰি দিলে।

কোঠাটো সিমান অন্ধকাৰ নাছিল । ওপৰত থকা খিৰিকিৰে অলপ অলপ পোহৰ পৰিছিল । সেই পোহৰতে তেওঁলোকে দেখিবলৈ পালে এটা বুঢ়া মানুহক শিকলিৰে বান্ধি থোৱা আছে । তেওঁ আজানুলম্বিত, কিন্তু তেওঁক খুব দুৰ্বল যেন দেখা গৈছে । তেওঁৰ পকা দীঘল দাড়িবোৰ বতাহত উৰি আছে ।

(ক্ৰমশঃ)



এক মহান সভ্যতাত এভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১৫. সত্য ৰক্ষা

ককাই যি কাহিনী কৈছিল তাৰ ভিতৰত বহুতো কাহিনী সন্দীপ আৰু চামেলীৰ বন্ধু-বান্ধৱী সকলে শুনিবলৈ পোৱা নাছিল । যেতিয়া অন্য শিশুবোৰে অধ্যাপক দেৱনাথক কাহিনী কোৱাৰ কথা কলে তেতিয়া দেৱনাথে নাতি নাতিনীয়েকক আগতে কোৱা কাহিনীবোৰ তেওঁলোকক কবলৈ কলে । ইয়াৰ লগতে ককা দেৱনাথে ইয়াকো কলে যে, যদি তেওঁলোকে নিজৰ কৰ্ত্তব্য ঠিক মতে কৰে তেতিয়াহলে তেওঁলোকক আৰু কাহিনী কব ।

দুয়ো পৰীক্ষাৰ্থীয়ে সফলভাবে পৰীক্ষা সম্পূৰ্ণ কৰিলে । সন্দীপ আৰু চামেলীয়ে যিবোৰ কাহিনী শিকিছিল সেইবোৰ ঠিকমতে প্ৰস্তুত কৰিলে । "ইয়ো এক পৰীক্ষাই । আজি মই তোমালোকৰ আগত কম, এজন মহান ৰজাই কিদৰে পৰীক্ষাৰ সন্মুখীন হব লগা হৈছিল ।" অধ্যাপক দেৱনাথে আনন্দিত হৈ কলে । সেই দিনা ৰবিবাৰ আছিল । ককাই শ্ৰোতামন্ডলীক লৈ বাগিচাৰ ফালে আগবাঢ়িল । তেওঁলোকে এক বিশাল আহত গছৰ তলত পৰিস্কাৰ ঠাই বিচাৰি বহিল গৈ ।

পুৰাণ লিখকসকলৰো এনেকুৱা ঠাইয়ে আছিল । অধ্যাপক দেৱনাথে কলে । আজি আমি ভূত আৰু ভৱিষ্যত সময়ৰ মাজত এক সম্বন্ধৰ কথা কম । আজি আমি এনে মহান চৰিত্ৰৰ কথা কম যাৰ সত্যতা অতীতত যিমান মহত্বপূৰ্ণ আছিল আজিও সিমানেই মহত্বপূৰ্ণ । আগতে যেনেদৰে ত্ৰিশঙ্কু মহাৰাজৰ কথা কৈছিলো আজি মই তোমালোকক তেওঁৰ পুত্ৰ হৰিশ্চন্দ্ৰৰ কথা কম। কিন্তু দুয়োজন ৰজাৰ কাহিনীত বিশ্বামিত্ৰই আছে। ইয়াৰ মাজত পাৰ্থক্য ইমানেই যি বিশ্বামিত্ৰই ত্ৰিশঙ্কুৰ ক্ষেত্ৰেত ইমান দয়ালু হৈছিল, তেওঁৱেই হৰিশ্চন্দ্ৰৰ ক্ষেত্ৰত অতি ক্ৰুৰ হৈছিল ।

এইদৰে দেৱনাথে কাহিনী আৰম্ভ কৰিলে। বিশ্বামিত্ৰই বশিষ্ঠৰ বিষয়ে জনাৰো আগৰ কথা। বিশ্বামিত্ৰই নিজৰ যত্নত প্ৰাপ্ত হোৱা বিজয়ৰ পাছতো নিজৰ এক দুৰ্বলতা জয় কৰিব পৰা নাছিল, যাৰ বাবে মুনি বশিষ্ঠৰ প্ৰতি শত্ৰুতা হৈছিল । ইয়ে গৈ পিছত ৰজা হৰিশ্চন্দ্ৰৰ দুখৰ কাৰণ হ'ল গৈ ।

কথা

এবাৰ দেৱতাৰ দৰবাৰত বশিষ্ঠ মুনিয়ে বিশ্বামিত্ৰতকৈ অধিক সন্মান পালে। ইয়াৰ পিছত বিশ্বামিত্ৰই জানিব পাৰিলে যে অযোধ্যাৰ ৰজা হৰিশ্চন্দ্ৰই কুল গুৰু বশিষ্ঠৰ দ্বাৰা এটা ডাঙৰ যজ্ঞ কৰালে, যাক ৰাজসুয় যজ্ঞ নামে জনা যায়। এই যজ্ঞ সেইজন ৰজাইহে কৰিব পাৰে, যিয়ে সত্যৰ প্ৰতি অটল থাকে আৰু নিজে কোৱা কথা নাপাহৰে ।

"ৰজা হৰিশ্চন্দ্ৰ ইমানেই মহান আৰু সত্যবাদী নে" বিশ্বামিত্ৰই আচৰিত হৈ ভাবিলে, আৰু তেওঁৰ ওপৰত কঠিন পৰীক্ষা লবলৈ সিদ্ধান্ত কৰিলে।

কিন্তু ৰজাক কেনেকৈ পৰীক্ষা লোৱা যায় তেওঁ নিজেই নাজানিছিল । ৰজাই যদি এটা পৰীক্ষাত উত্তীৰ্ণ হয়, বিশ্বামিত্ৰই তেওঁৰ সন্মুখত অন্য এটা সমস্যা দাঙি ধৰে ।

ঘটনা এনেদৰে আৰম্ভ হ'ল। ঋষিয়ে নিজৰ তপৰ বলত এবাৰ এটা ৰাক্ষসক গাহৰি কৰি দি ৰাজ্যত থকা সুন্দৰ বাগিচাবোৰ নষ্ট কৰিবলৈ আদেশ দিলে। গাহৰিটোৱেও তাকেই কৰিলে। সেইটো ইমানেই শক্তিশালী আছিল ৰজাৰ সৈনিকসকলেও ধৰিব পৰা নাছিল। ৰজাই এই সংবাদটো পালে। তেওঁ এটা ঘোঁৰাত উঠি সেই গাহৰিটোক অনুসৰণ কৰিলে। গাহৰিটো কিছুদূৰ দৌৰি গৈ আচম্বিতে ৰজাৰ ওপৰত জপিয়াই পৰিছিল। ইয়াৰ পিছত সি কেতিয়াবা নোহোৱা হৈ গৈছিল, কেতিয়াবা ৰজাৰ পিছফালে দেখা দিছিল।

ৰজাই তাৰ কান্ড দেখি আচৰিত হ'ল যদিও তাৰ পিছ নেৰিলে। গাহৰিটোৰ পিছে পিছে গৈ গৈ ৰজাই এখন ডাঙৰ হাবি পালে আৰু তাতে গাহৰিটো নোহোৱা হ'ল।



ৰজাৰ বৰ ভাগৰ লগত তেওঁ নদীৰ পানী খালে আৰু তাতে এটা ডাঙৰ শিলৰ ওপৰত শুই বিশ্ৰাম ললে। এনে সময়তে তালৈ এজন বুঢ়া ব্ৰাহ্মণ আহি ৰজাৰ লগত অতি মৰমেৰে কথা কবলৈ ধৰিলে। হাবিৰ মাজত সজ্জন ব্যক্তি এজনক লগ পাই ৰজাৰ মনত ভাল লাগিল। ৰজাই ব্ৰাহ্মণক নিজৰ পৰিচয় দিলে আৰু তেওঁক কি লাগে সুধিলে। ব্ৰাহ্মণে ৰজাক কলে যে তেওঁৰ পুত্ৰ বিবাহ যোগ্য হৈছে আৰু তেওঁৰ জীৱনটো সুখেৰে কটাবলৈ ধনৰ আৱশ্যক।

ৰজাই ব্ৰাহ্মণৰ আৱশ্যকতা পূৰণ কৰিবলৈ পিছদিনা তেওঁক ৰাজপ্ৰাসাদলৈ মাতিলে। ৰজাই কথা দিলে যে তেওঁ যি খোজে তাকে দিব।

সেই ব্ৰাহ্মণজন বিশ্বামিত্ৰৰ বাহিৰে আন কোনো নাছিল। তেওঁৱেই ভেশচন কৰি আহিছিল। পিছদিনা তেওঁ ৰজাৰ ওচৰলৈ গৈ গোটেই ৰাজ্য আৰু ৰাজপ্ৰাসাদটো ৰজাক খুজিলে। তেওঁ এইটো ভাবিছিল যে ৰজাই



তেওঁৰ কথা শুনি খুব ভয় পাব আৰু নিজৰ কথা ৰক্ষা কৰিবলৈ অস্বীকাৰ কৰিব । কিন্তু ৰজাৰ মুখমন্ডলত কোনো ভয়ৰ ভাব ফুটি নুঠিল । তেওঁ থিয় হৈ ব্ৰাহ্মণক কলে যে তেওঁ যি বিচাৰিছে তাক পূৰণ কৰা হব ।

বিশ্বামিত্ৰই ৰজাক নানা ধৰণৰ পৰীক্ষা কৰিও পৰীক্ষাত অসফল কৰিব পৰা নাছিল, কিন্তু শেষত কৰিব পাৰিলে ।

"হে মোৰ প্ৰিয় ৰাজন, আপুনি নিজৰ কথা ৰখা বাবে ভাল লাগিল । কিন্তু এটা কথা, সকলো পুণ্য কাম কৰাৰ পিছতে দক্ষিণা দিব লাগে । ব্ৰাহ্মণৰ মতে দক্ষিণা অতিৰিক্ত ৰূপে দিব লাগে। যিহেতু ৰজাই ব্ৰাহ্মণক আগতে আতাইবোৰ সম্পত্তি দান দিছিল সেয়েহে দক্ষিণা দিবলৈ তেওঁৰ হাতত একো নাছিল । শেষত তেওঁ ব্ৰাহ্মণক কলে যে যিমান সোনকালে পাৰে এই কামটো সম্পূৰ্ণ কৰিব । এইবুলি কৈ তেওঁ ব্ৰাহ্মণৰ পৰা বিদায় ললে । ইয়াৰ পিছত ৰজাই পত্নী পুত্ৰক লৈ বাৰাণসীলৈ ৰাওনা হ'ল ।

বাৰাণসীত হৰিশ্চন্দ্ৰই এটা জুপুৰী সাজি বাস কৰিছিল । কিন্তু তালৈও এদিন ব্ৰাহ্মণে আহি কলে যে যদি তেওঁৰ দক্ষিণা অতি সোনকালে নিদিয়ে তেতিয়া তেওঁক শাপ দিব । তেতিয়া ৰাণী সব্যাই হৰিশ্চন্দ্ৰক কলে যে, তেওঁক কৰবাত দাসী হিচাবে বিক্ৰী কৰি দিয়ক আৰু তাৰে যি পইচা পাব সেইখিনিকে দক্ষিণা হিচাবে ব্ৰাহ্মণক দিয়ক। ৰজাই শেষত তাকে কৰিলে । কিন্তু যিজন ব্যক্তিয়ে সব্যাক দাসী হিচাবে ৰাখিছিল সেইজন বিশ্বামিত্ৰৰে অন্য ৰূপ আছিল । তেওঁ ৰাজকুমাৰ ৰোহিতকো কিনি ললে ।

ইয়াৰ পিছতো ব্ৰাহ্মণক দিব লগা দক্ষিণাৰ ধন বাকী আছিল । ৰাণী আৰু ৰাজকুমাৰৰ পৰা পৃথক হৈ ৰজাই নিজেও কাৰোবাৰ দাস হবলৈ ইচ্ছা কৰি বাটে বাটে কোনোবাই দাস ৰাখিব নেকি বুলি সুধি ফুৰিবলৈ ধৰিলে ।

পবিত্ৰ গঙ্গাৰ পাৰত শ্মশান থকা লোক এজনে ৰজা হৰিশ্চন্দ্ৰক কিনি ললে । ইয়াৰ বাবদ ৰজাই যি ধন পালে সেই ধনেৰে ৰজাইব্ৰাহ্মণৰ ধাৰ মাৰিলে ।

সেই দিনাৰ পৰা ৰজা হৰিশ্চন্দ্ৰই চন্ডাল হিচাবে শ্মশানৰ কাম কৰিবলৈ ধৰিলে । যিসকল লোকক শ্মশানত দাহন কৰা হৈছিল তাৰ বাবদ কৰ দিব লাগিছিল । সেই কৰ শ্মশানৰ মালিকে পাইছিল । এইদৰে দিন গৈ আছিল । সব্যাই যিঘৰত দাসী হিচাবে আছিল তেওঁলোকে সব্যাক খুব বেয়া ব্যৱহাৰ কৰিছিল । কিন্তু পতিৰ সত্য ৰক্ষাৰ কথা চিন্তা কৰি তেওঁ সকলো দুখ সহ্য কৰিছিল । তাৰ বাবে তেওঁৰ মনত কোনো দুখ নাছিল ।

কিন্তু এদিন ৰাতিপুৱা তেওঁ মনত খুব দুখ পাব লগা হ'ল । সেইদিনা ৰোহিত ফুল তুলিবলৈ যাওতে সাপে কামুৰিলে । ৰোহিতৰ মৃত দেহটো চাবলৈও সব্যাই অনুমতি নাপালে । তেওঁৰ গৰাকীয়ে কলে যে সকলো কাম সম্পূৰ্ণ কৰাৰ পিচত ৰাতিহে তেওঁ পুত্ৰক চাব পাৰিব ।

অৱশেষত ৰাতি সব্যাই সাপোৰ কামোৰত মৃত্যু হোৱা পুত্ৰক দেখিবলৈ পালে । তেওঁ পুতেকৰ মৃতদেহটো তুলি লৈ শ্মশানৰ ফালে আগবাঢ়ি গ'ল ।

সেইদিনা এন্ধাৰ ৰাতি বৰষণ দি আছিল । বিজুলীৰ চিকিমিকি পোহৰত তেওঁ অতি কষ্টেৰে আগবাঢ়ি গৈ শ্মশান পালে । শ্মশানত মৰাশ দাহনৰ বাবে যি কৰ দিব লাগে আগতে সেই কৰ দিবলৈ তেওঁক কলে । যিয়ে তেওঁক কৰ দিবলৈ কৈছিল সেইজন কোন আছিল বাৰু? তেওঁৰে পতি ৰজা হৰিশ্চন্দ্ৰ !

ৰাণীয়ে নিজৰ অসমৰ্থতা ব্যক্তি কৰি দয়া ভিক্ষা কৰিলে। তথাপিতো হৰিশ্চন্দ্ৰই কৰ দিয়াৰ কথাতে লাগি থাকিল । অৱশেষত দুয়ো দুয়োৰে মাত চিনিব পাৰিলে । দুয়ো পুত্ৰৰ মৃত্যুত শোক কৰি কান্দিবলৈ ধৰিলে । পিছত তেওঁলোকে ঠিক কৰিলে পুত্ৰৰ চিতাৰ জুইত তেওঁলোকেও মৃত্যু বৰণ কৰিব । তাৰবাবে চিতা তৈয়াৰ কৰা হ'ল। ৰোহিতাশ্বৰ মৃত শৰীৰ চিতাৰ ওপৰত ৰাখি জ্বলাই দিয়া হ'ল । চিতা দপদপকৈ জ্বলি উঠাত যেতিয়া ৰজা আৰু ৰাণী তাৰ ওপৰত জপিয়াই পৰিবলৈ সাজু হ'ল তেতিয়া বিৰাট পোহৰ হৈ এটা গৰ্জন হ'ল ।

এটি ক্ষণৰ বাবে তেওঁলোক স্তম্ভিত হৈ ৰল। তেওঁলোকে দেখিবলৈ পালে তেওঁলোকৰ প্ৰিয় পুত্ৰ ৰোহিতাশ্ব তেওঁলোকৰ সম্মুখত থিয় হৈ হাঁহি আছে । অকল সেইটোৱে নহয়, যিজন ব্যক্তিয়ে ৰাণীক দাসী হিচাবে কিনিছিল তেওঁও তেওঁৰ আচল ৰূপ বিশ্বামিত্ৰ হৈ দেখা দিলে । বাকী দেৱতাসকল, শ্মশানৰ গৰাকী (যিজন আচলতে 'ধৰ্ম' আছিল) সকলোৱে ৰজা হৰিশ্চন্দ্ৰৰ মহানতাৰ গুণগান কৰিবলৈ ধৰিলে ।

বিশ্বামিত্ৰই আকৌ এবাৰ বুজিব পাৰিলে যে বশিষ্ঠ মুনিয়েই সম্পূৰ্ণ সত্য আছিল, যিজনে ৰজা হৰিশ্চন্দ্ৰক সমৰ্থন কৰিছিল । তেওঁ ৰজা হৰিশ্চন্দ্ৰৰ মহানতাৰ কথা স্বীকাৰ কৰিলে আৰু তেওঁৰ গোটেই ৰাজ্য ঘূৰাই দিয়াৰ বাবে অযোধ্যা অভিমুখে যাত্ৰা কৰিলে ।

কৰা দেৱনাথে কলে "মোৰ কণ কণ মইনাহঁত, এই কথাই ইয়াকে শিক্ষা দিলে যে সত্যত অটল থাকিবলৈ মানুহ ত্যাগী আৰু ধাৰ্মিক হোৱা দৰকাৰ। শ শ বছৰ ধৰি ৰজা হৰিশ্চন্দ্ৰৰ কাহিনী মানুহৰ হৃদয়ত আজিও সজীৱ হৈ আছে। সকলোৱে ৰজা ৰাণীৰ দুখত কান্দি উঠি । শেষত এইটোৱে উপলব্ধি হয়, মানুহে দুখ কষ্ট ভোগ কৰাৰ পিছত পবিত্ৰ আৰু বেচি শক্তিশালী হয় । (ক্ৰমশঃ)



যোগ্য দৰা হয় নে নহয়?

ৰামপুৰৰ জমিদাৰৰ কাৰ্য্যালয়ত বলৰাম ধনভঁৰালী আছিল । তেওঁৰ সুনন্দা নামৰ এজনীয়ে ছোৱালী আছিল । সৰুতে মাকৰ মৃত্যু হোৱা বাবে তেওঁৱেই খুব মৰমেৰে জীয়েকক ডাঙৰ দীঘল কৰিছিল ।

সুনন্দা ডাঙৰ হৈ বিবাহ যোগ্য হোৱাত বলৰামে তাইৰ বাবে উপযুক্ত পাত্ৰ বিচৰাত লাগিল । তেওঁ ভাবিছিল যদি এই কাৰ্য্যালয়তে কাম কৰা কোনো উপযুক্ত ল'ৰা পোৱা যায় তেতিয়া ভাল হয় । তেতিয়াহলে ল'ৰাজন তেওঁৰ লগে লগে থাকিব পাৰিব ।

সেই কাৰ্য্যালয়তে নাগৰাজ আৰু সাৰঙ্গ নামৰ দুজন যুৱকে তেওঁৰ অধীনত কাম কৰিছিল। দুয়ো দেখিবলৈ ধুনীয়া আছিল । নিজৰ নিজৰ কাম কাজো ভালদৰে কৰিছিল । পাৰ্থক্য আছিল দুয়োজনৰ স্বভাৱৰ মাজত ।

নাগৰাজ আছিল সৰবৰহী যুৱক । সকলোৰে লগত মিলিজুলি আছিল আৰু হাঁহি ঠট্টাও কৰিছিল। কিন্তু সকলোৱে কৈছিল তেওঁ উপাৰ্জন কৰা টকা ৰাহি কৰিব পৰা নাছিল । বন্ধু-বান্ধবৰ লগত ঘূৰা ফুৰা কৰিছিল আৰু কোনো নভবা নিচিন্তাকৈ খৰছ কৰিছিল ।

কিন্তু সাৰঙ্গৰ স্বভাৱ নাগৰাজৰ সম্পূৰ্ণ ওলোটা আছিল । আৱশ্যাক হলেহে তেওঁ আনৰ লগত কথা পাতিছিল । অন্য লোকৰ মতে তেওঁ খুব হিচাপি আছিল, সেয়েহে এতিয়া তেওঁৰ বহুত টকা জমা আছে । কিছুমান মানুহে সাৰঙ্গক অতি কৃপণ-বুলি উপহাস কৰে ।

আকৌ কিছুমান মানুহে তেওঁক এই বুলি প্ৰশংসা কৰে যে, এতিয়াৰ পৰাই সাৰঙ্গই ভাবী পত্নীৰ বাবে ধন জমা কৰি ৰাখিছে, যাতে পত্নীয়ে অভাৱত নপৰে ।

এদিন বলৰাম অফিচৰ পৰা আহি জীয়েকৰ আগত তাইৰ বিয়াৰ কথা উলিয়ালে, লগতে সেই দুই যুৱকৰ কথাও বিতংকৈ কলে । পুনৰ তেওঁ জীয়েকক কলে,



“জমিদাৰৰ জন্মাৎসৱত তুমি দুয়োজন যুৱকক জমিদাৰৰ ঘৰত দেখিছা । এতিয়া তুমি কোৱা, দুয়োজনৰ ভিতৰত তোমাৰ কাক ভাল লাগিছে । বাকীখিনি মই কৰিম ।”

কিছুসময় চিন্তা কৰাৰ পাছত সুনন্দাই কলে, “পিতা, মই নাগৰাজৰ লগত বিয়া হম ।”

তাইৰ উত্তৰ শুনি আচৰিত হৈ বলৰামে কলে, “মাজনী, এয়া তুমি কি কৈছা? সকলোৱে কয় নাগৰাজ খুব খৰছী ল’ৰা । নিজৰ দৰমহাৰ টকা এপইচাও নাবাচে । মিতব্যায়ী হোৱাৰ কথা তেওঁ নাভাবেই । এনে মানুহে নিজৰ পত্নী আৰু সন্তানক কেনেকৈ চোৱাচিতা কৰিব? নিজৰ পৰিয়ালৰ খৰছ পাতি কৈনেকৈ বহন কৰিব?”

সুনন্দাই তৎক্ষণাত কলে “নাগৰাজৰ এতিয়া নিজৰ কোনো নাই, সেই কাৰণে সংকোচ নোহোৱাকৈ খৰছ কৰিছে । বিয়াৰ পিছত নিজৰ পত্নী যেতিয়া আহিব তেতিয়া বিনা কাৰণত কিয় খৰছ কৰিব? তেতিয়া তেওঁৰ আৰু এই অভ্যাস নাথাকিব । পত্নীৰ মন যোগাবলৈ অন্য খৰছ কমাই দি মাথোঁ লাগতিয়াল খৰছ হে কৰিব কিজানি । আগৰ অভ্যাস দূৰ হবও পাৰে । পৰিস্থিতিত পৰি মিতব্যায়ীও হব পাৰে । এতিয়া থাকিল সাৰঙ্গৰ কথা । মোৰ মতে তেওঁ মহা কৃপণ । আৱশ্যকতাতকৈ অধিক মিতব্যায়ী হলে তাক কৃপণ বুলিয়ে কোৱা হয় । এনে মানুহ নিজেও কেতিয়াও সন্তুষ্ট নহয়, আনকো সন্তুষ্ট ৰাখিব নোৱাৰে ।”

“তেওঁৰ বিষয়ে যদি তোমাৰ ধাৰণা ভুল হয় তেতিয়া?” বলৰামে সুধিলে । সুনন্দা চিন্তাত পৰিল । পুনৰ সুনন্দাই কলে, “পিতা, তেতিয়াহলে এটা কাম কৰা । নাগৰাজ আৰু সাৰঙ্গৰ পৰীক্ষা লোৱা । তেতিয়া আচল কথাটো ওলাই পৰিব । ইয়াৰ দ্বাৰা কোনো সিদ্ধান্ত লোৱাত আমাৰ সহজ হব । এই পৰীক্ষাত যিয়ে জয়লাভ কৰে তেওঁকে বিয়া কৰাম ।”

পিছদিনা অফিচত নাগৰাজে বলৰামক সুধিলে, “কি কথা বলৰামদা, আপোনাক আজি খুব চিন্তিত যেন দেখা গৈছে? মই আজিলৈকে আপোনাক এই অৱস্থাত দেখা নাই । কিবা হৈছে নেকি? ঘৰলৈ যোৱাৰ সময় হ’ল। তথাপিতো আপুনি ইয়াত এতিয়াও বহি আছে?” তেওঁ কেনেকৈ জানিব যে বলৰামে চিন্তিত হোৱাৰ ভাও ধৰিছে ।

বলৰামে চিন্তিত হৈ কলে “কি কম নাগৰাজ, মোৰ ছোৱালীজনীৰ বিয়াৰ বাবে এক সম্বন্ধ আহিছে । কিন্তু তেওঁলোকক দহহেজাৰ টকা দিলেহে বোলে বিয়াৰ কথা পকা কৰিব । মোৰ হাতত এতিয়া ইমান টকা নাই । এতিয়া মই কি কৰো ঠিক কৰিব পৰা নাই । কেনেকৈ এই সমস্যা সমাধান কৰো?”

বলৰামৰ চিন্তাৰ কাৰণ জানিব পাৰি নাগৰাজে আচৰিত হৈ কলে, "এইটো আকৌ কি বিৰম্বনা। এইটোতো মিঠা খাবলৈও মূল্য দিয়াৰ দৰে কথা। দেখিবলৈ আৰু বুদ্ধিৰ ক্ষেত্ৰত আপোনাৰ ছোৱালী কম নহয়। যেন এক অমূল্য ৰত্ন। তেওঁক পত্নীৰূপে পোৱাতো ভাগ্যৰ কথা। এই ভাগ্যক আঁতৰাই পঠোৱা মূৰ্খতাৰ হে কথা। বাৰু, মোক চাৰিদিন সময় দিয়ক। মই টকাৰ ব্যৱস্থা কৰি দিম।

"তুমি যিমান দৰমহা পোৱা সিমানেই খৰছ কৰি পেলোৱা, অলপো জমা নাৰাখা। ইমান টকা তুমি কৰ পৰা আনিবা?" বলৰামে সুধিলে।

নাগৰাজে হাঁহি মাৰি কলে, "কেইজনমান মোৰ বন্ধু বৰ ধনী মানুহ। বহুতো ক্ষেত্ৰতে মই তেওঁলোকক সহায় কৰিছো। তেওঁলোকে মোক এইখিনিও সহায় নকৰিবনে?" তেওঁৰ কথাত আত্মবিশ্বাস আছিল।

বলৰাম অফিচৰ পৰা ওলাই সাৰঙ্গৰ ওচৰলৈ গ'ল। তেওঁ টকাৰ আৱশ্যকতাৰ বিষয়ে সাৰঙ্গৰ আগত সবিশেষ বুজাই কলে। তেওঁ আকৌ কলে, "মই জানো তুমি খুব মিতব্যয়ী। এই সময়ত তুমি মোক নিশ্চয় সহায় কৰিবা, এই আশালৈয়ে তোমাৰ ওচৰলৈ আহিছো। দহ হেজাৰ টকাৰ ব্যৱস্থা কৰি দিলে মাহৰ শেষত মই নিশ্চয় ঘূৰাই দিম।"

এই কথা শুনি সাৰঙ্গৰ মুখৰ ৰং সলনি হ'ল। তেওঁ খুব গম্ভীৰ হৈ কলে, "আপুনি বেয়া নাপাব। টকা ধাৰে দিয়ে মোৰ অভ্যাস নাই। এইটো মোৰ স্বভাৱৰ বিৰুদ্ধ। এতিয়া আপুনি ছোৱালীৰ বিয়া কিছুদিনৰ বাবে স্থগিত নাৰাখে কিয়? যেতিয়া টকা যোগাৰ হব তেতিয়া বিয়া পাতিব। তিনিমাহ পিছত যদি এইখিনি টকা মোক দিয়ে ময়েই আপোনাৰ ছোৱালীক বিয়া কৰাম।"

বলৰাম, সাৰঙ্গৰ কথাত অসন্তুষ্ট হৈ একো নোকোৱাকৈ তাৰ পৰা গুচি গ'ল। তেওঁ ঘৰলৈ আহি গোটেইখিনি কথা সুনন্দাক কলে।

"পিতা, এতিয়া বুজি পালোতো কোনটো সত্য? তেওঁলোক দুজনৰ কোন ভাল আৰু কোন বেয়া? কোনজন আপোনাৰ জোৱাই হোৱাৰ যোগ্য? সুনন্দাই কলে।

"তুমি সৰু হলেও খুব বুদ্ধিমান। মানুহ চিনিপোৱাত খুব পাকৈত। তোমাৰে জয় হ'ল।" বলৰামে খুব আনন্দিত হৈ কলে।

ইয়াৰ এমাহৰ পিছতে সুনন্দা আৰু নাগৰাজৰ বিয়া মহা ধুমধামেৰে পতা হ'ল।





যি স্পৰ্শ কৰে সিয়ে সোণ হৈ যায়

এজন ব্যৱসায়ীৰ এটা ল'ৰা আছিল । ল'ৰাটোৰ জন্মৰ কিছুদিন পিছত ব্যৱসায়ীজনৰ পত্নীৰ মৃত্যু হৈছিল । সেয়েহে তেওঁৰেই ল'ৰাটোক অতি মৰমেৰে ডাঙৰ দীঘল কৰে । ল'ৰাটোৰ বাবেই তেওঁ দুহাতেৰে ধন অৰ্জন কৰিছে আৰু তাৰ সুখ সন্তোষৰ বাবেই পানীৰ দৰে খৰছো কৰিছে।

এবাৰ ব্যৱসায়ীজন বেমাৰত পৰিল । মৃত্যুৰ সময় ওচৰ চাপি অহা বাবে তেওঁ পুতেকক মাতি আনি কলে, "বাচা, মই মোৰ জীৱনৰ অন্তিম সময়ত তোমাক আশীৰ্বাদ দি কৈছো, যদি তুমি মাটিও স্পৰ্শ কৰা সি সোণ হৈ যাব ।" এইবুলি কোৱাৰ পিছতে তেওঁৰ প্ৰাণবায়ু উৰি গ'ল ।

ব্যৱসায়ীৰ পুত্ৰই পিতাকৰ বাবে কিছুদিন কন্দাকতা কৰি থাকিল । লাহে লাহে শোক পাতলি যোৱাত তেওঁও পিতাকৰ দৰে ব্যৱসায়ত ধৰিলে । ভাগ্য তেওঁৰ প্ৰতিও অতি প্ৰসন্ন হ'ল । তেওঁ প্ৰচুৰ ধন সোণ অৰ্জন কৰিলে ।

কিছুদিন এইদৰে প্ৰচুৰ টকা পইচা অৰ্জন কৰাৰ পিচত, ল'ৰাজনৰ পিতাকে দিয়া অন্তিম আশীৰ্বাদৰ কথা তেওঁৰ মনলৈ আহিল । তেওঁ ভাবিলে পিতাকৰ আশীৰ্বাদৰ বাবেই তেওঁ ইমান ধন অৰ্জন কৰিব পাৰিছে ।

"ভাগ্যৰ লগত এইদৰে খেলা ঠিক নহব। এই বিষয়ে কিবা নহয় কিবা এটা কৰিব লাগিব ।" এইবুলি ভাবি তেওঁ এনে ঠাইত বস্তু কিনিবলৈ ঠিক কৰিলে য'ত বস্তুৰ দাম বেচি আৰু য'ত তাৰ দাম সস্তা তাতে বিক্ৰী কৰাৰ কথা ভাবিলে । সেয়েহ য'ত খেজুৰৰ দাম বেচি তাতে খেজুৰ কিনি মিচৰলৈ বেচিবলৈ লৈ গ'ল । সেই দেশত খেজুৰ খুব সস্তা আছিল ।

অশোক

মিচৰৰ ৰজাই জানিব পাৰিলে যে কোনোবাই কৰবাৰ গৰ্ৰা খেজুৰ আনি তেওঁৰ দেশত বেচিব ধৰিছে।

ৰজাই তেওঁৰ কৰ্ম্মচাৰীক সুধিলে, "এই আচৰিত বেপাৰীজন আকৌ কোন?" কৰ্মচাৰীজনে সেই ল'ৰাজনক ৰজাৰ ওচৰলৈ লৈ গ'ল।

"তুমি মুৰ্খৰ নিচিনা এইদৰে বেপাৰ কৰি কিয় নিজৰ সৰ্বনাশ মাতি আনিছা?" ৰজাই যুৱকক সুধিলে।

"মহাৰাজ! মই যিয়ে নকৰো, পিতাৰ আশীৰ্বাদৰ কাৰণে মোৰ ওপৰত সোণ বৰ্ষণ হয়। ভাগ্যই ইমান লগ দিয়া ভাল নহয়। সেই কাৰণে মই এই পথত বিঘিনি ঘটাব বিচাৰিছো।" যুৱকে উত্তৰ দিলে।

"তোমাৰ পিতাই তোমাক কি বুলি আশীৰ্বাদ দিছিল?"ৰজাই সুধিলে।

"তেওঁ কৈছিল, মই যদি মাটিও স্পৰ্শ কৰো সি সোণ হৈ যাব।" ইয়াকে কৈ যুৱকে হাতত কিছু এমুঠি মাটি তুলি ললে তাৰে পেলাই দিয়াৰ পিছত যুৱকৰ হাতত অলপ থাকি গ'ল।

"এইটো কি?" ৰজাই আচৰিত হৈ সুধিলে।

"কোনো মুদ্ৰা বোধহয়।" এইবুলি কৈ যুৱকে সেইটো ৰজাৰ হাতত দিলে। সেইটো ৰজাৰে মোহৰ আছিল। তেওঁলোকৰ তাত সেইটো কেতিয়াৰ পৰা আছিল তেওঁলোকৰ বংশৰ কোনেও নাজানিছিল। এবছৰ আগতে সেইটো হেৰাইছিল। সেইটো বিচাৰি উলিয়াবলৈ বহুত টকা খৰছ কৰা হৈছিল।

কিন্তু কোনেও বিচাৰি নাপালে। আজি তুমি সেইটো পালা।" মোহৰটো দেখি ৰজাই আশ্চৰ্য্য প্ৰকাশ কৰি পুনৰ যুৱকক কলে, "তোমাৰ পিতাৰ আশীৰ্বাদ সঁচাকৈয়ে অদ্ভুত। তোমাৰ ভাগ্য ভগবানেও পৰিবৰ্তন কৰিব নোৱাৰে।"

ইয়াৰ পিছত ৰজাই সেই যুৱকৰ সৈতে নিজৰ জীয়েকক বিয়া দিবলৈ সিদ্ধান্ত কৰি যুৱকৰ ওচৰত প্ৰস্তাৱ ৰাখিলে। যুৱকৰ বাবে ইয়াতকৈ আৰু কি ভাল কথা হব পাৰে। তেওঁ ৰজাৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। পিছত সেই যুৱকেই গৈ মিচৰৰ ৰজা হ'ল।

নিখুঁত পৰিষ্কাৰ

প্ৰকৃতিক ৰক্ষা কৰক
নিজকো ৰক্ষা কৰক



"আঃ! অৱশেষত ঘৰ পালো। এতিয়া ঘৰৰ ওচৰত থকা পাৰ্কখনত ফুৰিব পাৰিম। সেইখন ইমান সেউজীয়া আৰু ঠাণ্ডা হৈ থাকে!" উৰাজাহাজখন নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তজাৰ্তিক বিমান বন্দৰত অৱতৰণ কৰাৰ লগে লগে সিদ্ধাৰ্থই কথা খিনি ভাবিলে।

সিদ্ধাৰ্থই আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৰ্থ কালোনিয়া বিশ্ববিদ্যালয়ত পাঁচ বছৰ কটাই ঘৰলৈ উভতিছিল। তেওঁক নিবলৈ বিমান বন্দৰলৈ মাক দেউতাকো আহিছিল। তেওঁলোকে তেওঁলোকৰ থকা ঠাই পদপদগঞ্জলৈ বুলি ৰাওনা হ'ল। ঘৰ পাবলৈ সিদ্ধাৰ্থ উদ্বাউল হৈ পৰিছিল। শান্ত পৰিৱেশৰ শৈশৱৰ সেই সুখৰ দিনবোৰৰ সোঁৱৰণে তেওঁক ঘৰলৈ ঘূৰাই লৈ আহিছিল।

কিন্তু গাড়ীৰ পৰা নামিয়েই তেওঁ আচৰিত হৈ গ'ল। এইখনতো তেওঁৰ সেই শৈশৱৰ ঠাইখন নহয়। গোটেই অঞ্চলটোৰে পৰিবৰ্তন হৈছে। সেই বাবুল গছডাল কত? সুধিৰ খুৱাৰ ঘৰৰ চাৰিওফালে ঙা ৰঙা ফুলেৰে জকমকাই থকা সেই কৃষ্ণচুড়া গছবোৰ কত? ঠাইখন আবৰ্জনাৰে পৰিপূৰ্ণ হৈ আছিল। আবৰ্জনাবোৰৰ ওপৰত মাখিৰজাক ভোন্‌ভোনাই আছিল।

সেই সময়তে শ্ৰীমতী শৰ্মা ঘৰৰ পৰা ওলাই আহি সিদ্ধাৰ্থক সম্ভাষণ জনালে আৰু আবৰ্জনা পেলোৱা পাত্ৰটোৰ কাষতে আবৰ্জনাবোৰ পেলাই গুচি গ'ল। সিদ্ধাৰ্থ ঠৰ লাগি ৰ'ল। এইটো দৃশ্য দেখিব বুলি তেওঁ ভবা নাছিল।



ঘৰবোৰ দেখিবলৈ পুৰণি হৈছে । সেইবোৰ ধূলি মাকতি এলান্ধু লাগি ক'লা হৈ গৈছে । সিদ্ধাৰ্থই ভাবিলে।

সিদ্ধাৰ্থই ঘৰত সোমাইয়ে এক অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰিলে । তেওঁ এই পৰিবৰ্তন সহজভাবে লব পৰা নাই । তেওঁ আশা কৰা এইখন সেই আগৰ ঠাই নহয় ।

সেইদিনা সন্ধিয়া সিদ্ধাৰ্থই বেমাৰী বেমাৰী ভাব এটা অনুভব কৰিব ধৰিলে । বাৰে বাৰে হাঁচি মাৰিবলৈ ধৰিলে । 'অতি মাত্ৰা ধূলি! তেওঁ মন্তব্য কৰিলে ।

তাৰ অৱস্থা দেখি মাক দেউতাকে হাঁহিলে । "ইয়াৰ লগত অভ্যস্ত হব লাগিব ।" দেউতাকে কলে ।

মাকে যেতিয়া তেওঁক ৰাতিৰ আহাৰ পৰিবেশন কৰি আছিল সিদ্ধাৰ্থই মাকৰ হাতত চকা চকি বান্ধি উঠা দেখা পালে । সিদ্ধাৰ্থৰ প্ৰশ্নত কোনো গুৰুত্ব নিদি মাকে কলে, দিল্লীৰ মহিলাসকলৰ বাবে এনে এলাৰ্জি তেনেই সাধাৰণ সমস্যা ।

সিদ্ধাৰ্থই অতি দুখ মনে শুবলৈ গ'ল । মাজ ৰাতি কাৰোবাৰ মাত শুনি তেওঁ সাৰ পাই উঠিল । মাক দেউতাকৰ কোঠৰ লাইট জ্বলোৱা আছিল । তেওঁ উঠি গ'ল । ৰাতি হঠাতে দেউতাকৰ হাপানি বেমাৰটো বাঢ়ি যোৱাত মাকে দেউতাকক ঔষধ খাব দিছে ।

সিদ্ধাৰ্থই এই পৰিস্থিতি মানি লব নোৱাৰিলে । তেওঁ চিন্তা কৰিবলৈ ধৰিলে । অতি সোনকালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগিব ।

ৰাতিপুৱা ব্ৰেকফাষ্ট খাই থকাৰ সময়ত সিদ্ধাৰ্থই কলে, "মা, দেউতা, তোমালোকক মই কথা এটা কব খোজো । মই আমেৰিকাৰ চফ্‌টওৱেৰ কোম্পানী এটাৰ পৰা কাম কৰাৰ আমন্ত্ৰন পাইছো । প্ৰথমতে মই গ্ৰহণ কৰা নাছিলো....কিন্তু এতিয়া মই অন্যহে ভাবিছো । মই কামটো গ্ৰহণ কৰোৱে নেকি । এই অবৰ্জনাৰ মাজত মই জীৱনটো কটাব নোৱাৰো ।"

সিদ্ধাৰ্থৰ মাক দেউতাক হতভম্ব হ'ল । তেওঁলোকে ভাবিছিল পুতেকে দিল্লীতে কাম এটা লৈ ইয়াতে থাকিব আৰু বুঢ়া বয়সত তেওঁলোকৰ লগ হব । পুতেকৰ মত পৰিবৰ্তন কৰাবলৈ তেওঁলোকে চেষ্টা কৰিলে । তেওঁ মাক দেউতাকৰ কথা মানিলে, কিন্তু তেওঁ এই দূষিত পৰিবেশৰ মাজত থাকিব নোৱাৰে ।

"তোমালোকে কিবা এটা নকৰা কিয়?" তেওঁ মাক দেউতাকক কলে । এই কলনিটো কেনে লেতেৰা চোৱা । সেই আবৰ্জনাৰ ওপৰত পৰি থকা মাখিবোৰলৈ চোৱা । যোৱা ৰাতি দেউতাৰ হাপানি ৰোগটো কিয় বাঢ়ি গৈছিল? এই দুষিত পৰিবেশৰ বাবে ।

সিদ্ধাৰ্থই তেওঁলোকৰ ফালে চাই কৈ গ'ল । "যোৱা ৰাতি যে তোমাৰ হাপানি বেমাৰটো বাঢ়ি গ'ল এইটো অকল বায়ু দূষণৰ বাবে হৈছে । তোমাৰ মনত আছে কিজানি, আগতে ইয়াত বহুতো গছ আছিল, কিন্তু

দূষিত বায়ু

তোমালোকে জানানে নতুন দিল্লী হ'ল বিশ্বৰ ভিতৰতে চতুৰ্থ দূষিত মহানগৰ ?

এটি বিপদজনক কথা

থাইলেন্ডৰ ঔদ্যৌগিক অঞ্চলৰ বৰষুণৰ পানী প্ৰায়ে অতি অম্ল হৈ যায় । সেই দেশৰ জনস্বাস্থ্য মন্ত্ৰালয়ে বৰষুণৰ পানী ব্যৱহাৰ কৰা সকলক পৰামৰ্শ দি কৈছে যিসকলে বৰষুণৰ পানী ব্যৱহাৰ কৰে তেওঁলোকে যেন বৰষুণ আৰম্ভ হোৱাৰ এঘন্টা পিচত হে ব্যৱহাৰৰ বাবে বৰষুণৰ পানী সংগ্ৰহ কৰে ।

এতিয়া কথামপিহে এডাল দেখা যায় । সেয়েহে বায়ু দূষণ বাঢ়ি গৈছে । মাৰ এলাৰ্জিও ধূলি আৰু দূষিত পৰিবেশৰ বাবেই হৈছে । তোমালোক আতায়ে যদিও ইয়াৰ পৰা ক্ষতিগ্ৰস্ত হৈছা, কোনেও পৰিস্কাৰ বায়ুৰ আৱশ্যকতাৰ বিষয়ে অনুভব কৰা নাই । আমি প্ৰতিজনে এই দূষণ নিয়ন্ত্ৰন কৰিব লাগিব ।

তেওঁ দৰ্শোৱা সকলো যুক্তিয়ে অথলে গ'ল । তেওঁৰ মাক দেউতাকো পুৰণি ভাব ধাৰাৰে লোক । তেওঁলোকে শ্ৰীমতী শৰ্মাৰ উদাহৰণ দি কলে যে শ্ৰীমতী শৰ্মাই সদায় আবৰ্জনা পেলোৱা পাত্ৰটোৰ বাহিৰততহে আবৰ্জনা পেলায় । এই মানুহবোৰৰ লগত তুমি কি কৰিব পাৰিবা? তেওঁলোকে প্ৰশ্ন কৰিলে ।

ইয়াৰ যে পৰিবৰ্তন সাধিব নোৱাৰি সিদ্ধাৰ্থই বিশ্বাস কৰিবলৈ টান পালে । তেওঁ ঘৰতে থাকিব খোজে, কিন্তু এনে লেতেৰা পৰিবেশত নহয় । তেওঁ ইয়াৰ কিবা এটা ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত ললে । যদি তিনি সপ্তাহৰ ভিতৰত ইয়াৰ কোনো পৰিবৰ্তন নহয়, তেতিয়া তেওঁ আমেৰিকালৈ আকৌ উভতি যাব । তেওঁ মাক দেউতাককো কথাটো কলে ।

সেইদিন সন্ধিয়া তেওঁৰ ঘৰৰ বিপৰীত ফালে থকা মুকলি ঠাইডোখৰত কিছুমান ল'ৰা-ছোৱালীয়ে খেলি থকা দেখিলে । তেওঁৰ মনত এটা বুদ্ধি খেলালে । সিদ্ধাৰ্থ সিহঁতৰ কাষলৈ গৈ আমেৰিকাৰ পৰা অনা চকলেট বিলাই দিলে । এজন সৰু ল'ৰাই সুধিলে, “দাদা, এইয়া আমেৰিকাৰ পৰা আনিছা নেকি?

“হয়” । সিদ্ধাৰ্থই উত্তৰ দিলে ।

“আমেৰিকা সঁচাকৈয়ে ধুনীয়া নে?” মিনুৱে সুধিলে ।

“সঁচাকৈয়ে ধুনীয়া” । তেওঁ উত্তৰ দিলে ।

“তুমি আমেৰিকালৈ উভতি যাবা নেকি? ভাৰতবৰ্ষ খুব লেতেৰা ঠাই, নহয় নে?” জুনুৱে সুধিলে ।

সিদ্ধাৰ্থই কণ কণ ল'ৰা ছোৱালীবোৰ মুখলৈ চাই দৃঢ় কন্ঠে উত্তৰ দিলে, “মই আমেৰিকালৈ উভতি নাযাও । মই ভাৰতকহে আমেৰিকা সাজিম!”

“তুমি সেইটো কেনেকৈ কৰিবা?” সকলোতকৈ কনিষ্ঠ চিক্কুয়ে সুধিলে ।

“এইটো অতি সহজ,” সিদ্ধাৰ্থই কলে । কিন্তু মই এইটো অকলে কৰিব নোৱাৰিম । ইয়াত তোমালোকৰো সহায় লাগিব ।”



শিশুকেইটি খুব উৎসাহিত হৈছিল । কাৰণ, কোনোবাই কিবা কথাত কাচিৎ হে তেওঁলোকৰ সহায় বিচাৰে! তেওঁলোকে পদপদগঞ্জ ৰ সৌন্দৰ্য্যকৰণৰ কথা ভাবিলে আৰু ইয়াৰ নাম দিলে অপাৰেশ্বন বিউটিফুল । স্কুল ছুটীৰ পিছত তেওঁলোকে সদায় সিদ্ধাৰ্থৰ লগত দেখা কৰে । অতি সোকালে তেওঁলোকে এটা কাৰ্য্য পৰিকল্পনা তৈয়াৰ কৰিলে ।

প্ৰথমতে তেওঁলোকে গছ ৰুলে । তেওঁলোকে কিছুমান গছপুলি কিনি আনি কল'নীৰ চাৰিওফালে লগালে । প্ৰত্যেকজনে ভাগ কৰি সেইবোৰত পানী দিয়াৰ ব্যৱস্থা কৰিলে । ইয়াৰ পিছত অলপ টকা সংগ্ৰহ কৰি সেই টকাৰে তেওঁলোকে বাঢ়নী আৰু অন্য পৰিষ্কাৰ কৰা সজুলি কিনিলে । তেওঁলোকে কলনীটো চাফা কৰিবলৈ ওলাল ।

মাত্ৰ তিনিমাহৰ ভিতৰতে কল'নীটো অতি পৰিষ্কাৰ দেখা গ'ল । শ্ৰীমতী শৰ্মাৰ দৰে মহিলাইও পথৰ ওপৰত জাবৰ পেলাবলৈ লাজ পোৱা হ'ল । শিশুসকলৰ কাৰ্য্যত অনুপ্ৰাণিত হৈ কিছুমান মহিলাইও বাৰান্দাৰ টাবত সৰু গছপুলি, ফুল আদি লগালে । এজনী মহিলাই সঁচাকৈয়ে এখন ৰুফ গাৰ্ডেন তৈয়াৰ কৰিলে ।

সিদ্ধাৰ্থ এতিয়া খুব সুখী । পদপদগঞ্জৰ জীৱন ধাৰা তেওঁ অতি আৰামদায়ক কৰি তুলিলে । সিদ্ধাৰ্থই এদিন কণমানি বন্ধুকেইটিক সুধিলে, "তোমালোকৰ স্কুল ইয়াৰ পৰা কিমান দূৰ? তোমালোকে তালৈ গাড়ীৰে যোৱাৰ আৱশ্যক নেকি? স্কুললৈ চাইকেলেৰে নোযোৱা কিয়া?"

"তোমালোকে জানানে ইয়াৰ দ্বাৰা পৰিবেশ ৰক্ষাত কিমান সহায় হব?" সিদ্ধাৰ্থই কৈ গ'ল । একে উদ্দেশ্যে একে ঠাইলৈ দহখন গাড়ী নিয়াৰ আৱশ্যক কি? তোমালোকে দেখো যিকোনো এখন গাড়ীত যাব পৰা? ইয়াৰ দ্বাৰা কাৰ্বন মনোঅক্সাইডো কমিব আৰু পেট্ৰোলো ৰাহি হব ।" তেওঁ কলে ।

ছয় মাহ পাৰ হৈ গ'ল । সিদ্ধাৰ্থই আমেৰিকালৈ যোৱাৰ কথা পাহৰি গ'ল । তেওঁ নতুন দিল্লীতে এটা ভাল চাকৰি পালে আৰু মাক দেউতাকো সুখী হ'ল ।

তেওঁৰ কণমানি বন্ধু কেইজনেও প্ৰতিদিনে পৰিবেশ ৰক্ষাৰ নতুন অভিযান চলাবলৈ ধৰিলে । অলপতে তেওঁলোকে কল'নীত প্লাষ্টিক আৰু পলিথিনৰ কেৰি বেগ প্ৰচলন বন্ধ কৰিলে । তেওঁলোকে বুজিপালে ই নষ্ট হৈ নাযায় সেয়েহে পৰিবেশৰ বাবে ক্ষতিকাৰক । তুমি যদি পদপদগঞ্জলৈ যোৱা, তাত তুমি চিন্টু, জুনু, মিনুহঁতে কাপোৰ অথবা মৰাপাটৰ মোনা বজাৰলৈ নিয়া দেখিবা ।

- জি. বিদ্যা



জীৱন আকৌ প্ৰবাহিত হয়

**প্ৰকৃতিক ৰক্ষা কৰক
নিজকো ৰক্ষা কৰক**

বিজয়ে যিমান পাৰে সিমান বেগাই দৌৰি আহিছিল। সি এইটো চিন্তা কৰা নাছিল যে সি কাৰোবাক খুন্দিয়াবও পাৰে। তাৰ কোলাত থকা তাৰ পোহনীয়া কুকুৰ, মণিৰ দুৰ্বল দেহটো দেখি তাৰ চকুপানী বৈ আহিছিল। 'এইটো কেনেকৈ ঘটিল মোৰ বন্ধু,' সি বিৰ্‌বিৰাই মনতে কলে।

সি সোনকালে ক্লিনিক গৈ পালে। বিজয়ে দৌৰি গৈ পশুচিকিৎসা ক্লিনিকত সোমাই হেঁপাই-ফোঁপাই ডাক্তৰ সুন্দৰক কলে। 'মোৰ মণি, চাৰ। আমি সকলোৱে খেলি আছিলো। হঠাতে সি পৰি গ'ল আৰু মুখেৰে ফেন ওলাবলৈ ধৰিলে। দয়া কৰি তাক ভাল কৰি দিয়ক ডাক্তৰ!" বিজয়ে অনুৰোধ কৰি কলে।

"চিন্তা নকৰিবা, মোৰ সোনটো। সি বোধ-হয় বিষ খাইছে। তাক তুমি কি খাবলৈ দিছিলা? সি কৰবাত কিবা খাইছিল নেকি?" ডাক্তৰে কুকুৰটো পৰীক্ষা কৰি থাকিয়ে তাক সুধিছিল।

"বিষ? মোৰ মৰমৰ মণিক কোনে বিষ দিব? সি সকলোৰে মৰমৰ চাৰ!" বিজয়ে কপিবলৈ ধৰিলে। "আমি নদীৰ পাৰত খেলি থাকোতে মণিয়ে নদীৰ পানী খাইছিল," বিজয়ে কলে।

"অ,' তেতিয়া হলে নদীৰ পানীতে বিষ আছিল। মই ইয়াৰ প্ৰতিকাৰ আগতে কৰিব লাগিছিল।" সুন্দৰে নিজে নিজকে কলে।

ডাঃ সুন্দৰে কুকুৰটোক প্ৰতিষেধক ঔষধ দিলে। কিন্তু কোনো কাম নহল । কুকুৰটো মৰি থাকিল । বিজয়ে কুকুৰটো হাততলৈ খুব কান্দিলে । সুন্দৰ ইয়াতকৈও ডাঙৰ বিষয়লৈ বেচি চিন্তিত হ'ল । তেওঁ আশঙ্কা কৰিলে এই দূষিত নদীৰ পানী খাই আৰু বহুতো জন্তু মৰিব পাৰে। তেওঁ গাওঁবাসীক সাৱধান কৰি দিব বিচাৰিছিল, কিন্তু এইটোও জানিছিল ইয়াৰ পৰা বিবাদ বাঢ়িব। এক দশক আগতে এই গাঁৱত যেতিয়া এটা গোঁঠা বস্ত্ৰৰ (Knitwear)কোম্পানী খোলাৰ সিদ্ধান্ত লোৱা হৈছিল ডাঃসুন্দৰে ইয়াৰ বিৰোধিতা কৰিছিল । তেওঁ ইকো ক্লাব এটা গঠন কৰি ডেকা সকলক লগত লৈ উদ্যোগৰ পৰা সৃষ্টি হোৱা বিভিন্ন অসুবিধা বোৰৰ কথা গাওঁবাসীক বুজাইছিল । কিন্তু কোনেও তেওঁলোকৰ কথা গুৰুত্বসহকাৰে লোৱা নাছিল, গাওঁবাসীয়ে উদ্যোগৰ বাবে জনোৱা অনুমোদনত তেওঁলোকৰ চেষ্টা বিফল হৈছিল । ফেক্টৰীৰ মালিকজনো ৰাজনৈতিক প্ৰভাব থকা স্থানীয় লোক আছিল । কোনো অসুবিধা নহব বুলি তেওঁক আশ্বস্ত কৰা হৈছিল । ফেক্টৰীৰ বাবে খেতিৰ মাটি অধিগ্ৰহণত গাওঁবাসীয়ে সন্মতি জনোৱাত ডাঃ সুন্দৰ স্তম্ভিত হৈ গৈছিল । মাটিৰ বাবদ ভাল টকা পোৱাত বহুতো লোকেই সুখী হৈছিল । প্ৰায়বোৰে কৃষিকৰ্ম ত্যাগ কৰি ফেক্টৰীৰ কৰ্মী হিচাবে যোগদান কৰিছিল । ফেক্টৰীৰ বাহিৰেও সেই ঠাইত বনুৱা আৰু কৰ্মীসকলৰ আবাস গৃহ তৈয়াৰ কৰা হৈছিল । ইয়াৰ বাবে গছবোৰ কাটি পেলোৱা হৈছিল, খেতিৰ মাটি আবাস স্থল হৈছিল । এইদৰে গোটেই গাঁৱৰে পৰিবৰ্তন হৈছিল ।

নদীৰ পাৰটো আগতে পিক্‌নিক খোৱা ঠাই আছিল । গছৰ ডালত চৰাইবোৰে গান গাইছিল, কেৰ্কেটুৱা-বোৰে আপোনমনে ঘূৰি ফুৰিছিল । পিক্‌নিকলৈ অহা মানুহবোৰে নদীত মাছ ধৰিছিল আৰু সেই মাছ লৈ ঘৰলৈ উভতি গৈছিল । এই



ভয়াবহ অগ্নিকাণ্ড

নদীত জুই? অবিশ্বাস্য শব্দ, কিন্তু এইটো সঁচাকৈয়ে ঘটিছিল । অ'হিওৰ ক্লেভলেণ্ডেৰে বৈ যোৱা চুৱাহোগা (Cuyahoga) নদীত ১৯৬৯ চনত জুই লাগিছিল । এই নগৰখন আমেৰিকাৰ এক প্ৰধান ঔদ্যোগি কেন্দ্ৰ । ফেক্টৰী বোৰে আজি বহুবছৰ ধৰি ৰাসায়নিক পদাৰ্থবোৰ এই নদীত পেলাই আহিছে । কিন্তু কোনেও এই ভুলৰ পৰাও নিশিকিলে । আৰু এতিয়া এই দূষিত নদীটো জুইৰ বাবে বিপদজনক নদী বুলি শ্ৰেণীভুক্ত কৰা হৈছে ।

নদীটো ওচৰপাজৰৰ দহখন গাঁৱৰ বাবে পানীৰ উৎস আছিল । কিন্তু ফেক্টৰীয়ে ইয়াৰ ৰূপ বদলাই দিলে ।

ফেক্টৰীৰ বৰ্জ পদাৰ্থবোৰ খালকাটি পোনে পোনে নদীত পেলোৱাত মাছৰ সংখ্যা কমি গৈছিল । বহুতো মানুহে খেতিপথাৰত চৰাই মৰি থকা দেখা পাইছিল । শস্যৰ উৎপাদনো কমি গৈছিল । ফেক্টৰীৰ বৰ্জ বস্তুৰৰ বাবে যে গাঁৱৰ পৰিবেশৰে পৰিবৰ্তন হৈছে গাওঁবাসীয়ে সেইটো অনুভৱ কৰা নাছিল । আজি কিছুবছৰৰ পৰা স্থানীয় মানুহৰ হাপানি, শ্বাস ৰোগ আদি বৃদ্ধি পোৱা দেখা গৈছে । যিহেতু গাধোৱাৰ ক্ষেত্ৰত প্ৰত্যেকেই নদীৰ পানী ব্যৱহাৰ কৰিছিল, ছালৰ বেমাৰ, খজুৱতি, চকু আৰু নাক জ্বালাকৰা আদি ৰোগ সাধাৰণ ঘটনা হৈ পৰিছে। যদিও তেওঁলোকে ডাক্তৰক দেখুৱাই ঔষধ ব্যৱহাৰ কৰিছিল, কোনেও কিন্তু ফেক্টৰীৰ বাবে এইবোৰ হোৱা বুলি অনুমান কৰা নাছিল । সকলোৱে জীৱন নিৰ্বাহ কৰিবলৈ টকাৰ কথা হে ভাবিছিল ।

ডাঃ সুন্দৰ আৰু তেওঁৰ লগৰীয়াসকলে মাজে সময়ে গাওঁবাসীৰ লগত এই বিষয়ে আলোচনা কৰিব বিচাৰিছিল, কিন্তু তেওঁলোকে বিষয়টো বুদ্ধিৰে এৰাই চলিছিল । আৰু আজি বিজয়ৰ কুকুৰটো হ'ল প্ৰথম বলি ।

'এই বিষয়ে ৰাজনক জনোৱাতো এয়া হ'ল আচল সময়,' সুন্দৰে ভাবিলে । বিজয় আছিল ফেক্টৰীৰ মালিক ৰাজনৰ পুতেক । যিহেতু তেওঁ ক্ষতিগ্ৰস্ত হৈছে, ৰজনে অন্য দিশৰ পৰা সমস্যাটো এতিয়া চাব পাৰে । সুন্দৰে ডেকা সকলক লগত লৈ তেওঁক লগ ধৰাৰ কথা ভাবিছিল, আৰু ৰাজনে কি কি পদক্ষেপ লব লাগিব সেই বিষয়েও লিখি লৈছিল ।

তেওঁলোকে যেতিয়া ৰাজনৰ ঘৰ পাইছিল সুন্দৰে কাৰোবাৰ কান্দোন শুনিছিল । সেইজন বিজয় আছিল । বিজয়ে এখন চোফাত আউজি আছিল । তাৰ দেউতাকে কাষতে বহি তাক প্ৰবোধ





দি আছিল । বিজয়ে যেতিয়া ডাঃ সুন্দৰ আৰু অন্যান্যসকলক দেখিছিল তেওঁ কান্দোন বন্ধ কৰি ভিতৰলৈ সোমাই গৈছিল । ৰাজনে চাৰিওফালে এবাৰ চাইছিল ।

"আমি মণিৰ বিষয়ে কব খুজিছো চাৰ । আপুনি নিশ্চয় এনে ঘটনা এটা শিশু বা এজন গাওঁবাসীৰ ক্ষেত্ৰত হোৱাতো নিবিচাৰে, বিচাৰেনে বাৰু?" সুন্দৰে সুধিলে ।

কথাবোৰে ৰাজনৰ মনত আঘাত হানিছিল। তেওঁ গোটেইকেইজনকে ভিতৰলৈ মাতি নি বহিবলৈ দিছিল ।

ডাঃ সুন্দৰে ফেক্টৰীয়ে কেনেদৰে অঞ্চলটো দূষিত কৰিছে আৰু ইয়াৰ দ্বাৰা মানুহ তথা প্ৰাণীবোৰ কেনেদৰে ক্ষতিগ্ৰস্ত হৈছে সেই বিষয়ে ভালদৰে বুজাই কৈছিল ।

হঠাতে বিজয়ে কোঠাটোলৈ সোমায় আহি কথাবোৰ শুনি আছিল ।

"সেয়েহে মণিক তুমি হত্যা কৰিছা, দেউতা। তুমি এজন হত্যাকাৰী । মোৰ মণিক মোক ঘূৰাই দিয়া দেউতা!" বিজয়ে চিঞৰি কথাখিনি দেউতাকক কৈছিল । "এই নিৰীহ কুকুৰটোক মাৰি, যিয়ে তোমাক ইমান ভাল পাইছিল তুমি বাৰু লজ্জিত হোৱা নাই নে? কেতিয়াৰ পৰা তুমি হত্যাকাৰী হ'লা? এদিন তুমি মোকো মাৰিবা, নহয় নে? তেওঁ দেউতাকৰ ফালে আঙুলি দেখুৱাই কথাখিনি কৈছিল ।

ডাঃ সুন্দৰে বিজয়ৰ ওচৰলৈ গৈ তেওঁক শান্ত কৰাৰ চেষ্টা কৰিছিল । "দেউতাৰাক দোষী নকৰিবা বিজয় । তেখেতে ইচ্ছা কৰি এইটো কৰা নাছিল । এতিয়া মই নিশ্চিত তেখেতে ইয়াৰ সংশোধন কৰিব ।

ৰাজন অলপ চিন্তিত হ'ল । এতিয়ালৈ অন্য মানুহেহে তেওঁলৈ আঙুলি টোৱাইছিল । কিন্তু আজি, নিজৰ পুত্ৰই তেওঁক দোষাৰোপ কৰিলে। তেওঁ সুন্দৰ আৰু ডেকাসকলে আগবঢ়োৱা পৰামৰ্শবোৰ কাৰ্য্যকৰী কৰিবলৈ সিদ্ধান্ত ললে । অন্ততঃ তেওঁ এইখিনি কৰিব পাৰিব ।

ৰাজনৰ দুচকুত সুন্দৰে দৃঢ়সংকল্প দেখিবলৈ পালে । তেওঁ জানিছিল যে, নদীটোক আকৌ নতুন জীৱন দান কৰা হব । গাওঁবাসীয়েও পুনৰ মুক্ত ভাবে উশাহ লব পাৰিব । -সুকেশিনি

হঁহাৰ কথা নহয় !?!

বিশ্বাস

নামধন নামৰ এখন গাঁৱত নামদেৱ নামৰ এজন মানুহে বাস কৰিছিল । তেওঁ বৰ বুদ্ধিমান আছিল । কিন্তু বহুতে তেওঁক প্ৰৱঞ্চক বুলি কৈছিল । তেওঁ নিজৰ বুদ্ধিমত্তাক লৈ গৌৰৱ কৰিছিল । তেওঁৰ মতে, মানুহে যদি তেওঁক প্ৰৱঞ্চক বোলে বোলক, তাত তেওঁৰ কোনো আপত্তি নাই। মানুহৰ কথাক তেওঁ ভয় নকৰে ।

এবাৰ সেই গাঁৱতে বাস কৰা মনোহৰ বৰ বিপদত পৰিল । ব্যৱসায়ত তেওঁৰ খুব লোকচান হ'ল । উপায় নাপায় নিজৰ মাটিকে অলপ বিক্ৰী কৰিলে । তথাপিতো কিছু ঋণ বাকী থাকিল । মুকুন্দকো তেওঁ টকা দিবলৈ আছিল । সেই টকা দিবলৈ মনোহৰক তেওঁ জোৰকৈ ধৰিছিল ।

মনোহৰ আৰু নামদেৱ সৰুৰে পৰা বন্ধু আছিল । মনোহৰে নামদেৱৰ ওচৰলৈ আহি কলে, "তুমি খুব ভাল মানুহ । যদি তুমি বুজাই কোৱা মুকুন্দই তোমাৰ কথা মানিব । দহ দিনৰ ভিতৰতে সুতসহ মই তেওঁৰ টকা ঘূৰাই দিম। যেনেকৈয়ে নহওক তুমি মুকুন্দক দহ দিন ৰখোৱা । তেতিয়ালৈকে মই টকাৰ যোগাৰ কৰি লম ।"

নামদেৱে অলপ ভাবি কলে, "টকা পইচাৰ ক্ষেত্ৰত মুকুন্দ বৰ একা-চেকা লোক। এই ক্ষেত্ৰত তেওঁ মোৰ কথা নুশুনিব । অৱশ্যে মোৰ ওপৰত তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছে । মই যদি কওঁ টকা দিয়াৰ ভাৰ মনোহৰে মোৰ ওপৰত অৰ্পণ কৰিছে, তেতিয়া তেওঁ মানি লব । যদি তুমি দহ দিনৰ ভিতৰত তেওঁৰ টকা ঘূৰাই নিদিয়া, তেওঁ মোৰ পৰাই লব ।

মনোহৰে তৎক্ষণাত কলে, "তুমি মোক বিশ্বাস কৰা, যিকোনো প্ৰকাৰে দহ দিনৰ ভিতৰত টকাখিনি ওভতাই দিম । তোমাৰ কোনো অসুবিধা হব নিদিও । নামদেৱে কলে, "তোমাৰ ওপৰত মোৰ বিশ্বাস আছে, কিন্তু মোৰ ওপৰত তোমাৰ কিমান বিশ্বাস

আছে সেইটোতো মই নাজানো? তোমাৰ পত্নীয়ে পিন্ধা হীৰাৰ হাৰডাল মোৰ পত্নীৰ খুব পছন্দ হৈছে । এই দহ দিনৰ বাবে যদি তুমি সেই হাৰডাল মোৰ পত্নীক দিয়া তেওঁ বৰ আনন্দিত হব । এইটো নাভাবিবা যে তোমাৰ হাৰডাল বন্ধকত আছে । এইয়া মাথোঁ তোমাৰ বিশ্বাসৰ পৰীক্ষা ।”

সেই হাৰডাল মনোহৰৰ পৈত্রিক সম্পত্তি আছিল । কোনো অৱস্থাতে তেওঁ সেইডাল বিক্রী নকৰে । তাৰ মূল্য প্ৰায় এক কোটি টকা হব । সেইডাল ধাৰলৈ দিয়াত মনোহৰৰ কোনো আপত্তি নাছিল । কিন্তু তেওঁৰ নামদেৱৰ ওপৰত কোনো বিশ্বাস নাই । এবাৰ যদি হাৰডাল তেওঁৰ ওচৰলৈ যায় সেইডাল আৰু ঘূৰি নাহে । কাৰণ তেওঁ কব যে সেইডাল তেওঁ কিনিলৈছে ।

মনোহৰে একো নোকোৱাকৈ তাৰপৰা গুচি গ'ল । সন্ধিয়া নামদেৱে বন্ধু বান্ধৱৰ আগত এই কথাটো কলে আৰু লগতে কলে যে, “সকলো মানুহে ইজনে সিজনক বিশ্বাস কৰিব লাগে । এই বিশ্বাসৰ অভাৱতে মনোহৰে জানি বুজি সমস্যা মাতি আনিছে । যদি হাৰডাল মোৰ ওচৰত ৰাখিলে হেতেন মই সেইডাল ঘূৰাই নিদিলোহেতেন নেকি?”

এই কথাটো সেই গাঁৱতে গহনা ব্যৱসায়ী জনে জানিব পাৰিলে । তেওঁ এপদ গহনা লৈ নামদেৱৰ ঘৰলৈ গৈ কলে, “এই গহনাপদ ভালদৰে চোৱা । এইডাল মনোহৰৰ হাৰডালতকৈ কোনোগুণে কম নহয় । কিন্তু ইয়াৰ দাম মাত্র এহেজাৰ টকা । মোৰ টকাৰ বহুত আৱশ্যক হৈছে । এইডাল বন্ধকত ৰাখি মোক মাথোঁ এশটকা দিয়া । এজন জ্যোতিষীয়ে মোক কৈছে যে তোমাৰ দৰে বুদ্ধিমান ব্যক্তিৰপৰা ধাৰ ললে মোৰ বাবে লাভজনক হব । এমাহৰ ভিতৰতে ধাৰ পৰিশোধ কৰি মই হাৰডাল লৈ যাম ।”

এই কথাত নামদেৱে আশ্চর্য্য প্রকাশ কৰি কলে, “এই গাঁৱত বুদ্ধিমান ব্যক্তিৰ অভাৱ হৈছে নেকি? এই কামৰ বাবে তুমি অকল মোকেই কিয় নির্বাচন কৰিলা?”

“বিশ্বাসৰ বিষয়ে তুমি সন্ধিয়া যি কথা কলা, সেইটো মোৰ বহুত ভাল লাগিছে । মোৰ অনুমান হৈছে এই গাঁৱত তোমাৰ দৰে বিশ্বাসী লোক আৰু নোলাব ।” গহনা ব্যৱসায়ীজনে কলে ।

নামদেৱে ব্যৱসায়ীজনক এশ টকা দি গহনাপদ ৰাখি থলে । এমাহ পিছত গহনা ব্যৱসায়ী ভূষণ, নামদেৱৰ ওচৰলৈ গৈ কলে,



"তোমাৰ এই এশ টকা তোমাক ঘূৰাই দিলো। মোৰ গহনাপদ মোক ঘূৰাই দিয়া ।"

নামদেৱে খিলখিলাই হাঁহি কলে, "তুমি যে মোৰ তাত গহনা থৈছা তাৰ কোনো প্ৰমাণ নাই । তুমিতো মোৰ বিষয়ে সকলো জানাই, তথাপি আকৌ কিয় মোৰ ওচৰলৈ গহনা সাধিবলৈ আহিছা? কেতিয়াও কাকো বিশ্বাস নকৰিবা, নহলে ঠগ খাবা । তোমাৰ টকা তোমাৰ হাততে ৰাখা ।"

ভূষণে কিন্তু মনে মনে নাথাকিল । গাঁৱৰ মানুহক মাতি আনি হাহাকাৰ লগাই দিলে । নামদেৱে মানুহবোৰক কলে, "হাজাৰ টকাৰ গহনা মাথোঁ এশ টকাতে দি মোৰ বিৰুদ্ধে আত্মসাৎ কৰাৰ ষড়যন্ত্ৰ ৰচিচে এই মানুহজনে। কেতিয়াবা এনে কথা শুনিছানে? কোনো গহনা ব্যৱসায়ীয়ে কোনো প্ৰমাণ নোহোৱাকৈ কাৰোবাক গহনা দিয়েনে বাৰু?"

তাত যিমান মানুহ আছিল সকলোৱে গহনা ব্যৱসায়ী ভূষণকে দোষাৰোপ কৰি কলে, "তোমাৰ কথা বিশ্বাস কৰিব নোৱাৰি। আমি আজিলৈকে নামদেৱকহে ঠগ বুলি ভাবিছিলো । কিন্তু তুমিতো তাতকৈও ওপৰত। তুমিনো বাৰু কিয় এনে কৰিলা?"

ভূষণে কলে, "মই এনে কিয় কৰিলো? এতিয়াই কৈছো ৰবা । শুনক, এজন চোৰে গহনা চুৰি কৰি আনি নামদেৱৰ তাত বেচিব খুজিলে । সি গহনা খিনি মোক দেখুৱাই ইয়াৰ কিমান মূল্য হব মোক সুধিলে । মই সেইখিনি চাই হাজাৰ টকা হব বুলি কালো । নামদেৱে চোৰৰ পৰা এশটকাত গহনাখিনি ৰাখিলে । এই ঘটনাৰ কিছুদিন পিছত মোৰ ওচৰলৈ ৰজাৰ গুপ্তচৰ আহিল । তেওঁলোকে মোক এডাল নকল হাৰ দেখুৱাই কলে, এনেকুৱা যদি আচল হাৰ কোনোবাই বেচিবলৈ আহে আমাক খবৰ দিবা । কিন্তু নামদেৱে মোক

ওলোটাই ধমক দি কলে যে যদি তুমি এই কথা কাৰোবাক কোৱা তোমাক চোৰ বুলি কৈ জেললৈ পঠাম । সেয়েহে মই সাৱধানে তোমালোকক ইয়াত গোট খুৱালো আৰু তেওঁৰ মুখেই কোৱালো যে এই গহনা তেওঁৰেই ।"

"তোমালোক আতায়ে সাক্ষী থাকিলা, এই গহনাৰ লগত মোৰ কোনো সম্পৰ্ক নাই। মই এতিয়া মুক্ত ।" এইবুলি কৈ ভূষণ তাৰপৰা গুচি গ'ল ।

নামদেৱ হতভম্ব হৈ গ'ল । তেওঁৰ মুখৰ পৰা কোনো কথা নোলাল । তেওঁ বুজি পালে ভূষণে অতি সাৱধানে চোৰৰ মাল তেওঁৰ মূৰত জাপি দিলে । এতিয়া তেওঁ কিনো কৰিব পাৰিব?

পিছদিনা পুলিচ আহি নামদেৱক বান্ধি লৈ গ'ল । সেই গহনা যে তেওঁৰ নহয় নামদেৱে প্ৰমাণ কৰিব নোৱাৰিলে । হাৰডাল তেওঁ পুলিচ বিষয়াজনক দিলে, লগতে দুশ টকা জৰিমনাও দিলে । এইদৰে তেওঁ কোনোমতে মুক্তি পালে ।

এদিন তেওঁ বাটত গহনা ব্যৱসায়ীজনক লগ ধৰি সুধিলে, "মইতো তোমাক কেতিয়াও ঠগোৱা নাই, তথাপি তুমি মোৰ লগত এনে ব্যৱহাৰ কিয় কৰিলা?"

"মইও তোমাক ঠগোৱা নাই । গহনা দি মই তোমাৰ পৰা এশ টকাহে লৈছিলো । হাৰডাল লৈ যাবলৈও এশটকাই আনিছিলো। লোভৰ বশৱৰ্ত্তী হৈ তুমি নিজে নিজকে ঠগালা।" ভূষণে কলে ।

"তুমি ঠিকেই কৈছা, মোৰ কুটিল বুদ্ধিয়েই মোক প্ৰৱঞ্চনা কৰিলে ।"

তাৰপিছত ভূষণে হাঁহি হাঁহি কলে, "মই ঠগৰ চৰ্দাৰ । ভাল মানুহৰ কাৰণে ভাল । মই মনোহৰক সহায় কৰিলো। মুকুন্দৰ ধাৰৰ বিবাদত মই নিজৰ ওপৰত সকলো দায়িত্ব লৈ দহ দিনৰ ভিতৰতে সকলো ধাৰ পৰিশোধ কৰি দিলো । প্ৰবঞ্চক আৰু ভাল মানুহৰ প্ৰতি মোৰ সিদ্ধান্ত কেতিয়াও ভুল বুলি প্ৰমাণিত হোৱা নাই ।"

নামদেৱে একো নোকোৱাকৈ ভিজা মেকুৰীৰ দৰে তাৰ পৰা গুচি গ'ল । ইয়াৰ পিছত আৰু তেওঁ কাকো কেতিয়াও প্ৰবঞ্চনা কৰিবলৈ চেষ্টা কৰা নাই ।



ধনতকৈও মহান

সীতাপতি খেতিৰ কামত খুব বিজ্ঞ লোক আছিল। খেতি-বাতিৰ বিষয়ে জানিবলৈ বহুতো লোক তেওঁৰ ওচৰলৈ আহিছিল। তেওঁ কৃষিৰ মাহত্মৰ বিষয়ে সকলোকে বুজাই কৈছিল। তেওঁ সকলোৰে আগত কৈছিল যে এই পৃথিবীত কৃষক এনেকুৱা প্ৰাণী, যিয়ে অন্য লোককো পেট ভৰাই খুৱায়।

ৰঘুপতি আছিল সীতাপতিৰ একমাত্ৰ পুত্ৰ। তেওঁ খুব ধুনীয়া আৰু বুদ্ধিমান আছিল। সকলো লোকেই তেওঁক কাশীলৈ গৈ পঢ়াৰ বাবে উপদেশ দিছিল। মানুহবোৰৰ উপদেশ সীতাপতিৰো ভাল লাগিল, কাৰণ পঢ়াশুনা কৰিলে ৰঘুপতিৰ কৃষিৰ বিষয়ে জ্ঞান বৃদ্ধি হব। তেওঁ ৰঘুপতিক কাশীৰ এক গুৰুকুলত বিদ্যা শিক্ষা লাভ কৰিবলৈ পঠালে।

সভ্যতাৰ সীমা বাঢ়ি যোৱাত গুৰুকুলবোৰ এতিয়া আৰু আগৰ দৰে অৰণ্যত নাই, এইবোৰ এতিয়া চহৰৰ ওচৰত স্থাপিত হব ধৰিছে। শিক্ষিত লোকৰ সংখ্যা বাঢ়ি গৈছে। ইয়াৰ লগে লগে নিবনুৱাৰ সংখ্যাও বাঢ়ি গৈছে। গুৰুকুলবোৰত অকল শাস্ত্ৰ আৰু পুৰাণবোৰৰ শিক্ষাই দিয়া হোৱা নাছিল, আত্মনিৰ্ভৰশীল হোৱাৰ বাবে আৱশ্যকীয় শিক্ষাও দিয়া হৈছিল। ইয়াৰ ভিতৰত কৃষি শাস্ত্ৰও আছিল।

ৰঘুপতিয়ে গুৰুকুলত ভৰ্তি হৈ কৃষি শাস্ত্ৰ সম্পৰ্কীয় বিষয়বোৰৰ শিক্ষা লৈছিল। ছুটীৰ সময়ত যেতিয়া তেওঁ ঘৰলৈ গৈছিল তেতিয়া পিতাকৰ সৈতে এই বিষয়বোৰ আলোচনা কৰিছিল। পুতেকৰ জ্ঞানৰ বিষয়ে জানিব পাৰি সীতাপতি খুব আনন্দিত হৈছিল।

কিছুদিন পিছত ৰঘুপতিৰ পঢ়া কাৰ্য্য সম্পূৰ্ণ হ'ল। কিন্তু নগৰীয়া জীৱনৰ প্ৰতি তেওঁৰ আকৰ্ষণ এতিয়াও থাকি গ'ল। তেওঁ এদিন পিতাকৰ আগত তেওঁৰ মত ব্যক্ত কৰি কলে, "মই নগৰত কোনো ডাঙৰ উদ্যোগ স্থাপন কৰিম। কৃষিৰ দ্বাৰা উৎপাদিত দ্ৰবেৰে আকৰ্ষণীয় বস্তু তৈয়াৰ কৰিম। মোৰ পূৰ্বপুৰুষ সকলে যি উপাৰ্জন কৰিছিল তাতকৈ দহগুণ বেচি মই এই উদ্যোগেৰে উপাৰ্জন কৰিম।"

ৰঘুপতিয়ে খেতি কৰিবলৈ এৰি গাওঁ ত্যাগ কৰি যোৱাৰ কথাটো সীতাপতিৰ ভাল নালাগিল। তেওঁ পুতেক ৰঘুপতিক বুজনি দি কলে, "বাচা, গাঁৱত যি শান্তি পাবা, নগৰত সেই শান্তি নোপোৱা। আমাৰ পৰিয়ালৰ জীৱিকা হ'ল

খেতি। আমাৰ দৰে মানুহক খেতিয়েহে শোভা পায় । খেতিৰ উৎপাদিত শস্যৰে আনক খুৱাই যি আনন্দ পোৱা যায়, সেই আনন্দ অন্য ক'ত পাবা? আয় বৃদ্ধি হলেই যে সুখ বাঢ়িব এইটো তোমাৰ বুজাত ভুল হৈছে ।”

পিতাকৰ কথাবোৰ ৰঘুপতিৰ সঁচা যেন নালাগিল । তেওঁ পিতাকক কলে, “পিতাদেউ, মই স্বীকাৰ কৰো খেতিৰ উৎপাদিত শস্যৰে আপুনি আনক খুৱাব পাৰিছে । কিন্তু মই যেতিয়া উদ্যোগ স্থাপন কৰিম তাৰ দ্বাৰা বহুতকে কৰ্ম সংস্থান দিব পাৰিম । যিহেতু মই কৃষক পৰিয়ালত ডাঙৰ হোৱা লোক সেয়েহে খেতিয়কসকলো মোৰ দ্বাৰা লাভবান হব ।”

দীৰ্ঘ আলোচনাৰ পাছত সীতাপতিয়ে বুজিব পাৰিলে তেওঁৰ পুত্ৰৰ কথাতো সত্যতা আছে। অৱশেষত তেওঁ সন্মতি দিলে । কিন্তু উদ্যোগ স্থাপন কৰিবলৈ কমেও একলাখ টকাৰ আৱশ্যক হব । ইমান বেচি টকা ধাৰলৈ দিব পৰা লোক গোটেই গাওঁখনতে নাছিল ।

“নগৰত ধন ধাৰলৈ দিয়া বহুতো ব্যৱসায়ী আছে । আমাৰ গোটেই খেতিপথাৰ বন্ধক দিলে কোনো ব্যৱসায়ীয়ে আমাক ধন দিব । উদ্যোগ স্থাপন হলে মই তাৰ উপাৰ্জনেৰে ধাৰ পৰিশোধ কৰিব পাৰিম ।” ৰঘুপতিয়ে কলে ।

সীতাপতিয়ে অন্ন উৎপাদন হোৱা ভূমিক যেনেদৰে মাকৰ সমান জ্ঞান কৰিছিল তেনেদৰে আশ্ৰয় দিয়া ঘৰক পিতাকৰ দৰে মানিছিল । ইয়াৰ বলতে তেওঁ আজি ভালদৰে দুসাজ খাব পাৰিছে। পুতেকৰ কথাটো তেওঁৰ মনত ভাল নালাগিল । তেওঁ পুতেকক কলে, “মই নিজৰ মাতা পিতাক কোনো অৱস্থাতে বন্ধকত ৰাখিব নোৱাৰো । যদি মোৰ কথাত বিশ্বাস কৰি কোনোবাই ধন ধাৰলৈ দিয়ে তেতিয়াহে মই লম ।”

তেতিয়া ৰঘুপতিয়ে নগৰত থকা কিছুমান আত্মীয় মানুহৰ নাম কলে । এনেয়ে এওঁলোক কৌটিপতি, কিন্তু বৰ্ত্তমান তেওঁলোকৰ লগত আহ-যাহ নাই । সেই কাৰণে সীতাপতিয়ে কলে, “মই ধন সাধিলে তেওঁলোকে যদি না বুলি কয়, ইয়াতকৈ আৰু ডাঙৰ অপমান মোৰ বাবে কি হব । যদি সঁচাকৈয়ে ধন দিব পৰা ব্যক্তিৰ কথা তুমি জানা তেনেহলে মোক কোৱা, মই নিজে গৈ ধন ধাৰলৈ খুজিম ।”

“পিতাদেউ, মই বুজিব পাৰিছো তুমি মোক সহায় কৰিব বিচৰা নাই ।” ৰঘুপতিয়ে অসন্তুষ্ট হৈ কলে ।

পুতেকৰ কথা শুনি সীতাপতিৰ মনত দুখ লাগিল । নিজৰ কথাৰ সত্যতা স্থাপন কৰিবলৈ তেওঁ খুব ভালদৰে ভাবিবলৈ ধৰিলে। তেতিয়া হঠাৎ তেওঁৰ কমলাৰ কথা মনত পৰিল ।

কমলা, সীতাপতিৰ ডাঙৰ খুৰাকৰ ছোৱালী। তাইৰ বিয়াৰ সময়ত খৰছ পাতিৰ অভাৱত বিয়া বন্ধ হবই খুজিছিল । সেই সময়ত সীতাপতিয়ে আৱশ্যকীয় টকা পইচা দি সহায় কৰিছিল । সেইদিনা কমলাই সীতাপতিৰ হাতত ধৰি কৈছিল, আজিৰ এই বিপদৰ সময়ত তোমাৰ বাহিৰে

কোনো লোক সহায় কৰিবলৈ আগবাঢ়ি নাহিল। দাদা, তোমাৰ এই সহায়ৰ কথা জীৱনত নাপাহৰো। যদি ভগবানে কেতিয়াবা মোক অৱস্থাপন্ন কৰি দিয়ে তেতিয়া মই ইয়াৰ প্ৰতিফল দিম।"

সঁচাকৈয়ে ভগবানে কমলাক সহায় কৰিলে। বিয়াৰ দুবছৰ পিছত তেওঁৰ পতিয়ে চাকৰি এৰি দি ব্যৱসায় কৰিলে। তেতিয়াৰ পৰা তেওঁলোকৰ অৱস্থা ভাললৈ আহিল। তেওঁলোক এতিয়া কোটিপতি।

সীতাপতিয়ে এদিন পুতেকক লৈ কমলাহঁত থকা চহৰখনলৈ গ'ল। দুয়োকে দেখি কমলাৰ মনত খুব ভাল লাগিল। তেওঁলোকক ভালদৰে আপ্যায়ন কৰিলে। সীতাপতিয়ে বেচি পলম নকৰি কমলাৰ আগত নিজৰ অহাৰ উদ্দেশ্যৰ কথা ব্যাখ্যা কৰিলে।

এই কথা শুনি কমলাৰ মুখৰ ৰং সলনি হ'ল। তাই কলে, "দাদা, আমাৰ এওঁ কাকো ধন ধাৰলৈ দিয়াৰ পক্ষপাতি নহয়। এয়া তেওঁৰ হ'ল আদৰ্শ। কিন্তু তেওঁ নহব বুলিও কেতিয়াও নকয়। যদি কোনোবাই কোনো কাৰণ নজনোৱাকৈ তেওঁৰ সহায় বিচাৰে তেতিয়া তেওঁ ঘূৰাই পঠায়। এদিন তুমি গোটেই দিনটো তেওঁক ভালদৰে নিৰিক্ষণ কৰা আৰু কি কি কাৰণ দেখুৱাই মানুহবোৰক নিৰাশ কৰি ঘূৰাই পঠায় সেইটো শুনা। তাৰ পাছত তুমি এনে উপায় চিন্তা কৰি উলিয়া যিটো তেওঁৰ বিশ্বাসযোগ্য হয়। মই যিমান দূৰ জানো, আজিলৈকে তেওঁৰ পৰা কোনোও ধন ধাৰে নিব পৰা নাই।"

সীতাপতিয়ে বুজিব পাৰিলে এই ক্ষেত্ৰত কমলাই একো কৰিব নোৱাৰে। তাইৰ কথাতো কোনো কপটতা নাই। তেওঁ জানে যে বিবাহিত স্ত্ৰীয়ে নিজৰ পতিৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ সাহস কৰিব নোৱাৰে। সেয়েহে তেওঁ কমলাই দেখুৱা পথটোকে লোৱাৰ সিদ্ধান্ত ললে। তেওঁ কমলাৰ গিৰিয়েকৰ লগতে থাকি তেওঁৰ কথা কান্ডবোৰ খুব মনোযোগেৰে শুনিবলৈ আৰু চলিবলৈ ধৰিলে।

এজন মানুহে জীয়েকৰ বিয়াত যৌতুক দিবলৈ তেওঁৰ ওচৰলৈ ধাৰ লবলৈ আহিল। কমলাৰ পতিয়ে সেই মানুহজনক কলে, "ধাৰ লোৱাৰ পিছত ইয়াক পৰিশোধ কৰা পথ আগতে চিন্তা কৰিব লাগিব। এনেয়ে মই যৌতুক দিয়াৰ বিৰোধী। মই ইয়াক কেতিয়াও সমৰ্থন নকৰো। এনেয়ে কিয় ডাঙৰ ঘৰৰ লগত সম্বন্ধ কৰিব বিচৰা? নিজৰ যোগ্য সম্বন্ধ বিচাৰি তোমাৰ জীয়েৰাক বিয়া দিয়া। তেতিয়া ধাৰ লোৱাৰ জঞ্জালত পৰিব নালাগিব তেতিয়া তুমিও সুখী হবা আৰু তোমাৰ ছোৱালীও সুখী হব।"

অন্য এজনে ধাৰ লবলৈ অহাত তেওঁ এইবুলি পৰামৰ্শ দিলে, "তোমাৰ ল'ৰা এতিয়া ডাঙৰ হৈছে, লিখা-পঢ়াও কৰিছে আৰু তুমি মোৰ ওচৰলৈ ধাৰ খুজিবলৈ আহিছা? তোমাৰ ল'ৰাৰ বিয়া পতাৰ কথা ঘোষণা কৰি দিয়া, তেতিয়া বহুতো কন্যাদায়গ্ৰস্ত লোকে তেওঁক সহায়

কৰিবলৈ আগবাঢ়ি আহিব।”

তেতিয়া ধাৰ লবলৈ অহা ব্যক্তিজনে কলে যে তেওঁ ল’ৰাৰ বিয়াৰ বিনিময়ত অইনৰ পৰা সাহায্য লোৱাতো তেওঁ আদৰ্শৰ বিৰোধী। তেতিয়া কমলাৰ পতিয়ে কলে, “তুমি যদি তোমাৰ আদৰ্শ এৰি নিদিয়া, ময়ো নো মোৰ আদৰ্শ কিয় এৰিম? ধাৰলৈ নিদিয়াতো মোৰ আদৰ্শ। জগতৰ সকলোৱে যদি ধাৰ নকৰা আদৰ্শ পালন কৰে, তেতিয়া ধনৰ লগত সম্বন্ধ থকা আধা সমস্যাই সমাধান হৈ যাব।”

কমলাৰ গিৰিয়েকৰ এই ব্যৱহাৰ দেখি ৰঘুপতি আৰু সীতাপতিয়ে ভালদৰে বুজিব পাৰিলে যে তেওঁ কোনোপধ্যেই ধন ধাৰলৈ নিদিয়ে। তথাপিতো সীতাপতিয়ে তেওঁক ধন ধাৰে খুজিবলৈ ঠিক কৰিলে। কিন্তু ৰঘুপতিয়ে পিতাকক কলে, “পিতাদেউ, মই তোমাৰ আদৰ্শক সন্মান কৰো। যদি তেওঁ ধন ধাৰে দিবলৈ অস্বিকাৰ কৰে তেতিয়া তোমাৰ মনত বেয়া লাগিব। তোমাৰ অপমান হব। তাতকৈ আমি ইয়াৰ পৰা গুচিযোৱাই ভাল হব।”

সীতাপতিয়ে কিন্তু তেওঁৰ পুতেকৰ কথা নুশুনিলে। সেইদিনা তেওঁ কমলাৰ গিৰিয়েকক ভালদৰে তেওঁ সমস্যাৰ কথা কৈ একলাখ টকা ধাৰে খুজিলে।

এই কথা শুনি কমলাৰ পতিয়ে কলে, “এইটো আৰু কি কথা? আপোনাৰ পুত্ৰই উদ্যোগ স্থাপন কৰিব বিচাৰিছে? সিও চহৰত? কৃষি সম্বীয় বিষয়ত মই আপোনাৰ কথা মানো। যদি আপোনাৰ ল’ৰাই আপোনাৰ মতৰ তথা সিদ্ধান্তৰ বিৰুদ্ধে যাব বিচাৰে কেতিয়াও মই আপোনাক সহায় কৰিব নোৱাৰিম। এই ক্ষেত্ৰত মোক আশা নকৰিব।”

তেতিয়া ৰঘুপতিয়ে কলে, “তাৰ মানে আপুনি কব বিচাৰিছে মোৰ সিদ্ধান্ত অন্তঃসাৰ শূন্য।”

“কাৰোবাৰ সিদ্ধান্ত নাকচ কৰিলে, সেইটোক উত্তম বুলি কেনেকৈ ধৰা হয়?” কমলাৰ গিৰিয়েকে কলে।

তেওঁৰ কথাৰ পৰা ৰঘুপতিয়ে বুজিব পাৰিলে উদ্যোগ স্থাপন কৰিবলৈ নিজৰ পিতাককো ধন খোজা উচিত নহয়। আত্মনিৰ্ভৰশীল হৈ নিজৰ লক্ষ্যত উপনিত হব লাগে। এই সত্যটো বুজিব পাৰি ৰঘুপতিয়ে কমলাৰ স্বামীক কলে, “আপোনাৰ তালৈ যিবোৰ লোক ধাৰ লবলৈ আহে তেওঁলোকে জানে যে আপুনি ধাৰ নিদিয়ে, তথাপি আপোনাৰ ওচৰলৈ তেওঁলোক কিয় আহে এতিয়াহে জানিব পাৰিলো। কাৰণ আপুনি তেওঁলোকৰ সমস্যা সমাধানৰ পথ দেখুৱাই দিয়ে। মোৰ পিতাই আপোনাক ধাৰে খোজাৰ কাৰণটোও এতিয়া বুজি পালো। মই উদ্যোগ স্থাপন কৰাৰ কথা বাদ দি কৃষিৰ কামত পিতাক সহায় কৰিম।” ৰঘুপতিৰ কথা শুনি পিতাক আৰু কমলাৰ গিৰিয়েক খুব আনন্দিত হ’ল।



৬৩. ধৃতৰাষ্ট্ৰৰ বানপ্ৰস্থ

মহাভাৰত

যুধিষ্ঠিৰ আৰু যজ্ঞস্থলত উপস্থিত থকা লোকসকলৰ প্ৰশ্নৰ উত্তৰত নেউলটোৱে কলে :

"মই মিছা কোৱা নাই। এই যজ্ঞ কেতিয়াও চাতু দানৰ সমান হব নোৱাৰে। সেই কথা মই নিজেই দেখিছো। গছৰ পৰা সৰিপৰা শস্যৰ দানা গুড়ি কৰি কুৰুক্ষেত্ৰত বাস কৰা ঋষি-মুনি, তেওঁলোকৰ পত্নী, পুত্ৰ, বোৱাৰীও স্বৰ্গলৈ গৈছে। তেওঁলোকৰ বাবে মোৰো শৰীৰৰ আধা ভাগ সোণালী হৈছে।

মই যি ব্ৰাহ্মণৰ কথা উল্লেখ কৰিছো, তেওঁ পত্নী, পুত্ৰ, ৱোৰীৰ সৈতে পক্ষীৰ দৰে জীৱন কটাইছিল। তেওঁলোকে দিনত এবাৰ মাথোঁ আহাৰ গ্ৰহণ কৰিছিল।

এবাৰ ভয়ঙ্কৰ আকাল হ'ল। এই দেশৰ গছ-গছনি, শস্য সকলো শুকাই গ'ল। সেই পৰিয়ালটোৱে দিনত এবাৰো খাবলৈ পোৱা নাছিল। এদিন দুপৰীয়া উত্তপ্ত ৰ'দৰ তাপতো তেওঁলোকে যি অলপ চাউল পাইছিল তাকে গুড়ি কৰি চাৰিখন পিঠা বনালে, চাৰিওজনে ভাগ কৰি খাবলৈ লৈছিল, এনেতে এজন ব্ৰাহ্মণ তেওঁলোকৰ কুটীৰলৈ অতিথি হৈ আহিল।

তেওঁলোক আতায়ে ব্ৰাহ্মণক ঘৰৰ ভিতৰলৈ মাতি নিলে, পাদ্য অৰ্ঘ্যৰে বৰি নি কুশৰ আসনত বহুৱালে। তাৰপিছত গৃহস্থই নিজৰ বাবে যি পিঠা ৰাখিছিল তাকে অতিথিক খাবলৈ দিলে। অতিথিয়ে তাকে খালে কিন্তু তেওঁৰ পেট নভৰিল।



ইয়াৰ পিছত পত্নীৰ ভাগৰ খিনিও ব্ৰাহ্মণক খাবলৈ দিলে । এইদৰে সেই ব্ৰাহ্মণ অতিথিয়ে ক্ৰমে ব্ৰাহ্মণৰ পুতেক আৰু বোৱাৰীয়েকৰ ভাগো খাই পেলালে । তেতিয়া সন্তুষ্ট হৈ ব্ৰাহ্মণে নিজৰ পৰিচয় দি কলে, তেওঁ যমৰাজ, তেওঁ সকলোকে স্বৰ্গপ্ৰাপ্তিৰ বৰ দিবলৈ আহিছে ।

"প্ৰভুসকল, সেই সময়তে মই সুৰঙ্গৰে বাহিৰলৈ আহিলো । সেই খোৱা খাদ্যৰ গোন্ধ লাগি আৰু তাৰ পানীত তিতা বাবে মোৰ মূৰ আৰু শৰীৰৰ আধা ভাগ সোণালী ৰঙলৈ ৰূপান্তৰিত হ'ল । মই এইটো জানিব পাৰি ইয়ালৈ বহুতো আশা লৈ আহিছো যে ইয়াত বৰ ডাঙৰ যজ্ঞ চলিছে, সেয়েহে মই শৰীৰৰ বাকী অংশখিনিও সোণালী কৰি লও ! কিন্তু মোৰ সেই আশা পূৰ্ণ নহ'ল ।"

ইয়াকে কৈ সেই নেউলটো সকলোৰে চকুৰ আগতে তাৰ পৰা অদৃশ্য হৈ গ'ল ।

যুধিষ্ঠিৰে নিজৰ ভাতৃসকলেৰে সৈতে ৰাজ্য শাসন কৰি আছিল । বিদুৰ, সঞ্জয় আৰু যুযুৎসু ধৃতৰাষ্ট্ৰৰ সেৱাত তৎপৰ হৈ আছিল। কুন্তীয়ে সদায় গান্ধাৰীৰ লগতে আছিল । দ্ৰৌপদী, সুভদ্ৰা, পান্ডৱসকলৰ অন্যান্য পত্নীসকলেও তেওঁক চোৱাচিতা কৰিছিল । ব্যাস মুনি প্ৰায়ে তালৈ আহি গল্প-কাহিনী শুনাই গুচি গৈছিল । যুধিষ্ঠিৰে কোনো কথাতে ধৃতৰাষ্ট্ৰৰ বিৰুদ্ধে কোনো কথা কোৱা নাছিল। ধৃতৰাষ্ট্ৰই যি বিচাৰিছিল যুধিষ্ঠিৰে তাকে আনি দিছিল । পান্ডৱসকলে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীক এনে ব্যৱহাৰ কৰিছিল যাতে তেওঁলোকে পুত্ৰ বিয়োগৰ দুখ অনুভৱ নকৰে । ভীমেহে কেৱল ধৃতৰাষ্ট্ৰৰ প্ৰতি অসন্তুষ্ট হৈ আছিল ।

ধৃতৰাষ্ট্ৰই প্ৰায়েই দান ধৰ্ম কৰিছিল । ব্ৰাহ্মণ সকলক ভূমি দান দিছিল । যুধিষ্ঠিৰে নিজৰ সভাসদ সকলকো কঠোৰ আদেশ দি কৈছিল যিয়ে ধৃতৰাষ্ট্ৰৰ ইচ্ছা বিৰুদ্ধ ব্যৱহাৰ কৰিব তেওঁকে কঠোৰ দন্ড দিয়া হব । সংক্ষেপে কবলৈ হলে ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল জীৱীত থাকিলে তেওঁ যিদৰে জীৱন কটালে হেতেন, সেইদৰেই তেওঁৰে শাসন চলিছিল । গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰইও পান্ডৱসকলক নিজৰ পুত্ৰ জ্ঞান কৰিছিল ।

এইদৰে পোন্ধৰ বছৰ পাৰ হৈ গ'ল । ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ কোনো ধৰণৰ অসুবিধা হোৱা নাছিল, কিন্তু মাজে সময়ে ভীমৰ কথা শুনি তেওঁলোকে দুখ পাইছিল । এই কথা কিন্তু যুধিষ্ঠিৰে জানিব পৰা নাছিল।

এদিন ধৃতৰাষ্ট্ৰই যুধিষ্ঠিৰক কলে, "বাচা, তুমি আজিলৈকে আমাৰ খুব আদৰ যত্ন ললা। ইয়াৰ বাবে আমি খুব সন্তুষ্ট । মই বহুত দান ধৰ্ম কৰিলো, ক্ষত্ৰিয় ধৰ্ম অবলম্বন কৰি মোৰ পুত্ৰসকল উত্তম ঠাই প্ৰাপ্ত হ'ল । মই তেওঁলোকৰ শ্ৰাদ্ধ কৰ্ম আদিও কৰিলো । এতিয়া মই কৰিব লগা কোনো কাম বাকী নাই । মই এতিয়া এনে

পূণ্য অৰ্জন কৰিব খোজো যাৰ দ্বাৰা ব্যক্তিগত ভাবে মোৰ লাভ হয় । তুমি যদি সন্মত হোৱা মই বানপ্ৰস্থলৈ যাব খোজো । গান্ধাৰীও মোৰ লগত থাকিব। মই বনত থাকিও তোমালোকক আশীৰ্বাদ দি থাকিম যাতে সদা সৰ্বদা তোমালোকৰ কল্যাণ হয় ।"

এই কথাত যুধিষ্ঠিৰ সন্মত নহল । তেওঁ কলে, "আপুনি বনৰ মাজত কষ্ট ভোগ কৰি থাকিলে মই ইয়াত কেনেকৈ সুখেৰে শাসন ভাৰ চলাম? আপুনি উপবাসে থাকি মাটিৰ ওপৰত শুই থাকিলে মোক তথা মোৰ ভাতৃসকলক জগতখনে নিন্দা নকৰিবনে? মই এই ৰাজ্য আৰু এই সুখভোগ নিবিচাৰো । মই এই ৰাজ্যভাৰ যুযুৎসুক অৰ্পণ কৰিলো । মোৰ এনেকুৱা লাগিছে, আপুনি কিবা কাৰণত মোৰ ওপৰত অসন্তুষ্ট হৈ এই কথা কৈছে । মই আপোনাৰ দুখ দূৰ কৰিবলৈ চেষ্টা কৰিম ।"

"মোৰ মনত তপস্যা কৰাৰ ইচ্ছা আছে। আমাৰ বংশৰ লোক বনবাসলৈ যোৱাৰ নিয়ম আছে । মই তোমাৰ লগত বহুদিন থাকিলো । এতিয়া মই বৃদ্ধও হলো । মই বানপ্ৰস্থলৈ যোৱাত তুমি সন্মতি জনোৱা ।" ধৃতৰাষ্ট্ৰই যুধিষ্ঠিৰক বুজালে । তেওঁ বানপ্ৰস্থলৈ যাবলৈ কেৱল সংকল্পই কৰা নাই, যুধিষ্ঠিৰে যদি এই কথাত তেওঁক সন্মতি নিদিয়ে তেতিয়া তেওঁ ভোজনো নকৰিব ।

সেই সময়ত মহৰ্ষি ব্যাস তাত গৈ উপস্থিত হ'ল আৰু ধৃতৰাষ্ট্ৰ বানপ্ৰস্থলৈ যোৱাত সম্মতি দিবলৈ তেওঁ যুধিষ্ঠিৰক বুজালে । তেতিয়া যুধিষ্ঠিৰ সন্মত হ'ল আৰু ধৃতৰাষ্ট্ৰইও অনশন ভঙ্গ কৰি আহাৰ খালে ।

ধৃতৰাষ্ট্ৰই বানপ্ৰস্থলৈ যোৱাৰ খবৰ শুনি হস্তিনাপুৰৰ সকলো বৰ্ণৰ লোকে তেওঁক দেখা কৰিবলৈ আহিল । ধৃতৰাষ্ট্ৰই সেই লোকসকলক কলে, "মই আৰু গান্ধাৰী দুয়ো লগ হৈ বনবাসলৈ যাব ওলাইছো । ইয়াৰ বাবে আপোনালোকে আমাক অনুমতি দিয়ক। মোৰ সম্পূৰ্ণ বিশ্বাস দুৰ্যোধনৰ তুলনাত যুধিষ্ঠিৰে ভালদৰে শাসন কৰিব পাৰিছে । এই দেশত প্ৰথমতে শান্তনুয়ে তাৰপিছত ভীষ্ম আৰু বিচিত্ৰবীৰ্য্যই শাসন কৰিছিল । মইও যথাশক্তি কম বেচি আপোনালোকৰ সেৱা কৰিলো । মোৰ শাসন কাৰ্য্য কেনে আছিল মই নাজানিছিলো । যদি তাত কিবা ভুল হৈছিল মোক ক্ষমা কৰিব । আমাৰ দুৰ্যোধনৰ দুষ্ট বুদ্ধিৰ বাবে ক্ষত্ৰিয় বংশ বিনাশ হ'ল, তাত মোৰো দোষ আছে । মই আপোনালোকক হাত যোৰ কৰি মিনতি কৰিছো, আপোনালোকে সেইবোৰ কথা পাহৰি যাওক। আজিৰ পৰা যুধিষ্ঠিৰে আপোনালোকক শাসন কৰিব ।"

এই কথা শুনি প্ৰজাসকলৰ মাজৰে এজন ব্ৰাহ্মণ প্ৰতিনিধিয়ে ধৃতৰাষ্ট্ৰক কলে, "ৰাজন,



আপুনি আমাৰ প্ৰতি বহুত স্নেহজনক ব্যৱহাৰ কৰিলে । আপোনালোকৰ বংশৰ কোনো লোকেই আমাক হীন ভাবে দেখা নাই । দুৰ্যোধনেও আমাৰ প্ৰতি কোনো দ্ৰোহ কৰা নাই। আপুনি বনবাসলৈ গলে আমি চিৰকালৰ বাবে সন্তাপ পাই থাকিম । কুৰুক্ষেত্ৰ যুদ্ধৰ বাবে আমি দুৰ্যোধনক দোষ নিদিও । কুৰু বংশ পতনৰ কাৰণ স্বয়ং ভগবান, অন্য কোনো নহয় । যুধিষ্ঠিৰ এজন উত্তম পুৰুষ । আমি বিচাৰো তেওঁ আমাক এহেজাৰ বছৰ শাসন কৰক ।"

পিছদিনা ৰাতিপুৱা বিদুৰে যুধিষ্ঠিৰৰ ওচৰলৈ আহি কলে, 'বাচা যুধিষ্ঠিৰ, ধৃতৰাষ্ট্ৰ কাতি মাহত বনবাসলৈ যাব । যোৱাৰ আগতে তেওঁ ভীষ্ম, সোমদত্ত, বাহ্লিক, দ্ৰোণ, সৈন্ধৱ, নিজৰ পুত্ৰ তথা বন্ধু-বান্ধৱ সকলৰ শ্ৰাদ্ধ-কৰ্ম কৰিব খুজিছে। ইয়াৰ বাবে তেওঁ অলপ ধন বিচাৰিছে।"

বিদুৰৰ কথা শুনি যুধিষ্ঠিৰ আৰু অৰ্জুনে অতি প্ৰসন্ন হৈ ধন দিব খুজিলে, কিন্তু ভীম মৌন হৈ থাকিল । তেতিয়া অৰ্জুনে ভীমক বুজায় কলে, "তুমিও অলপ ধন দিয়া । ধৃতৰাষ্ট্ৰই বানপ্ৰস্থলৈ যোৱাৰ আগতে শ্ৰাদ্ধ কৰ্ম কৰাৰ বাবে আমাৰ ওচৰত ধন বিচাৰিছে। তোমাৰ কিজানি মনত আছেই আমিও এবাৰ তেওঁৰ ওচৰত ৰাজ্য ভিক্ষা কৰিছিলো ।"

ইয়াৰ পাছত ভীমে কলে, "ভীষ্ম, সোমদত্ত, বাহ্লিক, ভূৰিশ্ৰবা, দ্ৰোণ তথা অন্যসকলৰ শ্ৰাদ্ধ কৰ্মৰ বাবে ধন দিব পৰা যায়, কৰ্ণৰ বাবে মাতা কুন্তিয়ে ধন দিব; কিন্তু দুৰ্যোধনহঁতৰ বাবে আমি কিয় ধন দিম? তেওঁলোক উত্তম লোক প্ৰাপ্ত নহলে আমাৰ কি হ'ল? আমাকতো তেওঁলোকে অসংখ্য যাতনা দিছিল নহয় নে?"

তেতিয়া যুধিষ্ঠিৰে কলে, "এতিয়া তুমি মনে মনে থাকিলে ভাল হয় ।" তাৰ পাছত বিদুৰক কলে, "ভীমে আপত্তি কৰাৰ কোনো আৱশ্যক নাই । ধৃতৰাষ্ট্ৰই যি ধন বিচাৰে মই দিম ।"

ধৃতৰাষ্ট্ৰই শ্ৰাদ্ধ কৰ্ম কৰিলে । যুধিষ্ঠিৰৰ দ্বাৰা তেওঁ অসংখ্য দান দিয়ালে । এই কাম শেষ হোৱাৰ পিছদিনা ধৃতৰাষ্ট্ৰই গান্ধাৰীৰ সৈতে কাৰ্তিক পূজা কৰি বাকলি বসন পিন্ধি বানপ্ৰস্থী হ'ল । তেওঁলোকৰ আগে আগে অগ্নিহোত্ৰ গ'ল, পিছে পিছে গ'ল কৌৰৱ নাৰীসকল । তেওঁলোক যোৱা বাবে পাণ্ডৱসকলে কান্দিবলৈ ধৰিলে । কুন্তীয়ে গান্ধাৰীৰ হাতত ধৰি লৈ গ'ল। দ্ৰৌপদী, সুভদ্ৰা, পৰীক্ষিতৰ সৈতে উত্তৰা আৰু নগৰৰ নাৰীসকলো গ'ল । বিদুৰ আৰু সঞ্জয়ে ধৃতৰাষ্ট্ৰৰ লগত যাবলৈ অনুমতি ললে ।

ধৃতৰাষ্ট্ৰই নগৰৰ দুৱাৰমুখ পাই যুযুৎসু আৰু কৃপাচাৰ্য্যক উভতি আহিবলৈ কলে । এজন এজনকৈ সকলোৱে উভতি আহিল । শেষত মাথোঁ যুধিষ্ঠিৰ থাকিল গৈ । তেওঁ মাক কুন্তীক কলে, "মা, তুমি উলতি যোৱা । মই এই মহাৰাজৰ লগতে যাম ।"

কিন্তু কুন্তীয়েহে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ লগত যোৱাটো ঠিক কৰিলে । তেওঁ যুধিষ্ঠিৰক কলে, "বাচা, গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰ মোৰ শাহু-শহুৰৰ সমান । তেওঁলোকৰ সেৱা কৰিবলৈ মইও তেওঁলোকৰ লগত যাম ।" পাণ্ডৱসকলে মাকক যাবলৈ বাধা দিলে । কিন্তু তেওঁ কাৰো কথাই নুশুনিলে । শেষত উপায় নাপাই দ্ৰৌপদীৰ সৈতে পাণ্ডৱসকল হস্তিনাপুৰলৈ উলতি আহিল।

ধৃতৰাষ্ট্ৰ, গান্ধাৰী, কুন্তী আদি খোজকাঢ়ি গৈ সন্ধিয়া গঙ্গাৰ পাৰৰ এখন ঠাইত ৰল । বিদুৰ আৰু সঞ্জয়ে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ বাবে কুশৰ বিচনা তৈয়াৰ কৰিলে । এইদৰে সকলোৱে আনন্দেৰে ৰাতিটো কটালে ।

বিদুৰৰ পৰামৰ্শ মতে গঙ্গাৰ পাৰতে এটা পৰ্ণকুটীৰ তৈয়াৰ কৰা হ'ল । তাত কিছুদিন থাকি ধৃতৰাষ্ট্ৰ কুৰুক্ষেত্ৰৰ এখন আশ্ৰম পালে গৈ । তাত শতায়ুপ নামৰ এজন ৰাজৰ্ষি আছিল । তেওঁ নিজৰ পুত্ৰক ৰাজ্যভাৰ অৰ্পণ কৰি বানপ্ৰস্থলৈ আহিছিল । ধৃতৰাষ্ট্ৰই তপস্যা আৰম্ভ কৰিলে । তেওঁলোকক চাবলৈ কোনোবা আহিলে কুন্তীয়ে সেইসকলৰ পৰিচৰ্য্যা কৰিছিল । ধৃতৰাষ্ট্ৰই তপস্যা কৰাৰ মাজে মাজে বহুতো কাহিনী কৈছিল ।

ধৃতৰাষ্ট্ৰ গুচি যোৱাৰ পিছত নগৰ বাসীৰ অনুমান হ'ল, নগৰৰ শোভা যেন কমি গৈছে । তেওঁলোকে সদায় সেই বৃদ্ধ ৰজাৰ কথা কৈ আছিল । এতিয়া পাণ্ডৱসকলৰ কথা কোৱাৰটো কোনো আৱশ্যক নাই । ধৃতৰাষ্ট্ৰৰ সৈতে তেওঁলোকৰ মাক, কুন্তী গুচি যোৱাৰ পিছত তেওঁলোক মৃত প্ৰায়ৰ দৰে হৈছিল আৰু কোনো বস্তুৰে প্ৰতি তেওঁলোকৰ অভিৰুচি নাছিল ।

সহদেৱ সকলোতকৈ অধিক ব্যাকুল হৈ উঠিল। তেওঁ কুন্তীক চাবলৈ খুব ব্যগ্ৰ হ'ল । দ্ৰৌপদীয়েও এদিন যুধিষ্ঠিৰক কলে, "নগৰৰ সকলো তিৰোতাই ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু



কুন্তীদেৱীক চাবলৈ ইচ্ছা কৰিছে ।"

এই কথা শুনি যুধিষ্ঠিৰে অতি শীঘ্ৰে ধৃতৰাষ্ট্ৰৰ আশ্ৰমলৈ যাবলৈ আয়োজন কৰিলে । তেওঁ ঘোষণা কৰি দিলে প্ৰজাসকলো যদি তেওঁৰ লগত যাব খোজে তেওঁলোকো যাব পাৰিব । তাৰ পিছদিনাই যাত্ৰাৰ দিন ঠিক কৰিলে ।

তেওঁৰ লগত এটা সেনা দলো গ'ল । ৰথ, ঘোঁৰা, উটত উঠি আৰু খোজকাঢ়িও মানুহবোৰ যাবলৈ ধৰিলে । তিৰোতাসকল পাল্কীত উঠি গ'ল। যুযুৎসু আৰু ধৌম্য ৰাজকাৰেঙতে থাকিল । পাণ্ডৱসকলৰ আগমনৰ বাতৰি পাই কিছুমান আশ্ৰমবাসী তেওঁলোকক চাবলৈ আহিল । যুধিষ্ঠিৰে তেওঁলোকক সুধিলে, "মহাৰাজ ধৃতৰাষ্ট্ৰ ক'ত আছে?"

তেওঁলোকে কলে যে, ধৃতৰাষ্ট্ৰ ফুল আৰু পানী আনিবলৈ যমুনা নদীলৈ গৈছে । তেওঁ-লোকে কোৱা পথেৰে পাণ্ডৱসকল আগবাঢ়ি গ'ল আৰু দূৰৰ পৰাই ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু

কুন্তীক দেখিবলৈ পালে। সহদেৱে দৌৰি গৈ কুন্তীৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে। কুন্তীয়ে সহদেৱক উঠিবলৈ কৈ সাবতি ধৰি

কান্দিবলৈ ধৰিলে। তাৰপাছত পাণ্ডৱসকল অহা কথাটো গান্ধাৰীক কলে। ইতিমধ্যে তেওঁলোকৰ সৈতে পাণ্ডৱসকলৰ দেখা হ'ল।

পাণ্ডৱসকলে আৰু তেওঁলোকৰ লগত অহা আতায়ে ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু কুন্তীৰ চাৰিওফালে বহিল। আতাইকে লগ পাই ধৃতৰাষ্ট্ৰৰ এনে লাগিল তেওঁ যেন হস্তিনাপুৰতহে আছে। আশ্ৰমৰ সকলো মুনি পাণ্ডৱসকলক চাবলৈ আহিল।

সঞ্জয়ে মুনিসকলক পাণ্ডৱৰ লগত পৰিচয় কৰাই দিলে। তেওঁলোক গুচি যোৱাৰ পিছত যুধিষ্ঠিৰে ধৃতবাষ্ট্ৰৰ কুশল বাতৰি ললে আৰু তাৰ পিছত সুধিলে, "বিদুৰক দেখো দেখা নাই? তেওঁ ক'ত আছে?"

"বিদুৰে অন্ন জল ত্যাগ কৰি কঠোৰ তপস্যা কৰি দুৰ্বল হৈ গৈছে। ব্ৰাহ্মণসকলে কৈছে তেওঁ দিগম্বৰ হৈ বনৰ মাজত ঘূৰি থাকে আৰু য'তে ত'তে তেওঁক দেখা যায়।" ধৃতৰাষ্ট্ৰই উত্তৰ দিলে।

ধৃতৰাষ্ট্ৰই কথাখিনি কৈ উঠিছিল হে, এনেতে বিদুৰ আশ্ৰমৰ ফালে আহি থকা দেখা গ'ল। যুধিষ্ঠিৰ অকলে বিদুৰৰ ফালে আগবাঢ়ি গ'ল। সেই অতব্য হাবিৰ মাজত বিদুৰক কেতিয়াবা দেখা যায় আৰু কেতিয়াবা অদৃশ্য হৈ যায়। ইয়াকে দেখি যুধিষ্ঠিৰে দৌৰি গৈ চিঞৰি ক'লে "বিদুৰ! মই তোমাক লগ পাবলৈ আহিছো।"

যুধিষ্ঠিৰে হাবিৰ মাজৰ অলপ মুকলি ঠাইত গৈ থিয় হৈ থাকিল। "মই যুধিষ্ঠিৰ", এই বুলি কৈ তেওঁ বিদুৰৰ সন্মুখত গৈ থিয় হ'ল। বিদুৰ খুব দুৰ্বল হৈ গৈছিল। তেওঁ যুধিষ্ঠিৰৰ ফালে একেথৰে চাই থাকিল।

যুধিষ্ঠিৰৰ মনত এনে অনুভূতি হ'ল যেন বিদুৰৰ অবয়ব তেওঁৰ অবয়বৰ লগত মিলি যাব ধৰিছে আৰু বিদুৰৰ প্ৰাণ তেওঁৰ প্ৰাণৰ লগত এক হৈ গৈছে। ইয়াৰ পিছত বিদুৰৰ শটো এডাল গছত লিপিত খাই থকা যুধিষ্ঠিৰে দেখিবলৈ পালে। যুধিষ্ঠিৰে বিদুৰৰ দেহটো দহন-সংস্কাৰ কৰিবলৈ খুজিছিল, কিন্তু তপস্বী সকলৰ দহন-সংস্কাৰ ধৰ্ম বিৰুদ্ধ।

সেয়েহে সেই আশা ত্যাগ কৰি যুধিষ্ঠিৰে আশ্ৰমলৈ উলতি আহিল। গোটেই ঘটনা খিনি সকলোৰে আগত কলে। এই কথা শুনি সকলো আচৰিত হ'ল। (ক্ৰমশঃ)

বল আৰু ধনৰ জয়

ভূষণ আৰু পশুপতিৰ খেতি পথৰ লগা লগি । এদিনাখন পত্নীৰ কাৰণে দুয়োৰে মাজত কাজিয়া লাগিল । কাজিয়া বাঢ়ি গ'ল আৰু ভূষণে পশুপতিক খুব পিটিলে । ভূষণ শক্তিশালী আছিল আনহাতে পশুপতি আছিল তেনেই দূৰ্বল ।

খেতি পথাৰৰ পৰা ঘৰলৈ উভতি আহি থাকোতে পশুপতিয়ে খঙেৰে ভূষণক কলে, "এই ভূষণ, তোমাৰ নিজৰ শক্তিৰ ওপৰত বহুত অহংকাৰ নহয়? এই শক্তিৰ বাবেই তুমি আজি মোক পিটিলা । মই গাওঁবুঢ়াৰ ওচৰত গোচৰ দি তোমাক উচিত শিক্ষা দিয়াম । মনত ৰাখিবা, ন্যায়ৰ সদায় জয় হয় ।"

"যোৱা.....!, যোৱা.....!, পাগল কৰবাৰ । কি কৈছা, ক'ত ন্যায়ৰ জয় হ'ল ?দেখা নাইনে এইমাত্ৰ ইয়াতে কি হ'ল ? এইবাৰ যদি তোমাৰ মুখৰ পৰা আৰু এটা কথা ওলায় তোমাক মই কি কৰো চাবা । যোৱা.....! যোৱা.....! বুলিকৈ ভূষণে হাঁ.হাঁ কৈ হাঁহিব ধৰিলে ।

তাৰ পাছত পশুপতিয়ে গাওঁবুঢ়াৰ ওচৰলৈ গ'ল । সেই গাওঁবুঢ়াজন বৰ ঘোচখোৰ আছিল । যিয়ে বেচি ঘোচ দিছিল, তেওঁৰ সপক্ষে সদায় ৰায় দিছিল ।

পশুপতিয়ে গোটেই ঘটনাটো গাওঁবুঢ়াক শুনালে আৰু কলে, "ডাঙৰীয়া.....!তেওঁ মোক খুব পিটিছে আৰু মোক ঠাট্টা কৰি কৈছে যে সদায় হেনো শক্তিৰহে জয় হয়, ন্যায়ৰ নহয় ।"

গাওঁবুঢ়াই হাঁহিমাৰি কলে, "তুমি আৰু ভূষণ দুয়োজনেই সহজ সৰল ।" তাৰ পাছত গাওঁবুঢ়াই পকেটৰ পৰা এটা এটকীয়া মুদ্ৰা উলিয়াই টেবিলত থলে আৰু কলে, "পঞ্চাশ পঞ্চাশ"।

কথাটো পশুপতিয়ে বুজিব পাৰিলে । তেওঁ হাত যোৰকে গাওঁবুঢ়াক নমস্কাৰ জনাই ঘৰলৈ গুলি গ'ল । বাটত গৈ থাকোতে তেওঁ নিজে নিজে মনতে ভোৰভোৰাই গ'ল, "সেই খেতি পথাৰত জয় হৈছিল শক্তিৰ আৰু ইয়াতে গাওঁবুঢ়াৰ ন্যায়লয়ত জয় হ'ল ধনৰ । যিয়েই নহওক, দুয়োৰে মাজত কাজিয়াৰ মীমাংসা কৰি লোৱাটোৱেই ভাল হব । ইয়াতকৈ ভাল বিচাৰ আৰু নাই ।

\- শান্তকুমাৰ

চঞ্চল চিত্ত

এজন খেতিয়কে তেওঁৰ খেতিপথাৰত হাল বায় আছিল । হঠাতে তেওঁৰ নাঙলৰ ফালটো কিবা এটাত খুন্দা লাগিল । তেতিয়া খেতিয়কজনে সেই ঠাইখিনি খান্দি এটা কলহ দেখা পালে । কলহটো সোণেৰে ভৰি আছিল।

একলহ সোণ দেখি খেতিয়কজনৰ মনটো চঞ্চল হৈ উঠিল । তেওঁ ভাবিবলৈ ধৰিলে সোণেৰে বহুতো ডাঙৰ কাম কৰিব পাৰি । ঐশ্বৰ্য্যশালী হব পাৰি । লগতে বিপদো আছে। চোৰে যদি জানিব পাৰে তেতিয়া চুৰি কৰি লৈ যাব, বাধা দিবলৈ গলে মাৰি পেলাব !

এইদৰে পৰস্পৰ বিৰোধী কথাত তেওঁ বৰ চিন্তিত হৈ আছিল । এনে সময়তে অলপ দূৰত এজন ন্যায়াধিকাৰীক দেখা পালে । খেতিয়কজনে ভাবিলে, এই সোণখিনি যদি ন্যায়াধিকাৰীৰ হাতত দিয়া হয় তেতিয়া কোনো বিপদ নহব । ইয়াকে ভাবি খেতিয়কজন ন্যায়াধিকাৰীৰ ওচৰলৈ দৌৰি গৈ কলে, "মহাশয়, দয়া কৰি আপুনি মোৰ খেতি পথাৰলৈ এবাৰ আহকচোন ।"

দুয়ো গৈ কলহটো থকা ঠাইখিনি পালে। এনেতে কৃষকজনৰ মনৰ পৰিবৰ্ত্তন হ'ল । তেওঁ কলহটোৰ ওপৰত মাটি জাপি দিলে আৰু ন্যায়াধিকাৰীক সুধিলে, "মহাশয়, আপুনি কওকচোন মোৰ এই দুটা বলধৰ ভিতৰত কোনটো শ্ৰেষ্ঠ? আপুনি কৈ দিলে মোৰ বহুত উপকাৰ হব ।"

এই কথা শুনি ন্যায়াধিকাৰীৰ খুব খং উঠিল আৰু তেওঁ নিজৰ ৰাস্তা ললে ।

'এই সোণখিনি মই ন্যায়াধিকাৰীক কিয় নিদিলো । এতিয়া মই এইবোৰ কোনেও নেদেখাকৈ ক'ত লুকাই ৰাখিম?' ইয়াকে ভাবি তেওঁ মনত খুব ভয় পালে ।

গোটেই দিনটো তেওঁ এইবোৰ চিন্তা কৰোতে গ'ল । খেতিৰ কাম অলপো কৰা নহ'ল ।

সূৰ্য্যাস্ত হবৰ সময় হ'ল । তেতিয়া ন্যায়াধিকাৰীয়ে গাঁৱলৈ ঘূৰি অহা দেখা গ'ল। কৃষকজন আকৌ ন্যায়াধিকাৰীৰ ওচৰলৈ

২৫ বছৰ আগতে চান্দমামাত প্ৰকাশ হোৱা পুৰণি কাহিনী

দৌৰি গ'ল । আকৌ এবাৰ খেতিপথাৰলৈ আহিবলৈ তেওঁক মিনতি কৰিলে । ন্যায়াধিকাৰীয়ে ভাবিলে নিশ্চয় কিবা অলৌকিক ঘটনা ঘটিছে । এইবাৰো তেওঁ কৃষকজনৰ লগত পথাৰলৈ গ'ল । এনেতে কৃষকজনৰ মনৰ পৰিবৰ্তন হ'ল । তেওঁ ন্যায়াধিকাৰীক সুধিলে, "মহাশয়, মই কালি হালবোৱা মাটিখিনি ভাল হৈছে নে আজি হালবোৱা মাটিখিনি ভাল হৈছে?"

এই প্ৰশ্ন শুনি ন্যায়াধিকাৰীয়ে ভাবিলে কৃষকজনৰ মূৰৰ বিকাৰ ঘটিছে, লগে লগে তেওঁ গুচি গ'ল । ন্যায়াধিকাৰী গুচি যোৱাৰ পিছত তেওঁ আকৌ ভাবিলে, "এই সোণ মই কিয় ন্যায়াধিকাৰীক নিদিলো? এতিয়া মই এইবোৰ ক'ত লুকাই ৰাখিম?" কৃষকজন খুব চিন্তিত হ'ল ।

অৱশেষত কৃষকজনে সোণ থকা কলহটো এটা বস্তাত ভৰাই ঘৰলৈ লৈ আহিল।

ঘৰ পাই কৃষকজনে ঘৈণীয়েকক কলে, "শুনা, বলধহাল বান্ধি দানা পানী দিয়া । মই তৎক্ষণাত ন্যায়াধিকাৰীৰ ঘৰৰ পৰা আহিব লাগে ।"

গিৰিয়েকে পিঠিৰ পৰা বস্তাটো নমাই নোথোৱা বাবে তাই ভাবিলে ইয়াত নিশ্চয় কিবা ৰহস্য আছে । তাই ৰহস্য উদ্‌ঘাটন কৰিবলৈ মনতে ঠিক কৰি ললে ।

তাই গিৰিয়েকক কলে, বলধক চোৱাতো জানো মোৰ কাম? তুমিয়েই বলধ হাল বান্ধা। মই গাইজনী আৰু ছাগলিজনী বান্ধি থৈছো। ইয়াৰ পিছত তুমি যলৈকে যোৱা যাবা, আৰু যেতিয়াই ইচ্ছা ঘূৰি আহিবা ।"

নিৰুপায় হৈ কৃষকজনে বস্তাটো মাটিত থৈ বলধ হাল বান্ধিবলৈ গ'ল । ইয়াৰ



ভিতৰতে কৃষকৰ পত্নীয়ে বস্তাৰ ভিতৰৰ পৰা সোণেৰে পূৰ্ণ কলহটো উলিয়াই নিলে আৰু সেইটো লুকাই থলে । ইয়াৰ পিছত তাই বস্তাটোৰ ভিতৰত এটা শিল সুমুৱাই থলে । ইতিমধ্যে খেতিয়কজনে বলধ হাল বান্ধি দানা পানী দি উভতি আহিল ।

তেওঁ একো নোচোৱাকৈ বস্তাটো তুলি লৈ সেইটো পিঠিত লৈ পোনে পোনে ন্যায়াধিকাৰীৰ ঘৰ পালে ।

"মহাশয় ! মই আপোনাৰ বাবে এটা পুৰস্কাৰ লৈ আহিছো ।" কৃষকজনে কলে ।

ন্যায়াধিকাৰীয়ে ভাবিলে নিশ্চয় কিবা মূল্যবান পুৰস্কাৰ হব । এইবুলি তেওঁ বস্তাটো খুলি দেখে যে তাৰ ভিতৰত এটা শিল আছে। এইটো দেখি ন্যায়াধিকাৰীৰ লগতে কৃষকজনো আচৰিত হ'ল ।

ন্যায়াধিকাৰীয়ে ভাবিলে কৃষকজনৰ এই ব্যৱহাৰৰ নিশ্চয় কিবা কাৰণ আছে । তেওঁ

কৃষকজনক এটা কোঠাত বন্দি কৰি থলে । তাৰ পিছত তেওঁ চাকৰ দুজনক কলে ৰাতি সি কি বকি থাকে আৰু কি কি কৰি থাকে তাকে নজৰ কৰি থাকিবি ।

কৃষকজনে কোঠাৰ ভিতৰত হাতেৰে অঙ্গি ভঙ্গি কৰি অভিনয় কৰাৰ দৰে কবলৈ ধৰিলে, "আঃ! ইমান ডাঙৰ কলহ, ইমান ওখ ! তাৰ ভিতৰত ইমান সোণা ।"

ৰাতিপুৱা চাকৰ দুজনে কৃষকজনে অভিনয় কৰি কোৱা কথাখিনি ন্যায়াধিকাৰীৰ আগত কলে । তেতিয়া তেওঁ কৃষকজনক মাতি আনি সুধিলে, 'হেৰা, ৰাতি তুমি হাতেৰে কিবা মাপ জোখ দেখুৱাই কিবা কৈ আছিলা ! সেইটানো কি?"

তেতিয়া কৃষকজনে অলপ সাহস দেখুৱাই কলে, "মহাশয়, মই আপোনাৰে জোখ মাপ দেখুৱাই আছিলো । আপোনাৰ কন্ঠস্বৰ ইমান ডাঙৰ, আপোনাৰ গলটো ইমান ডাঙৰ, আপোনাৰ পেটটো ইমান ওখ, আপোনাৰ হাত ইমান শকত ।"

কৃষকজনৰ কথা শুনি ন্যায়াধিকাৰীৰ খুব খং উঠিল । তেওঁ চাকৰ কেইজনক আদেশ দিলে, "এই বদমাচ লোক জনক ফাঁচী কাঠত ওলমাই দিয়া ।"

চাকৰকেইজনে কৃষকজনক ফাঁচীকাঠৰ ফালে লৈ গ'ল । তেওঁক ফাঁচী দিয়াৰ বাবে সকলো ব্যৱস্থা কৰিলে । অৱশেষত তেওঁৰ গলত ফাঁচীজৰী লগাওতে কৃষকজনে কলে, "ৰবা, ন্যায়াধিকাৰীক মই এক নিবেদন জনাব আছে ।" চাকৰকেইজনে তেওঁক ন্যায়াধিকাৰীৰ ওচৰলৈ লৈ গৈ তেওঁৰ অন্তিম ইচ্ছাৰ কথা কলে ।

"তুমি মোক কি কব বিচাৰিছা?" ন্যায়াধিকাৰীয়ে কৃষকজনক সুধিলে ।

"চাওক মহাশয়, আপোনাৰ চাকৰে যদি মোৰ গলত ফাঁচীৰ জৰী লগাই দিয়ে তেতিয়া মোৰ উশাহ নিশাহ চলি নাথাকে, ই বন্ধ হৈ যাব ।" কৃষকজনে কলে ।

তেওঁৰ কথা শুনি ন্যায়াধিকাৰীয়ে হাঁহি হাঁহি বাগৰি গ'ল আৰু কলে, 'এই দুৰ্ভগীয়াজনক এৰি দিয়া ।"

ইয়াৰ পিছত কৃষকজন ঘৰলৈ গ'ল। পত্নীয়ে ৰাখি থোৱা সোণখিনিৰে তেওঁলোক সুখেৰে দিন কটাবলৈ ধৰিলে ।

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

এসময়ত ওলন্দাজ, পৰ্টুগীজ, ফৰাচী আৰু ইংৰাজসকলে ভাৰতৰ ওপৰত কম বা বেচিদিনৰ বাবে আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছিল । ভাৰতৰ মানুহে সেই জাতিবোৰক ভাৰতৰ পৰা খেদিবলৈ যুঁজ কৰিব লগা হৈছিল । কিন্তু কিছুমান বিদেশী লোকে ভাৰতক ভাল পাইছিল আৰু বিভিন্ন প্ৰকাৰে ভাৰতৰ মানুহক সেৱা কৰিছিল । তেওঁলোকক তুমি চিনাক্ত কৰিব পাৰিবানে ?

১. বৃটেনৰ এজন মিচনাৰী মানুহৰ ইমান প্ৰিয়পাত্ৰ আছিল যে, মানুহে তেওঁক 'দীনবন্ধু' বুলি মাতিছিল ।

২. আয়াৰলেণ্ডৰ পৰা আহি ভাৰতক তেওঁ গৃহভূমি কৰি লৈছিল । ভাৰতৰ স্বাধীনতা আন্দোলনক তেওঁ সমৰ্থন কৰিছিল । মাদ্ৰাজত (চেন্নাই) মূখ্যকাৰ্য্যালয় পাতি তেওঁ এটা আন্তৰ্জাতিক আন্দোলনক নেতৃত্ব দিছিল ।

৩. ১৭৮৯ চনত এজন ইংৰাজে এচিয়াটিক চোচাইটি অফ বেঙ্গল প্ৰতিষ্ঠা কৰিছিল । তেওঁ কোন আছিল? তেওঁৰ মহৎ কাৰ্য্য কি আছিল?

৪. তেওঁ এজন ফৰাচী লোক আছিল । তেওঁ কলিকতা (বৰ্ত্তমানৰ ক'লকাতা) আৰু লক্ষ্ণৌত স্কুল স্থাপন কৰিছিল ।

৫. এগৰাকী ইংৰাজ মহিলা মহাত্মা গান্ধীৰ সহযোগী আছিল আৰু তেওঁ ভাৰতীয় নাম লৈছিল ।

৬. আলবেনিয়াৰ ক ভাৰতবৰ্ষ আৰু পৃথিবীৰ অন্যান্য ঠাইত এটা অতি জনপ্ৰিয় নামেৰে জনা যায় ।

(উত্তৰ অহা মাহত)

মে মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. জাতীয় পতাকা ।

২. জাতিৰ পিতা, মহাত্মা গান্ধী ।

৩. ই.এম.এচ.নাম্বুদিৰিপাদ, এসময়ৰ কেৰেলাৰ মুখ্যমন্ত্ৰী । তেওঁ বিশ্বৰ প্ৰথম নিৰ্বাচিত কমিউনিষ্ট চৰকাৰ এখনৰ মুখ্যমন্ত্ৰী হৈছিল ।

৪. ১৮৫২ চন । চিণ্ডে ডকচ্ বুলি কোৱা হৈছিল, এচিয়াৰ ভিতৰত কোনো দেশে প্ৰকাশ কৰা সেইয়াই আছিল প্ৰথম ডাকটিকিট ।

৫. ১৯৩১ চন । নতুন দিল্লী উদ্বোধন কাৰ উপলক্ষ্যে উলিওৱা হৈছিল । সেই তিনিটা টিকটত ৰাষ্ট্ৰপতি ভৱন, ইণ্ডিয়া গেট আৰু সংসদ ভৱন চিত্ৰিত কৰা হৈছিল ।

৬. ১৯১১ চনৰ ১৮ ফেব্ৰুৱাৰী । এলাহাবাদৰ পৰা নৈনি জেল, এই ৮ কি.মি. দূৰ ঠাই ৬,৫০০ বিধি বস্তু উৰি গৈছিল ।

৭. পোষ্টেল ইনডেক্স নাম্বাৰ-১৯৭২ চনৰ ১৫ আগষ্ট।

৮. আঠটা অঞ্চল ।

৯. ১৮৩৭ চনত প্ৰথম পোষ্ট অফিচ আইন পাচ কৰি এই প্ৰথা উঠাই দিছিল ।

১০. ভাৰতৰ চাৰিঅনাৰ ওলোটা মূৰটো । এই টিকটৰ মাত্ৰ ২৪ টা আচল কেপি আছে, য'ত ইংলণ্ডৰ ৰাণীৰ মূৰটো ওলোটাকৈ ছাপ কৰা আছে ।

১১. মহাত্মা গান্ধী

১২. নতুন দিল্লীত ।



বিচিত্ৰ বিজয়

কপিশা নগৰত মাধৱ শৰ্মা নামৰ এজন ডাঙৰ পণ্ডিত আছিল । তেওঁ অৱস্থাপন্ন লোক আছিল । তেওঁৰ শ্যামলা নামেৰে এজনী ধুনীয়া জীয়েক আছিল । শ্যামলাও পিতাকৰ দৰেই খুব বুদ্ধিমতী আছিল ।

শ্যামলা সুন্দৰী আৰু বুদ্ধিমতী হোৱা বাবে তেওঁক বিয়া কৰাবলৈ বহুতো যুৱকেই আগবাঢ়ি আহিছিল । কিন্তু শ্যামলাই তেওঁলোক আতাইকে কিছু প্ৰশ্ন কৰিছিল । যিয়ে শুদ্ধ উত্তৰ দিবা নোৱাৰিছিল তেওঁলোকক ওভতাই পঠাইছিল । শ্যামলাই সিদ্ধান্ত লৈছিল যিয়ে তেওঁৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব পাৰিব সেই ব্যক্তিৰ লগতহে তেওঁ বিয়াত বহিব ।

সেই নগৰতে ৰাধাকান্ত নামৰ এজন দুখীয়া যুৱক আছিল । তেওঁৰ পিতাকে ভিক্ষা কৰি কোনোমতে পৰিয়ালটো পুহিছিল । কিন্তু ৰাধাকান্ত খুব বুদ্ধিমান আছিল । তেওঁ পঢ়া শুনা কৰিবলৈ খুব ভাল পাইছিল । সেয়েহে তেওঁ গুৰুসকলৰ সেৱা শুশ্ৰূষা কৰি তেওঁলোকৰ আদৰৰ পাত্ৰ হৈ জ্ঞান অৰ্জন কৰিছিল । তথাপি তেওঁৰ জ্ঞান অৰ্জনৰ হেঁপাহ পুৰ হোৱা নাছিল । তেওঁ আৰু ডাঙৰ পণ্ডিতৰ ওচৰলৈ গৈ অধিক জ্ঞান অৰ্জন কৰিবলৈ বিচাৰিছিল । কিন্তু ইয়াৰ বাবে বহুত ধনৰ আৱশ্যক হৈছিল । মাধৱ শৰ্মাৰ ওচৰত সাহায্য বিচাৰি এদিন ৰাধাকান্ত তেওঁৰ ঘৰত গৈ উপস্থিত হ'ল । ৰাধাকান্তই শুনিছিল যে মাধৱ শৰ্মাৰ কন্যা অতি বুদ্ধিমতী আৰু যিয়ে তেওঁক বিবাহ কৰাবলৈ আহে সকলোকে তেওঁ প্ৰশ্ন সোধে । তেওঁৰ এইটো চৰ্ত আছিল, যিয়ে তেওঁৰ শুদ্ধ উত্তৰ দিব পাৰিব তেওঁকহে শ্যামলাই বিবাহ কৰাব । কিন্তু ৰাধাকান্তৰ এই প্ৰশ্নোত্তৰৰ লগত কোনো সম্পৰ্ক নাছিল । তেওঁ কেৱল আৰ্থিক সাহায্য বিচাৰিহে তালৈ গৈছে ।

শ্যামলাই ভাবিলে সেই যুৱকেও বিবাহৰ প্ৰস্তাৱ লৈহে তেওঁলোকৰ তালৈ আহিছে । ইয়াকে ভাবি শ্যামলাই ৰাধাকান্তক সুধিলে - "মোৰ এটা প্ৰশ্ন আছে । মই সকলো লোকক

পচিশ বছৰ আগতে চান্দমামা'ত প্ৰকাশিত পুৰণি কাহিনী

সুধিছো, কিন্তু কোনেও ইয়াৰ সমিধান দিব পৰা নাই ।”

“সেই প্ৰশ্নটো কেনে ধৰণৰ ? কোৱাচোন বাৰু ।” ৰাধাকান্তই শ্যামলাক সুধিলে ।

“ইহলোক তথা পৰলোকতো কোন সুখী হব পাৰে ? আৰু কোনে কষ্ট ভোগ কৰে ?” শ্যামলাই সুধিলে ।

“ইহলোক তথা পৰালোকত সন্ন্যাসীবোৰেই সুখী । তেওঁলোকৰ কোনো সাংসাৰিক চিন্তা ভাবনা নাথাকে । তেওঁলোকে যি মিলে তাকে অতি তৃপ্তিৰে খায় আৰু যিকোনো গছৰ তলতে শোৱে । তেওঁলোকৰ মনত কোনো ধৰণৰ আকাংক্ষা বা কামনা নাথাকে, সেই কাৰণে তেওঁলোক কেতিয়াও নিৰাশ নহয় । এইদৰে ইহলোকত সুখে সন্তোষে জীৱন কটাই বন্ধন মুক্ত হৈ পৰালোকলৈ যায়, সেয়েহে তেওঁলোক পৰালোকতো সুখী হয় । আকৌ ইহলোক তথা পৰলোকতো দুখ ভোগ কৰা ব্যক্তি হ'ল ভিক্ষাৰী । তেওঁলোকৰ এই জনমটো অভাব অনাতন আৰু কষ্টৰ মাজেৰে পাৰ হয় । তেওঁলোকে ৰ'দত শুকায়, বৰষুণত তিতে, ঠান্ডাত থৰ থৰ কৈ কঁপে । তেওঁলোকৰ গোটেই সময় এসাজ পেট ভৰাই খোৱাৰ চিন্তাতে কটায় । তথাপি তেওঁলোকৰ দুবেলা দুসাজ নোজোৰে । ভিক্ষা কৰি খাবলৈ তেওঁলোকৰ ভাল নালাগে । কিন্তু ইয়াৰ বাহিৰে তেওঁলোকৰ সন্মুখত আৰু কোনো পথ নাই । সকলো সময়তে তেওঁলোকৰ পেটটোৰে চিন্তা । গোটেই জীৱনজুৰি তেওঁলোকে কাৰো উপকাৰ কৰিব নোৱাৰে



সেয়েহে পৰলোকতো তেওঁলোকে সুখ ভোগ কৰিব নোৱাৰে ।" ৰাধাকান্তই শ্যামলাৰ প্ৰশ্নৰ উত্তৰ দিলে ।

ৰাধাকান্তৰ উত্তৰত সন্তুষ্ট হৈ শ্যামলাই তেওঁৰ সৈতে বিবাহ কৰিবলৈ স্থিৰ কৰিলে । কিন্তু ৰাধাকান্তৰ মনত বিবাহ কৰোৱাৰ কোনো ইচ্ছা নাছিল । তেওঁ মাধৱ শৰ্মাৰ ওচৰলৈ অৰ্থ সাহায্য বিচাৰি আহিছিল । ইমান সময় শ্যামলাৰ লগত কথা হোৱাৰ পিছত তেওঁৰ মনত আশা হল শ্যামলাৰ সহায়ত তেওঁ কিছু ধন লাভ কৰিব পাৰিব । সেয়েহে তেওঁ শ্যামলাক কলে, মই তোমাক এটা প্ৰশ্ন সুধিম । যদি তুমি ইয়াৰ উত্তৰ দিব নোৱাৰা তেতিয়াহলে তুমি তোমাৰ পিতাৰ দ্বাৰা মোক কিছু আৰ্থিক সাহায্য দিয়াব লাগিব।" শ্যামল সেই কথাত ৰাজী হ'ল ।

"ইহলোকত সুখ ভোগ কৰি পৰলোকত কোনে কষ্ট পায় ? ইহলোকত কষ্ট ভোগ কৰি পৰলোকত কোন সুখেৰে থাকে ?" ৰাধাকান্তই শ্যামলাক সুধিলে ।

শ্যামলাই চিন্তা কৰি উত্তৰ দিলে "ইহলোকত সুখ আৰু পৰলোকত কষ্ট ভোগ কৰা ব্যক্তি হ'ল দুষ্ট স্বভাৱৰ ধনবান ব্যক্তি । তেওঁ ধন অৰ্জনৰ বাবে সকলো ধৰণৰ পাপ কৰে । লগতে আনৰ সুখো হৰণ কৰে । এইদৰে জীৱন কটোৱা ব্যক্তিয়ে পৰলোকতো সুখেৰে থাকিব নোৱাৰে । ইহলোকত কষ্ট ভোগ কৰি পৰলোকত সুখ লাভ কৰা ব্যক্তি হ'ল যোগী । তেওঁলোকে এই সংসাৰত সকলো ধৰণৰ সুখ ত্যাগ কৰি জীৱন কটাই আৰু মৃত্যুৰ পিছত পৰলোক প্ৰাপ্তি হয় । তেওঁলোকে তাত সুখেৰে থাকে ।"

প্ৰশ্নৰ উত্তৰ শুনি ৰাধাকান্ত নিৰাশ হ'ল । কিন্তু সেই সময়তে মাধৱ শৰ্মাই তাত প্ৰৱেশ কৰি কলে, "বাচা, তুমি মোৰ কন্যাৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব পাৰিছা । তেওঁ তোমাৰ সৈতে বিবাহ কৰিবলৈ প্ৰস্তুত । যদি তোমাৰ মত আছে তেতিয়াহলে মই বিবাহ কাৰ্য্য সম্পন্ন কৰিব পাৰো ।"

ৰাধাকান্তই হঠাতে এই কথা শুনি আচৰিত হৈ গ'ল । তেওঁৰ কল্পনাৰ অগোচৰ এই কাৰ্য্যত সফল হৈ তেওঁৰ মনত খুব আনন্দ লাগিল আৰু শ্যামলাৰ লগত বিবাহ কৰাবলৈ সম্মতি প্ৰাদান কৰিলে ।



চান্দমামাৰ নিবেদন
3
অজেয় গৰুড়
চিত্ৰ:পাণি
চন্দ্ৰপুৰীৰ মহাৰাজ মহেন্দ্ৰদেৱে স্বৰ্গীয় প্ৰধান মন্ত্ৰীৰ পুত্ৰ আদিত্যক দৰবাৰৰ অধিকৰ্ত্তা কৰিলে। আদিত্যই মানুহৰ ওপৰত অত্যাচাৰ কৰা ডকাইতবোৰক নিৰ্মূল কৰিলে। প্ৰধানমন্ত্ৰীৰ বন্ধুৰ কন্যা অৰুণাই আদিত্যক কলে, কেনেকৈ তেওঁৰ আৰু আদিত্যৰ পিতাকৰ একেদিনাই মৃত্যু হৈছিল। অৰুণাই আদিত্যক এটা বাকচ দিলে। তেওঁ তাত এখন কিতাপ পালে য'ত তেওঁৰ পিতাকৰ হাতৰ আখৰ আছিল।
বিনতাই পুত্ৰ গৰুড়ক কলে কেনেকৈ কদৰুৰ লগত পণত হাৰমানি কদৰু আৰু তেওঁৰ নাগ পুত্ৰসকলৰ দাসী হব লগা হৈছে। গৰুড়ে কদৰুৰ ওচৰত তেওঁৰ মাকক দাসীৰ পৰা মুক্তি দিবলৈ প্ৰাৰ্থনা কৰিলে।
যদি তুমি দেৱলোকলৈ গৈ মোৰ বাবে অমৃত লৈ আহা তেতিয়া তোমাৰ মা আৰু মোৰ দাসী হব নালাগে।

গৰুড়ে অমৃতৰ কলহটো বিচাৰিবলৈ আৰম্ভ কৰিলে । সেইটো দুটা সাপে পহৰা দি আছিল । কলহৰ চাৰিওফালে জুই জ্বলি আছিল । অন্য দেৱতাইও তাৰ ওপৰত চকু ৰাখিছিল । গৰুড়ে তেওঁৰ লগত যুদ্ধ কৰি জুই নুমাই দিলে আৰু সাপদুটাক মাৰি পেলালে । গৰুড়ে কলহটো লৈ উৰি আহিল ......
ইন্দ্ৰই সাৱধান কৰিদি গৰুড়ৰ ফালে বজ্ৰ মাৰি পঠালে । মাথোঁ এটা পাখি সৰিল। ইন্দ্ৰৰ মনত পৰিল গৰুড়াতো অজেয় ।
অমৃত মাত্ৰ দেৱতাৰ বাবেহে । এইটো অন্য কাকো নিদিবা ।

এইটো মোৰ সতীয়া মাৰ বাবে বিচাৰিছো। তেতিয়াহে তেওঁ মোৰ মাক মুক্ত কৰি দিব।
কিন্তু মই ইহঁতক খাব নিদিও। অমৃত পূৰ্ণ এই কলহটো মই দেৱলোকক ওভতাই দিম।
অমৃত পূৰ্ণ কলহটো দেখি কদৰু আনন্দিত হ'ল। গৰুড় আৰু তেওঁৰ মা বিনতাই এতিয়া কদৰু আৰু তেওঁৰ নাগ পুত্ৰসকলৰ সেৱা কৰিব নালাগে। নাগবোৰ কলহটোৰ কাষলৈ যোৱাৰ লগে লগে গৰুড়ে সেইটো উঠাই লৈ উৰি গ'ল।

গৰুড়ৰ যিটো পাখি হিমালয়ত সৰি পৰিছিল, সেইটো এটা মুনিয়ে ৰাখি থৈছিল । তেওঁ সেইটো পূজা কৰি আছিল, পিছত আমাৰ পূৰ্বপুৰুষ এজনক সেই পাখিটো দিলে । তেওঁ ৰজা আছিল । তেওঁ সেইটো পূজা কৰিছিল আৰু এতিয়াও সেইটোৰ পূজা কৰা হয় । কথিত আছে ষষ্ঠ পুৰুষৰ লোকে যেতিয়া এইপাখিটোৰ পূজা কৰিব তেওঁ আতাইতকৈ সুখী হব । আদিত্য তুমিয়েই ষষ্ঠ পুৰুষৰ যুৱক ।
মোৰ পিছত এই পাখিটো তুমি পৰম্পৰা মতে ৰাখিবা । প্ৰত্যেক পূৰ্ণিমাতে ইয়াৰ পূজা কৰিবা । ইয়ে তোমাক অধিক শক্তি আৰু বল প্ৰদান কৰিব । তোমালোকৰ ভালৰ বাবে ইয়াক ব্যৱহাৰ কৰিবা । যেনেদৰে গৰুড়ে নিজৰ মাকৰ মুক্তিৰ বাবে যুদ্ধ কৰিলে, সেইদৰে তোমাৰ মাতৃ ভূমি চন্দ্ৰপুৰীক অৰাজকতাৰ পৰা ৰক্ষা কৰিবা । গোপন উপায়েৰে মোৰ ওপৰত দৃষ্টি ৰখা হৈছে । মই হয়তো আৰু বেচি দিন নাথাকিম । গৰুড়ে তোমাক ৰক্ষা কৰিব । আদিত্য মোৰ পুত্ৰ ।
পিতাদেউ, মই নিজৰ মাতৃভূমিক ৰক্ষা কৰিম ।
(ক্ৰমশঃ)

এই মাহত জন্ম হোৱা ব্যক্তি

পি. চি. মহলানবীশ

তোমাৰ যদি পৰিসংখ্যা বিজ্ঞানত ৰাপ আছে তুমি নিশ্চয় মাল্টিভেৰিয়েট এনালিচিচ্, চেম্পল চাৰ্ভেব ইন্টাৰপেনেট্ৰেটিং নেটওৱাৰ্ক অব চেম্পলচ (IPNS) আৰু ফ্ৰেক্টাল গ্ৰাফিকেল এনালিচিচৰ নাম শুনিছা । তথ্য গণনা আৰু বিশ্লেষণ কৰিবলৈ এই পদ্ধতিবোৰ উদ্ভাবন কৰিছিল এজন ভাৰতীয়ই। তেওঁৰ নাম আছিল প্ৰশান্ত চন্দ্ৰ মহলানবীশ ।

এই পৰিসংখ্যা বিজ্ঞানীজনে ভাৰতৰ নাম অমৰ কৰি ৰাখিছে । ১৮৯৩ চনৰ ২৯ জুনত পি.চি. মহলানবীশৰ জন্ম হৈছিল । ১৯১২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা মহলানবীশে বি,এছ,চি (সন্মান). ডিগ্ৰী লাভ কৰিছিল আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰ গণিতত এম.এ. ডিগ্ৰী লাভ কৰিছিল । সেই সময়ত আকস্মিক ভাবে তেওঁ পৰিসংখ্যা বিজ্ঞানৰ লগত পৰিচিত হৈছিল । তেওঁৰ শিক্ষক ডব্লিউ.এইচ.মেকলেই কৈছিল যে তেওঁ বায়োমেট্ৰিকা আৰু বায়োমেট্ৰিক টেবল্চৰ নতুন সংস্কৰণবোৰ অধ্যয়ন কৰিছিল ।

তেওঁৰ শিক্ষকে ঠিকেই কৈছিল । এই কিতাপ কেইখনে তেওঁক বিষয়টোৰ প্ৰতি আকৰ্ষিত কৰিছিল। ১৯১৫ চনত তেওঁ ভাৰতলৈ উভতি আহিছিল । তেওঁ কলিকতাৰ প্ৰেচিডেন্সি কলেজত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাবে যোগদান কৰিছিল আৰু সময় পালেই পৰিসংখ্যা বিজ্ঞান অধ্যয়ন কৰিছিল ।

১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ শিক্ষাবিদসকলে ৰাজ্যখনৰ পৰীক্ষা পদ্ধতিৰ পৰিবৰ্তন সাধিব বিচাৰি এই বিষয়ত মহলানবীশৰ সহায় বিচাৰিছিল । তেওঁ গোটেইবোৰ দিশ অধ্যয়ন কৰি সেইবোৰৰ পৰিসাংখ্যিক বিশ্লেষণ কৰি পৰামৰ্শ আগবঢ়াইছিল আৰু পিছত সেইবোৰ কাৰ্য্যকৰী কৰা হৈছিল ।

তেতিয়াৰ পৰা তেওঁ নৃতত্ত্ব বিজ্ঞান, মহামাৰী তত্ত্ব, জনসংখ্যা বিজ্ঞান, বতৰ বিজ্ঞান আদিৰ দৰে বিষয়বোৰ চৰ্চা কৰিছিল । ১৯৩১ চনত তেওঁ ইণ্ডিয়ান ষ্টেটিচ্টিকেল ইন্ষ্টিটিউট স্থাপন কৰিছিল।

১৯৫০ চনত যেতিয়া পৰিকল্পনা আয়োগ গঠন কৰা হৈছিল মহলানবীশক ভাইচ চেয়াৰমেন নিযুক্ত কৰা হৈছিল । চেয়াৰমেন আছিল ভাৰতৰ প্ৰধানমন্ত্ৰী।

তেওঁৰ গৱেষণালব্ধ আবিষ্কাৰ 'মহলানবীশ ডিচটেন্স' নামে জনজাত । পৃথিবীৰ দুখন ঠাইৰ মাজৰ ভৌগলিক অৱস্থানৰ পৃথক কৰণ নিৰুপন কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয় ।

১৯৪৯ চনত মহলানবীশ ভাৰতৰ জাতীয় আয় কমিটিৰ চেয়াৰমেন নিযুক্ত হৈছিল । তেওঁৱেই নেশ্বনেল চেম্পল চাৰ্ভে প্ৰবৰ্ত্তন কৰিছিল । ১৯৪৫ চনত তেওঁ ৰয়েল চোচাইটিৰ সদস্য নিৰ্বাচিত হৈছিল। ১৯৬৮ চনত মহলানবীশক পদ্ম বিভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল । ১৯৭২ চনৰ ২৮ জুনত তেওঁৰ মৃত্যু হৈছিল ।

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

এপ্ৰিল সংখ্যাৰ পুৰস্কাৰ বিজয়ী

মাইনু বৰ্মন

গাঁও, পো : অৰৰা

জিলা - নলবাৰী অসম

বিজয়ী বাক্য



বেজে কৰিছে বেজালি

ধাৰ দিছে সঁজুলি

চান্দমামাৰ বছৰেকিয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED. For details address your enquires to:

New 82 (old 92), Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.

The next twelve months will be eventful...

CHANDAMAMA

will bring you

- Brainrackers from your favourite Vetala
- Magical mythology
- Mindteasing contests to test and tease your skills
- Ribtickling humour to tickle your funny bones
- Fascinating feast of fables and fantasies
- Indiascope, which brings you the richness of Indian heritage
- Heritage puzzles and activity, special issues to mark occasions and lots more.....

Now you know why you ***must*** subscribe to Chandamama

Orissa
The Soul of India

Symphony on Stone

Sculpted as the celestial chariot of the Sun God, Konark is the quintessence of Orissan School of temple architecture, dating back to 13th century AD. Built by King Langula Narasimha Dev, this monument is a sheer poetry on stone. Although only the *Mukhasala* - the entrance hall - has remained intact, this magnificent ruin, amidst the sand dunes by the seashore, has on its walls sculptures of immense beauty, covering every aspect of life. Pulled by seven exquisitely carved horses, the chariot-temple had twenty-four wheels, with intricate designs, representing time, unity, completeness, justice and movement. The temple was conceived to be a total picture of the entire gamut of social and cultural life of the time and the people. Besides being a major attraction for the connoisseurs and common men alike, Konark finds place in the World Heritage List, being a monument of global importance in Eastern India.






The Sun Temple : Konark

"Where the language of man has been defeated by the language of stone"

-Rabindranath Tagore

ORISSA TOURISM

For more information contact: Director, Tourism; Paryatan Bhavan; Bhubaneswar-751014, Orissa, India
Tel: (0674) 432177, Fax: (0674) 430887, e.mail:ortour@sancharnet.in, website:www.orissa-tourism.com
Tourist Offices at; **Chennai:** 42/18, Mount Road, (2nd Floor), Gee Gee Complex, Pin-600002, Telefax: (044)8534090
Calcutta: Utkal Bhawan 55, Lenin Sarani, Pin-700013, Tel: (033) 2443653
New Delhi: Utkalika, B/4 Baba Kharak Singh Marg, Pin - 110001, Telefax (011) 3364580

NATURATA